# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBED AFTER THE EIGHTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA

## BUDGET SESSION


**VOL. I**

**NO. 12**

**THE 31ST MARCH 1988**

**Price : Rs. 35.00**

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Thursday, March 31st 1988**

**The House met at Nine of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.**

## STARRED
## QUESTIONS AND ANSWERS

(To which oral answers were given)

Mr. Speaker : Now Starred question No. 201 of Hon'ble Member Shri Girindra Kr. Barua and Hon'ble Minister Food and Civil supply is to reply.

বিষয় ঃ কেৰাচিন তেলৰ বিক্ৰীৰ অনুজ্ঞাপত্ৰ

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

* ২০১। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গ্ৰাম্য অঞ্চলত কেৰাচিন তেলৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি জনসংখ্যা অনুপাতে একোটা নিৰ্দিষ্ট এলেকা অনুযায়ী কেৰাচিন তেল বিক্ৰীৰ (অনুজ্ঞা পত্ৰৰ দ্বাৰাই) বিতৰণ ব্যৱস্থা কৰিবনে ?

(খ) বৰ্তমানৰ বিতৰণ পদ্ধতি সন্তোষজনক নে ?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

(ক) অসম ব্যৱসায়ীক সামগ্ৰি (অনুজ্ঞা ও নিয়ন্ত্ৰণ) আদেশ, ১৯৮২ অনুযায়ী কেৰাচিন তেলৰ বিক্ৰী কেন্দ্ৰ চাহিদা অনুসাৰে স্থানীয় জিলা/মহকুমা কৰ্তৃপক্ষই দিয়াৰ ব্যৱস্থা আছে।

(খ) বিতৰণ পদ্ধতি সন্তোষজনক যদিও সময়ে সময়ে নিম্ন লিখিত কাৰণত ব্যাঘাট হয়, আৰু এই বিচ্যুতি প্ৰতিৰোধৰ বাবে চৰকাৰৰ ফালৰ পৰা যথোচিত ব্যৱস্থা গ্ৰহণ কৰি আছে।

১) কেতিয়াবা কেতিয়াবা আমাৰ ৰাজ্যৰ মাহেকীয়া চাহিদা অনুসাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৱণ্টন পোৱা নাযায়।

২)　　ধৰ্মঘট, বন্ধ আদিৰ বাবে উৎপাদন ও পৰিবহণত ব্যাঘাট,

৩)　　মাজে সময়ে হোৱা বন্ধন গেচৰ সৰবৰাহৰ ব্যাঘাটৰ ফলত কেৰাচিনৰ ওপৰত পৰা হেঁচা,

৪)　　মাজে সময়ে ৰাজ্যৰ তেল পুঙৰ বিজুতিত উৎপাদন হ্ৰাস,

৫)　　তেল নিগম কৰ্তৃপক্ষই স্থানীয় জিলা/মহকুমা কৰ্তৃপক্ষই দিয়া আৱণ্টন হিচাপে কেৰাচিন যোগান নধৰা,

৬)　　সীমিত ৰেল পৰিবহণ ও সময়ে সময়ে হোৱা দ্ৰুত ৰেল পৰিবহণৰ অভাৱ ইত্যাদি।

* ডাঃঅৰ্ধেন্দু কুমাৰ দে ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে তেখেতে কেৰাচিনৰ অভাবৰ ক্ষেত্ৰত যিখিনি কাৰণ দৰ্শাইছে তাৰ বাহিৰেও আৰু কিছুমান কাৰণ আছে। যেনে কিছুমান লোকে টিনে টিনে কেৰাচিন ভৰাই লৈ যায়। সেই ক্ষেত্ৰত এজেণ্টবিলাকেও কোনো বাধা নিদিয়ে। লামডিঙৰ ক্ষেত্ৰত যিটো ৰেট হয় তাত যিজন ইন্সপেক্টৰ আছে তেওঁ ভালদৰে মন নকৰে। গতিকে লামডিঙৰ ক্ষেত্ৰত কেৰাচিন তেল যিটো আৰ্টিফিচিয়েল স্কেয়াৰচিটি হয় তাৰ এটা অনুসন্ধান কৰিব নে?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মই চাম।

* শ্ৰীদেৱেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে গ্ৰাম্য অঞ্চলত কো-অপাৰটিভৰ জৰিয়তে কেৰাচিন তেলৰ যোগান ধৰা হয় আৰু এই কো-অপাৰিটিভে সামগ্ৰী নুঠোৱাৰ বাবে ৰাইজৰ কেৰাচিন তেলৰ অভাৱ হয়। গতিকে এই অভাৱ যাতে পৰিলক্ষিত নহয় তাৰ বাবে ষ্টেডফেড বা আন কিবা সুবিধাজনক ব্যৱস্থা কৰিবনে?

* শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে গ্ৰাম্য অঞ্চলত কো-অপাৰিটিভক তেলটো দিয়া হয় আৰু তেওঁলোকে গাঁও অঞ্চলত বিতৰণ কৰিব লাগে। কিছুমান ক্ষেত্ৰত দেখা যায় কিছুমান কো-অপাৰিটিভে কিবা কাৰণত তেলটো নুঠায়। তেনে স্থলত ডি চি বা মহকুমাধিপতিৰ জৰিয়তে অনুজ্ঞা পত্ৰ দি ৰাইজক দিয়াৰ ব্যৱস্থা কৰে। মাননীয় সদস্যগৰাকীয়ে ষ্টেডফেডৰ জৰিয়তে দিয়াৰ যিটো ব্যৱস্থাৰ কথা কৈছে, সেইটো তেওঁলোকে ব্যৱস্থা কৰিব নোৱাৰে। তথাপি এই বিলাক পৰীক্ষা কৰি চোৱা হ'ব। ৰাইজৰ যাতে অসুবিধা নহয় তেনে ধৰণে চাই চিতি এজেণ্টসকলৰ জৰিয়তেও বিতৰণৰ ব্যৱস্থা কৰা হ'ব।

* শ্ৰীমুক্তাৰ হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুমান গাঁৱত অনুজ্ঞাপত্ৰ পোৱাৰ পাচতো কেৰাচিন তেল আনিব নোৱাৰে কাৰণ সেই গাঁৱৰ পৰা বহুত দূৰত তেল ডিপু থাকে। এই দুৰৱস্থাৰ কাৰণেই জনসাধাৰণে কেৰাচিন তেল নাপায়। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব

---

* Speech Not Corrected

বিচাৰিছো যে তেনে অঞ্চল বিলাকত বা অসমৰ প্ৰত্যেক মৌজাতে এটা তেলৰ ডিপু বহুৱাবলৈ চৰকাৰৰ ফালৰ পৰা অনুজ্ঞা পত্ৰ দিবনে?

* শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) ঃ এই ক্ষেত্ৰত ভাৰত চৰকাৰেহে ডিপুৰ ব্যৱস্থা কৰে। গতিকে ভাৰত চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা কৰে সেইটো ক'ব নোৱাৰিম। তথাপি এই বিষয়টো নিশ্চয় চাম।

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব পাৰো নেকি যে সমবায় সমিতিবিলাকে কেৰাচিন তেলৰ লগতে অন্যান্য আৱশ্যকীয় সামগ্ৰী বিলাকো গাঁও অঞ্চলত যোগান ধৰিব নোৱাৰে কিয়? যোগান ধৰিব নোৱাৰে বুলি ক'লে, উঠাব নোৱাৰে বুলি কয়। এই সামগ্ৰীসমূহ কিয় উঠাব নোৱাৰে আৰু নিয়মিতভাৱে যাতে উঠোৱাৰ ব্যৱস্থা কৰে তাৰ প্ৰতি লক্ষ্য ৰখাৰ ব্যৱস্থা কৰিব নেকি?

* শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) ঃ সমবায় বিলাকক প্ৰয়োজন অনুসৰি ডিচিয়ে বণ্টন দিয়ে। সেইমতে সমবায় বিলাকে সামগ্ৰীসমূহ উঠাই নিয়ে আৰু ৰাইজক বিতৰণ কৰে। কিছুমান ঠাইত সামগ্ৰীসমূহ উঠায় আৰু কিছুমান ঠাইত তেওঁলোকৰ অৰ্থৰ অভাৱত সকলো সামগ্ৰী উঠাব নোৱাৰে। সমবায়টো এটা বেলেগ বিভাগ। গতিকে এই বিষয়ে মই তেওঁলোকৰ লগত আলোচনা কৰিম।

Mr. Speaker : Now Starred question No. 202.

**বিষয় ঃ শদিয়া ৰাজ্যিক চিকিৎসালয়।**

শ্ৰীমতী জ্যোৎস্না সোণোৱালে সুধিছে ঃ

* ২০২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত ঢলা ৰাজ্যিক চিকিৎসালয়খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নত কৰাৰ আঁচনি লৈছে নেকি?

(খ) যদি লোৱা নাই লোৱাৰ ব্যৱস্থা কৰা হ'ব নেকি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ঢলা চিকিৎসালয়খন ১৯৮৫ চনতে চাবচিডিয়াৰী হেল্‌থ চেণ্টাৰলৈ (NEW PHC) উন্নিত কৰা হৈছে।

(খ) প্ৰশ্ন নুঠে।

* শ্ৰীমতী জ্যোৎস্না সোণোৱাল ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো

* Speech Not Corrected

যে ১৯৮৫ চনতে ধলা ৰাজ্যিক চিকিৎসালয়টো চাবচিডিয়াৰী হেল্‌থ চেণ্টাৰলৈ উন্নত কৰা হৈছে বুলি কৈছে। কিন্তু উন্নিত কৰাৰ পৰিৱেশ কি জনাবনে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰিবেশৰ কি অৰ্থ কৰিছে স্পেচিফাই কৰি দিলে ভাল হয়।

শ্ৰীমতী জ্যোৎস্না সোণোৱাল ঃ হস্পিতাল লোৱা বুলি কৈছে, কিন্তু লোৱা হোৱা নাই। গতিকে টকা বিলাক ইমানদিন ক'ত থৈছে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ টকাবিলাক এনেয়ে কাৰো হাতত নাথাকে হস্পিতাল বনোৱা আৰম্ভ কৰিলে চেংচন কৰি দিয়া হয়। মাটি পালে হস্পিতাল হ'ব।

শ্ৰীমতী জ্যোৎস্না সোণোৱাল ঃ মাটি দিয়া হৈছে কিন্তু হস্পিতাল হোৱা নাই কিয় তাৰ এটা তদন্ত মন্ত্ৰী মহোদয়ে কৰিব নে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ সেইটো চাম।

শ্ৰীজয়নাথ শৰ্মা ঃ চাবচেডেৰী হেল্‌থ চেণ্টাৰ আৰু প্ৰাইমেৰী হেল্‌থ চেণ্টাৰৰ পাৰ্থক্য কি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ ষ্টাৰ্ফ পেৰ্টান কৰা হৈছে।

শ্ৰীমুক্তাদিৰ চৌধুৰী ঃ পুৰণা বিলাক তিনিজন আৰু নতুন বিলাকত দুজন ষ্টাফ ৰখা হৈছে। ইয়াৰ কাৰণ কি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ এইটো ভাৰত চৰকাৰৰ পলিচি। ভাৰত চৰকাৰে যদি চাৰিজন দিবলৈ কয় আমাৰ দিয়াত আপত্তি নাই।

Mr. Speaker : Now starred Question No. 203.

**বিষয় ঃ মীন পালনৰ বাবে চৰকাৰৰ আঁচনি।**

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে ঃ

* ২০৩। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মীন পালনৰ বাবে চৰকাৰৰ আঁচনিসমূহ কি কি?

(খ) এই আঁচনিসমূহৰ দ্বাৰা নিবনুৱা যুৱকক কৰ্মসংস্থানৰ দ্বাৰা উপকৃত কৰাৰ ব্যৱস্থা লোৱা হ'বনে?

শ্ৰীনগেন শৰ্মা (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মীন পালনৰ বাবে চৰকাৰৰ আঁচনিসমূহ হ'ল (১) মাছ পোনা পাম (২) হাঁহৰলগত মৎস্য পালন (৩) মাছ পালকসকললৈ সাহায্য (৪) মীন পালক উন্নয়ন সংস্থা (৫) পৰিত্যক্ত জলভাগৰ উন্নয়ন (৬) গাহৰীৰ লগত মাছ পালন (৭) ব্যক্তিগত খণ্ডৰ মীন পোহা পামৰ

* Speech Not Corrected

স্থাপনৰ বাবে সাহায্য (৮) বিত্তীয় অনুষ্ঠানৰ দ্বাৰা পুখুৰী উন্নতিকৰণ (৯) ৰাষ্ট্ৰীয় মাছ পোহা পাম (১০) ধান খেতিৰ লগত মাছ পালন।

(খ) ব্যৱস্থা লোৱা হৈ আছে।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যি বিলাক আঁচনি আছে সেইবিলাকৰদ্বাৰা নিবনুৱাসকলক সেই আঁচনি বিলাকৰ জৰিয়তে তেওঁলোকক 'ট্ৰেইনিং' দিয়াৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই আঁচনি বিলাকৰ যোগেদি 'ট্ৰেইনিং' দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীভৰেন্দ্ৰ নাথ ভৰালী ঃ মাননীয় অধক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে উক্ত 'ট্ৰেইনিং' ক'ত ক'ত দিয়া হয়, কেনেধৰণে দিয়া হয় আৰু কেনেধৰণে চিলেকচন্ কৰা হয়।

* শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলাকৰ 'ট্ৰইনিং' জয়সাগৰত দিয়া হয়। সময়ে সময়ে আমাৰ সঞ্চালকৰ উলুবাৰী অফিচৰ পৰা দিয়া হয়। ব্যৱসায় কৰিবৰ কাৰণে যিসকলে ইচ্ছা কৰে তেওঁলোকক 'ট্ৰেইনিং' দিয়া হয়।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ৰ অনুগ্ৰহ কৰি জনাবনে যে মীন সমবায় সমিতি আৰু মীন শিল্প সমবায় সমিতিৰ মাজত পাৰ্থক্য কি? মীন সমবায় সমিতি আৰু মীন শিল্প সমবায় সমিতিৰ নামত চৰকাৰে এক লাখ টকাকৈ অনুদান দিয়ে মাছ পোহাৰ কাৰণে। কিন্তু এই এক লাখ টকা ক'ত খৰচ কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে? ইয়াৰ আচল উদ্দেশ্যত খৰচ কৰা হৈছেনে?

* শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মীন সমবায় সমিতি বিলাকে মাছ ধৰে সেইধৰণে মীন শিল্প সমবায় বিলাকে মাছৰ পৰা তৈয়াৰ হোৱা উৎপাদিত সামগ্ৰীবিলাকক মীন শিল্প সমবায় সমিতি বুলি কোৱা হয়।

শ্ৰীবলোভদ্ৰ তামুলী ঃ মাননীয় অধ্যক্ষ মহোদয়, মীন শিল্প সমবায় বিলাক কেৱল এছ/চিৰ কাৰণে নে জেনেৰেলৰ কাৰণে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শতকৰা ৮০ ভাগ এচ/চি আৰু এছ/টিৰ কাৰণে সংৰক্ষিত।

* শ্ৰীভৰেন্দ্ৰ নাথ ভৰালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মীন সমবায় সমিতিবিলাকে অকল মাছ ধৰে আৰু মীন শিল্প সমবায় সমিতিবিলাকৰ পৰা মাছ ধৰাৰ পৰিৱৰ্তে মাছৰ পৰা যি উৎপাদন পোৱা যায় সেইখিনিৰ কাৰণে কিবা ব্যৱস্থা কৰিবনে?

* শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাছৰ যাতে যথেষ্ট উৎপাদন হ'ব পাৰে সেইবিলাক

* Speech Not Corrected

সকলো ট্ৰেইনিং ফিচাৰী বিভাগৰ পৰা দিয়া হয়। সমবায় সমিতিসমূহ পুনৰ গঠন হ'বলৈ সমবায় বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে।

(Starred Question No. 204 was not called for. However, Written replies deemed to have been laid on the table as follows.)

**Re :** Hospital and Dispensaries.

Shri Mithias Tudu asked—

* 204. Will the Minister, Health & F.W. be pleasd to state :-

(a) Number of Hospital & Dispensaries in Gossaigaon Constituency?

(b) Whether all the Hospital & Dispensaries have Doctor & other Staff?.

Shri Chandra Mohan Patowari, (Minister Health & F. W) replied :

(a) Five.

(b) No.

Mr. Spreaker : Now starred Question No. 205.

বিষয় ঃ প্ৰাৰ্থী নিৰ্বাচন।

ডাঃ কমলা কলিতাই সুধিছে ঃ

* ২০৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬-৮৭ চনৰ পাঠ্যক্ৰমৰ বাবে কিমান প্ৰাৰ্থী মনোনীত কৰা হৈছিল (তিনিওখন কলেজক লৈ)?

(খ) শ্ৰীমতী কল্পনা শৰ্মা (গাঁও আৰু পোঃ অঃ বিদ্যাপুৰ, নলবাৰী, জিলা নলবাৰী) নামৰ প্ৰাৰ্থী এগৰাকী নাম ভৰ্তিৰ বাবে নিৰ্বাচন কৰা হৈছিল নেকি আৰু যদি হৈছিল তেন্তে কোনখন কলেজত ভৰ্তিৰ বাবে মনোনীত কৰা হৈছিল?

(গ) তেওঁ এগৰাকী মুক্তি যুঁজাৰুৰ ছোৱালী হিচাপে মনোনীত কৰা হৈছিল নে অসমত কাম কৰা কেন্দ্ৰীয় চাকৰিয়ালৰ পৰা ভৰ্তি কৰাৰ বাবে নিৰ্বাচিত কৰা হৈছিল?

(ঘ) প্ৰাৰ্থী গৰাকীৰ মেডিকেলত ভৰ্তি হ'বলৈ দৰকাৰী বিষয় কেইটাৰ গড় নম্বৰ জনাই যেন।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬-৮৭ চনৰ M. B. B. S. পাঠ্যক্ৰমৰ বাবে তিনিওখন কলেজলৈ মুঠতে ৩২৪ জন প্ৰাৰ্থীক বাছনি কৰা হৈছিল।

(খ) হয়। শ্ৰীমতী কল্পনা শৰ্মাক শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তিৰ বাবে মনোনীত কৰা হৈছিল।

(গ) প্ৰাৰ্থীজনক এগৰাকী মুক্তি যুঁজাৰুৰ ছোৱালী হিচাপে মনোনীত কৰা হৈছিল। কিন্তু এই শ্ৰেণীভুক্ত প্ৰাৰ্থীৰ কাৰণে সংৰক্ষিত আসন পূৰণ হৈ যোৱাৰ বাবে তেখেতক এটা খালি থকা অসমত কাম কৰা কেন্দ্ৰীয় চাকৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে সংৰক্ষিত আসনত ভৰ্তি কৰা হৈছিল।

(ঘ) প্ৰাৰ্থীগৰাকীয়ে পোৱা নম্বৰৰ তালিকা হ'ল—

| | |
|---|---|
| (১) পদাৰ্থ বিজ্ঞান (Physics) ... | ৮৭ |
| (২) ৰসায়ন বিজ্ঞান (Chemistry) ... | ১২৮ |
| (৩) প্ৰাণী বিজ্ঞান (Biology) ... | ১১৯ |
| মুঠ = | ৩৩৪ |

গড়ে ৫৫.৬৬ শতাংশ পাইছে।

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোক এইটো জনাবনে যে কি খাতিৰত শ্ৰীমতী কল্পনা শৰ্মাক মুক্তি যুঁজাৰু হিচাপে দেখুৱাইছে 'চেণ্ট্ৰেল গভৰ্ণমেণ্ট এমপ্লয়ি ৱৰকিং ইন আসাম' ভিত্তিত কৰিবলগীয়া হয় যিহেতু 'ফ্ৰি-দম-ফাইটাৰ কোটা ইতিমধ্যে শেষ হৈ গৈছে আৰু 'চেণ্ট্ৰেল গভৰ্ণমেণ্ট এমপ্লয়ি ৱৰকিং ইন আসাম আৰু লিষ্ট আছে তাত শতকৰা ৭৪ ভাগ নম্বৰ পোৱা প্ৰাৰ্থী ডিপ্ৰাইভ' হৈছে। সেই সকলো বিলাক তথ্য মোৰ হাতত আছে। গতিকে মই মন্ত্ৰী মহোদয়ক পুনৰ সুধিছো যে কি খাতিৰত শ্ৰীমতী শৰ্মাক দিয়া হ'ল?

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে শ্ৰীমতী শৰ্মাই যেতিয়া 'ফ্ৰি-দম-ফাইটাৰ'ৰ চাৰ্টিফিকেট দিছিল তেতিয়া বাচনি কমিটীয়ে এই 'ফ্ৰি-দম-ফাইটাৰ' চাৰ্টিফিকেটখন পৰীক্ষা কৰাৰ বাবে তেওঁলোকে 'ফ্ৰি-দম-ফাইটাৰ'ৰ কোটাত লোৱা নহ'ল আৰু ফ্ৰি-দম-ফাইটাৰৰ কোটাত যি কেইজন প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ল সেই প্ৰাৰ্থী কেইজনতকৈ শ্ৰীমতী শৰ্মাক মুক্তি যুঁজাৰু চাৰ্টিফিকেটখন বাছনি কমিটীয়ে গ্ৰহণ কৰা নাছিল যিহেতু শ্ৰীমতী শৰ্মাই বেচি পাৰচেনটেইজ পাইছে, সেয়েহে চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ এটা কোটা খালী হৈ আছিল। গতিকে সেই কোটাত তেখেতক বিবেচনা কৰি দিয়া হৈছিল।

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, আসাম মেডিকেল কলেজ, ডিব্ৰুগড়ত জেনেৰেল কোটাত তিনিজনক দিয়া হৈছে। তেওঁলোক হ'ল ৰম্যজ্যোতি শৰ্মা, পাৰচেৰ্ণ্টইজ ৬৩.৮৩ (২) শ্ৰীপ্ৰচন্ত প্ৰতিম শৰ্মা, পাৰচেনটেজ ৬৩.৮৩। (৩) শ্ৰীভগৱান চন্দ্ৰ উজীৰ পাৰচেনটেজ

---

* Speech Not Corrected

৬৩.৮৩ কিন্তু আমাৰ শ্ৰীমতী শৰ্মাক 'চন এণ্ড ডাটাৰ অফ চেণ্ট্ৰেল গভৰ্ণমেণ্ট পৰ্ষ্টট ইন আসাম' কোন কোটাত দিয়া হৈছে। ফ্ৰি-দম-ফাইটাৰ' তেখেতক দেখুওৱা হৈছে কিন্তু মাৰ্কচিতত দেখুওৱা হোৱা নাই। দুই নম্বৰ কথা হ'ল শ্ৰীমতী শৰ্মা জেনেৰেল প্ৰাৰ্থী কাৰণে প্ৰাৰ্থী আছিল নে সংৰক্ষিত প্ৰাৰ্থী আছিল। কিয় দুৰ্নীতি কৰি শ্ৰীমতী শৰ্মাক ভৰ্তি কৰোৱা হৈছিল আৰু এই ক্ষেত্ৰত যিসকল বিষয়া আছিল তেওঁলোকক শাস্তি দিয়া হ'বনে। এই বিবৰটো মই মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিছো।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীমতী কল্পনা শৰ্মাক মুক্তি যুঁজাৰুৰ ল'ৰা-ছোৱালীৰ কাৰণে থকা 'কোটা'ৰ পৰাহে দিয়া হৈছে। হ'লেও মাননীয় সদস্য ডাঃ কমলা কলিতাই যিখিনি কথা কৈছে সেইখিনি কথা মই পৰীক্ষা কৰি চাম।

শ্ৰীদূৰ্গাদাস বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, 'স্পৰ্টছ'ৰ কোটাটো উঠাই দিলেনেকি?

(উত্তৰ নাই)

ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীমতী কল্পনা শৰ্মাৰ দেউতাক কোনো মুক্তি যুঁজাৰু নাছিল। চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ চাকৰিয়ালও নাছিল। 'চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ কোটাত' তেওঁতকৈও বেছি শতকৰা নম্বৰ পোৱা ল'ৰা-ছোৱালী অৰ্থাৎ শতকৰা ৭৫ ভাগতকৈও বেছি নম্বৰ পোৱা ল'ৰা-ছোৱালী 'ওৱেটিং লিষ্ট'ত আছিল। সেইসকল ল'ৰা-ছোৱালীক বঞ্চিত কৰি কিয় শ্ৰীমতী শৰ্মাক 'কেন্দ্ৰীয় চৰকাৰৰ ল'ৰা-ছোৱালীয়ে পোৱা কোটাত সোমোৱালে। তাৰোপৰি, শ্ৰীমতী শৰ্মাই 'জেনেৰেল কোটা'ৰ কাৰণেহে দৰ্খাস্ত কৰিছিল। তেওঁৰ ওপৰত ৩৫০ জন ল'ৰা-ছোৱালী বেছি নম্বৰ পোৱা আছিল। তেওঁলোকক বঞ্চিত কৰি শ্ৰীমতী শৰ্মাক কিয় ভৰ্তি কৰিলে জনাবনে?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে, গোটেই বিষয়টো পৰীক্ষা কৰি চাই বিহিত ব্যৱস্থা লোৱা হ'ব।

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা অতি 'চিৰিয়াচ মেটাৰ'। কেন্দ্ৰীয় চৰকাৰৰ ল'ৰা-ছোৱালীৰ কোটাত কেন্দ্ৰীয় চৰকাৰৰ ল'ৰা-ছোৱালীয়ে পাব। কিন্তু মুক্তি যুঁজাৰুৰ ল'ৰা-ছোৱালী নোহোৱাকৈ আৰু কেন্দ্ৰীয় চৰকাৰৰ ল'ৰা-ছোৱালী নোহোৱা স্বত্বেও এই প্ৰাৰ্থীগৰাকীক কিয় কেন্দ্ৰীয় চৰকাৰৰকোটাত সোমোৱালে। এই বিষয়টো পোৱাৰ লগে লগেই অনুসন্ধান কৰি কিয় জনাব নোৱাৰিলে?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিষয়টো অনুসন্ধান কৰি বিহিত ব্যৱস্থা লম।

ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো অনুসন্ধান কৰাৰ কোনো প্ৰয়োজন নাই। তথ্যপাতিৰ দ্বাৰা গোটেই কথাটো প্ৰমাণ হৈয়েই গৈছে। স্পষ্টভাৱে কথা এটা প্ৰতিষ্ঠিত হোৱাৰ পিচত আৰু অনুসন্ধানৰ কিয় প্ৰয়োজন? মুক্তি যুঁজাৰুৰ কোটাটো শ্ৰীমতী কল্পনা

শৰ্মাতকৈ বেছি শতকৰা নম্বৰ পোৱা প্ৰাৰ্থী 'ওৱেটিং লিষ্ট'ত আছিল। উদাহৰণ স্বৰূপে শ্ৰীমতী মৌচুমী বৰ কটকী বুলি এগৰাকী প্ৰাৰ্থীয়ে ৬২.৫ নম্বৰ পাইওঁ ওৱেটিং লিষ্টত থকা স্বত্বেও নেপালেই। ইমানখিনি তথ্য পাতি থকা স্বত্বেও এই বিষয়টোত আকৌ কিহৰ তদন্ত লাগে। গতিকে ইয়াৰ ওপৰত কি ব্যৱস্থা লোৱা হ'ব সেইটো আজিয়েই সদনত জনাব লাগিব।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰাৰ্থীগৰাকীক কোনে মনোনীত কৰিছিল...? 'অফিচিয়েলি' মনোনীত কৰিছিল নে ৰাজনৈতিক চিন্তা চৰ্চাত মনোনীত কৰা হৈছিল?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'অফিচিয়েলি' বা ৰাজনৈতিক বুলি কোনো কথা নাই। এইবিলাক বাছনি কমিটীৰ জৰিয়তে কৰা হয়। মাননীয় সদস্য শ্ৰীকলিতা ডাঙৰীয়াই যিখিনি অভিযোগ আনিছে আৰু যিখিনি তথ্য পাতি আদি দি উত্থাপন কৰিছে বিভাগীয় মন্ত্ৰী হিচাপে মই এটা তদন্ত কৰি চাব লাগিব। আৰু তদন্ত কৰাৰ পিচত যদি প্ৰমাণিত হয় যে কোনোবাই সঁচাকৈয়ে দোষ কৰিছে- তেতিয়াহ'লে দোষী জনৰ বিৰুদ্ধে নিশ্চয় বিহিত ব্যৱস্থা ল'ব লাগিব।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, 'এডমিশ্বন' দিবৰ কাৰণে কাক 'এপ্ৰচ' কৰিছিল, মাননীয় মন্ত্ৰী মহোদয়ক কৰিছিল নে বিভাগীয় সচিবক কৰিছিল?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মন্ত্ৰী বা সচিবক 'এপ্ৰচ' কৰাৰ কথা নহয়। শ্ৰীমতী কল্পনা শৰ্মাই এটা এপিল দিছিল যে, তেওঁতকৈ কম নম্বৰ পোৱা আন আন ল'ৰা-ছোৱালীয়ে মুক্তি যুঁজাৰৰ কোটাৰ পৰা 'এড্‌মিশ্বন' পাইছে গতিকে তেওঁৰ কথাটোও এই পৰিপ্ৰেক্ষিততে বিবেচনা কৰিব লাগে। গতিকে প্ৰাৰ্থীগৰাকীয়ে কৰা এপিলৰ ভিত্তিতহে তেওঁৰ কথাটো বিবেচনা কৰা হয়। মাননীয় সদস্য গৰাকীয়ে দিয়া তথ্যৰ ওপৰত ভিত্তি কৰি মই বিহিত ব্যৱস্থা লম।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, স্মাৰক পত্ৰ ইত্যাদি দিবলগীয়া হ'লে মিনিষ্টাৰ বা সচিবক দিব লাগিব। মিনিষ্টাৰক স্মাৰক পত্ৰ দিলে সচিবলৈ বিহিত ব্যৱস্থাৰ কাৰণে দিয়ে আৰু সচিবে যদি কিবা ভুল দেখে তেতিয়াহ'লে, মন্ত্ৰীক সেইকথাটো দেখুৱাই দিব লাগিব। যিজন সচিবে এই ভুল ত্ৰুটিবোৰ দেখুৱাই দিব পৰা নাই তেওঁ জগৰীয়া হবনে নহয়?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কামবিলাক এটা প্ৰচিডিউৰ অনুযায়ী এখন বাছনি কমিটিয়ে কৰে। সচিবজন হৈছে এজন 'এপিলেট অথৰিটি'। এপিলেট অথৰিটি হিচাপে তেওঁ গোটেই বস্তুখিনি বাছনি কমিটিলৈ প্ৰেৰণ কৰে। বাছনি কমিটিয়ে সকলোখিনি ঠিক থাক কৰি দিয়ে। মাননীয় সমদস্যজনে যি খেলিমেলিৰ কথা ক'লে সেইখিনি মই এটা অনুসন্ধান নকৰাকৈ এতিয়াই মই একো ক'ব নোৱাৰিম। গতিকে এটা অনুসন্ধান কৰিবই লাগিব।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰাৰ্থীগৰাকীয়ে যিখন দৰ্খাস্ত দিছিল সেইখন কাক দিছিল? তাত কি 'নোট দিয়া হৈছিল? নিশ্চয় বিভাগীয় সচিবে কিবা ভুল নোটদি চৰকাৰক 'মিচলেড্‌'

কৰিছে। এইটো আমাক জনাব লাগে।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, এপিলেট অথৰিটি' হিচাপে সচিবে বিষয়টো বাছনি কমিটীলৈ দিয়ে।

শ্ৰী হলিৰাম টেৰাং ঃ মাননীয় অধ্যক্ষ মহোদয়, 'প্ৰচিডিউৰেল এটা ৰেংগল' যে হৈছে সেইটো ঠিক। যিয়েই নহওক এতিয়া আচল কথালৈ যাব লাগে। আমাৰ মাননীয় সদস্য ডাঃ কমলা কলিতাই তথ্যপাতি সহকাৰে যিখিনি কথা ক'লে আৰু মাননীয় মন্ত্ৰীমহোদয়ৰ পৰাও যিখিনি কথা শুনিলো তাৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে, অভিযোগটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। শ্ৰী কল্পনা শৰ্মা নামৰ প্ৰাৰ্থীগৰাকী মুক্তি যুঁজাৰুৰ ল'ৰা-ছোৱালীও নহয় আৰু কেন্দ্ৰীয় চৰকাৰৰ চাকৰিয়ালৰ ল'ৰা-ছোৱালীও নহয়।

এই কথাটো ইয়াত সম্পূৰ্ণৰূপে প্ৰতিষ্ঠিত হোৱাৰ পিচত এটা অনুসন্ধানৰ কোনো প্ৰয়োজন আছে বুলি আমি নেভাবো। Minister will have to say that the matter will be taken up and the person concerned will be punished.

মাননীয় অধ্যক্ষ ঃ সদনৰ মাননীয় সদস্যসকলক জনাব খুজিছো যে, বিষয়টো অতি গুৰুত্বপূৰ্ণ। গতিকে পাঁচ দিনৰ ভিতৰত গোটেই কথাটো অনুসন্ধান কৰি বিভাগীয় মন্ত্ৰী মহোদয়ে জনাব লাগিব।

Now starred question No. 206.,Hon'ble member Sri Altaf Hussain Mazumdar and Hon'ble Minister Panchayat is to reply.

**Re** : Delimination of Blocks

Shri Altaf Hussain Mazumdar asked :

* 206. Will the Minister, Panchayat be pleased to state —

(a) Is it a fact that the previous Government brought proposals for delimination of Development Blocks for making them smaller, compact and more effective?

(b) If so, what has happened to that proposal?

(c) Whether the present Government following up the above process and if so, it is at what stage?

(d) Has the Government received draft proposals for Development Blocks of Silchar Subdivision of Cachar district? (Copy of draft proposal may kindly be placed on the table of the House).

Shri Chandra Arandhara (Minister of Panchayat & Rural Development) replied —

(a) Yes.

(b) & (c) The Govt. have decided in principle to re-organise the Blocks in a phasad manner depending on availability of resources based on administrative convenience so as to bring the development Blocks closer to the people. Govt. have already created 10 new Blocks in the Plains District and two on the Hills.

(d) Yes. Copy of the proposal received is placed on the table of the House.

Shri Altaf Hussain Mazumdar : Sir, as far as I know the proposal was initiated by the Govt. of India for effective implementation of the Govt. of India's schemes, which were taken up by the previous Govt. But Sir, already two and a half years of the present Govt. have gone. Will the Minister kindly give and indication when he is going to implement the schemes for creation of the Blocks in a compact and Smaller manner all through out the State?

Shri Chandra Arandhara (Minister, Panchayat) : Sir, I have already stated that the blocks will be reorganised in a phased manner and we have already created 10 blocks. But creation of more blocks depends upon availability of funds.

Sri Altaf Hussain Mazumdar : May I know, Sri, in which areas these Blocks have been established? Will the Minister take steps for creation of blocks in Barak Valley also?

Shri Chandra Arandhara (Minister, Panchayat) : Definitely the Barak Valley will receive special consideration.

Mr. Speaker : Now Starred Question NO. 207.

**Reg.** : Drought relief.

Shri Silvius Condpan asked :

* 207. Will the Minister, Rural Development be pleased to state :

(a) How much fund under RLEGP, NREP and Drought relief

(Blockwise) has been allotted in Darrang DRDA during 1986-87 and 1987-88?

(b) Whether the Department has made any Official evaluation on the amount spent so far in various rural Development schemes especially in Darrang DRDA Development Block areas?

(c) Whether the respective Subdivisional Officer (Civil) are having official authority to call for Sr. Block Development Officer's and other officers to review the works done under 20 Point Programme?

Shri Chandra Arandhara (Minister Rural Development) replied :

(a) A Statement showing the fund position under RLEGP/NREP and Drought relief in DRDA, Darrang is enclosed herewith.

(b) No. Rural Development Department has not made any official evaluation in Darrang district.

(c) Yes. Senior B. D.Os come under the S. D. O. Civil administratively.

**Blockwise allocation under NREP, RLEGP and Drought Relief during the year 1986-87 and 1987-88**

(A)

| Name of the Block. | Year | NREP | RLEGP | Drought relief/Addl. fund. |
|---|---|---|---|---|
| 1. Sipajhar Dev. Block. | 1986-87 | Rs. 4.943 lacs | Rs. 7.40 lacs | Rs. 3.90 lacs |
| 2. Kalaigaon Dev. Block. | -Do- | Rs.13.157 lacs | Rs. 7.40 lacs | Rs. 3.80 lacs |
| 3. Dalgaon Sialmari Dev. Block. | -Do- | Rs. 8.391 lacs | Rs. 7.40 lacs | Rs. 2.37 lacs |
| 4. Mazbat Dev. Block | -Do- | Rs. 7.487 lacs | Rs. 7.41 lacs | Rs. 2.28 lacs |
| 5. Udalguri Dev. Block. | -Do- | Rs. 11.484 lacs | Rs. 7.41 lacs | Rs. 3.688 lacs |
| 6. Khairabari Dev. Block. | -Do- | Rs. 10.504 lacs | Rs. 7.40 lacs | Rs. 6.50 lacs |
| | TOTAL | Rs. 55.966 lacs | Rs. 44.42 lacs | Rs. 22.538 lacs. |
| 1. Sipajhar | 1987-88 | Rs. 6.556 lacs | Rs. 7.15 lacs | Nil |
| 2. Kalaigaon | -Do- | Rs. 9.374 lacs | Rs. 7.15 lacs | Nil |
| 3. Dalgaon Sialmari Dev. Block. | -Do- | Rs. 6.554 lacs | Rs. 7.15 lacs | Nil |

| | | | | |
|---|---|---|---|---|
| 4. Mazbat Dev. Block | -Do- | Rs. 7.664 lacs | Rs. 7.14 lacs | Nil |
| 5. Udalguri Dev. Block. | -Do- | Rs. 10.504 lacs | Rs. 7.15 lacs | Nil |
| 6. Khairabari Dev. Block. | -Do- | Rs. 10.504 lacs | Rs. 7.15 lacs | Nil |
| **TOTAL** | | **Rs. 51.156 lacs** | **Rs. 42.89 lacs** | |

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি ব্লক ওৱাইজ এলটমেণ্ট দেখুৱাইছে—

শ্ৰীচলভিউচ কন্দপান ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্ন 'বি' আৰু 'চি' অংশৰ উত্তৰ দিয়াই নাই।

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী, পঞ্চায়ত) ঃ অধ্যক্ষ মহোদয়, মই উত্তৰ দিছো।

শ্ৰীচিলভিউচ কন্দপান ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ 'বি' অংশৰ উত্তৰ ইভেলুৱেচন কৰা নাই বুলি কৈছে। মই জনাত সচিবালয়ত ইভেলুৱেচন উয়িং আছে। দৰং জিলাত ইভেলুৱেচন নোহোৱাটো বৰ দুখৰ কথা। চৰকাৰে গ্ৰামোন্নয়ন বিভাগত যিমান টকা খৰচ কৰিছে তাৰ অনুপাতে কিন্তু কাম হোৱা নাই। সেই কাৰণেই মই এই প্ৰশ্নটো কৰিছো। দৰং জিলাত ডি আৰ ডি এৰ অধীনত যিখিনি কাম হৈছে তাৰ এটা উভেলুৱেচন কৰিব লাগে বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী, পঞ্চায়ত) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কাম যি ধৰণে হোৱা নাই বুলি কৈছে ঠিক তেনে নহয়। কাম হৈছে।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে আৰ এল ই জি পিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইকুৱেলি টকা দিয়ে। এন আৰ ই পিত ছিপাঝাৰ সমষ্টিত ব্লক ওৱাইজ সমানে কিয় টকা দিয়া হোৱা নাই?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন)অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মতে আৰ এল ই জি পিৰ টকা উন্নয়ন খণ্ডবোৰত সমানে দিয়া হয়। কিন্তু এন আৰ ই পিৰ টকাটো জনসংখ্যাৰ ওপৰত নিৰ্ভৰ কৰিহে দিয়া হয়, সেয়ে কম বেছি হয়।

শ্ৰীচলভিউচ কন্দপান ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে চিনিয়ৰ বি ডি অ'সকল প্ৰশাসনিকভাৱে চিভিল এচ ডি অ'ৰ অধীনত থাকে। কিন্তু মই জানিবলৈ পাইছো যে মহকুমাধিপতিজন ডি আৰ ডি এৰ আঁচনিৰ ক্ষেত্ৰত মাত্ৰ এজন সদস্যহে। গ্ৰামোন্নয়ন বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰা আৰু তদাৰক কৰা মানে কিমান কাম হৈছে বা নাইহোৱা তাক চোৱাৰ প্ৰশাসনিক ক্ষমতা নাই।

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী, পঞ্চায়ত) ঃ তেখেতৰ পৰ্যালোচনা কৰা ক্ষমতা নাই। চিনিয়ৰ বি ডি অ'সকল বেলেগ পৰ্যায়ৰ বিষয়া। কিন্তু এচ ডি অ'ৰ প্ৰশাসনিক ক্ষমতা আছে।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, আৰ এল ই জিপিৰ টকাতো কেন্দ্ৰীয় চৰকাৰৰ পৰা অহাকাৰণে সমানে ভাগ হয় আৰু এন আৰ ই পিৰ টকাতো ৰাজ্যিক চৰকাৰে বিতৰণ কৰে কাৰণে

জনসংখ্যাৰ ভিত্তিত দিয়ে বুলি কৈছে। গতিকে মন্ত্ৰী মহোদয়ে এন আৰ ই পিৰ টকাও সমভাৱে বিতৰণ কৰাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (গ্ৰামোন্নয়ন মন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, এন আৰ ই পিৰ টকাতো সাধাৰণতে জনসংখ্যাৰ ভিত্তিত বিতৰণ কৰা হয় তথাপি মুখ্য সচেতক ডাঙৰীয়াই কৈছে যেতিয়া বিষয়টো পৰীক্ষা কৰি চাম।

শ্ৰীগৌতম ৰয় ঃ অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনৰ আৰ এল ই জিপি হেডত মাত্ৰ স্কুল বিল্ডিঙৰ কাৰণেহে টকা দিলে ৰাষ্টাৰ কাৰণে কোনো টকা নিদিলে, গতিকে ৰাষ্টাৰ কাৰণে টকা দিয়াৰ ব্যৱস্থা ল'ব নে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ আৰ এল ই জি পিৰ মঞ্জুৰী টকা আমি এতিয়ালৈকে পোৱা নাই।

শ্ৰীগৌতম ৰয় ঃ কিন্তু টকা আহিছে মন্ত্ৰী মহোদয়ে নাজানে নেকি?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ মই জনাত সেইটো এফ দি আৰৰ টকা। যিটো কথা মই বা সচিবে নাজানো সেইটো কেনেকৈ সদস্যক জনাম।

শ্ৰীগৌতম ৰয় ঃ টকাতোৰ হেডটো চেঞ্জ কৰি বেলেগলৈ য়িা কথা সঁচা নেকি?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ আমি কেন্দ্ৰীয় চৰকাৰক বেছিটকা লাগে বুলিয়ে দাবী কৰি আহিছো। টকা বেছিকৈ পালেতো ভালেই পাম।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী ঃ কিছুমান উন্নয়নখণ্ডৰ এলেকাত ৪/৫ খন গাঁওপঞ্চায়ত আছে আৰু কিছুমান উন্নয়ন খণ্ড এলেকাত ৯/১০ খান গাঁও পঞ্চায়ত পৰ্যন্ত আছে, গতিকে মুখ্য সচেতক ডাঙৰীয়াই ক'লে বুলিয়ে মন্ত্ৰী মহোদয়ে সমবিতৰণ কৰিব পৰা বিবেচনা কেনেকৈ কৰিব মন্ত্ৰী মহোদয়ৰপৰা স্পষ্টিকৰণ বিচাৰিছো।

শ্ৰীজয়নাথ শৰ্মা ঃ কেন্দ্ৰীয় চৰকাৰে যদি আৰ-এল-ই-জিপিৰ ক্ষেত্ৰত তেনে কৰিব পাৰে আমাৰ ৰাজ্য চৰকাৰে কথাটো পৰীক্ষা কৰাত কি ভুল হ'ব পাৰে?

(কেইবাজনো মাননীয় সদস্যই ক'বলৈ উঠে, সদনত হাহাকাৰ পৰিবেশ, অধ্যক্ষই কাকো ক'বলৈ নিদিয়ে, বেলেগ এটা প্ৰশ্নলৈ যায়)।

Mr. Speaker :Now starred Question No. 208.

**বিষয় ঃ ঢকুৱাখানাত মূগা সঁচ উন্নয়ন প্ৰকল্প।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

* ২০৮। মাননীয় ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ঢকুৱাখানা মূগা সঁচ উন্নয়ন প্ৰকল্পত উন্নত সঁচ উৎপাদন যে নহয় এই কথা চৰকাৰে জানেনে?

(খ) যদি জানে, উন্নত সঁচ উৎপাদন কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীনগেন শৰ্মা (ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ঢকুৱাখানা মুগা সঁচ উন্নয়ন প্ৰকল্পত উন্নত সঁচ উৎপাদন নহয়- এই কথা সত্য নহয়।

(খ) প্ৰশ্ন নুঠে।

Mr. Speaker : Now Starred Question No. 209.

**Re :** Social Forestry Schemes.

Shri A. F. Golam Osmani asked :

* 209 Will the Minister, Rural Development be pleased to state :

(a) The Number of Social Forestry Schemer taken up under RLEGP & NREP Programmes in 1987-88 in Ruposi Block of Barpeta district respectively?

(b) The amount earmarked for these schemes as a whole and scheme wise?

(c) Is it a fact that supervisory staff attached with the schemes are defferentiating in between the schemes in the matter of allocations?

Shri Chandra Arandhara (Minister, Rural Development) replied :

(a) Number of schemes taken up during the year 1987-88 in Ruposi Dev. Block as under.

(i) NREP — 12 Nos.

(ii) RLEGP — 11 Nos.

(b) Amount earmarked for 12 Nos. of NREP Social Forestry scheme is Rs. 1,11,000/-

The Schemeswise breakup is given under :

| | | | |
|---|---|---|---|
| 1. | No. 2 Ahompathar L. P. School | = Rs. | 9,000/- |
| 2. | Rampur L. P. School | = Rs. | 8,000/- |
| 3. | Dakshin Barnagar M. E. School | = Rs. | 7,000/- |
| 4. | Barnagar H. S. School | = Rs. | 12,000/- |
| 5. | Bagulamari M. E. School | = Rs. | 9,000/- |
| 6. | Nasatra M. E. Madrassa | = Rs. | 12,000/- |
| 7. | Rampur M. E. Madrassa | = Rs. | 12,000/- |

| | | | |
|---|---|---|---|
| 8. | Haldiah Gaon M. E. Madrassa | = Rs. | 8,000/- |
| 9. | G. K. M. E. Madrassa | = Rs. | 9,000/- |
| 10. | Digjani Medical Sub-Centre | = Rs. | 8,000/- |
| 11. | Lachenga M. E. Madrassa | = Rs. | 8,000/- |
| 12. | Bamuntari High Madrassa | = Rs. | 9,000/- |
| | **Total** | **= Rs.** | **1,11,000/-** |

Amount earmarked for 11 Nos. of RLEGP Social Forestry Scheme is Rs. 1,32,000/-

The Schemewise break-up is given under :—

| | | | |
|---|---|---|---|
| 1) | Paschim Barnagar Girls M. C. School | = Rs. | 12,000/- |
| 2. | Bijoypur M. E. School | = Rs. | 12,000/- |
| 3. | Paschim Barnagar High School | = Rs. | 12,000/- |
| 4. | Noontola Rampur High School | = Rs. | 12,000/- |
| 5. | Titapani State Dispensary | = Rs. | 12,000/- |
| 6. | Dekarbari M. E. School | = Rs. | 12,000/- |
| 7. | T. N. D. Girls High Madrassa. | = Rs. | 12,000/- |
| 8. | A. K. H. M. E. Madrassa. | = Rs. | 12,000/- |
| 9. | Sewrachora Pathar L. P. School. | = Rs. | 12,000/- |
| 10. | Raha M. E. School | = Rs. | 12,000/- |
| 11. | 1231 No. Puthimari L. P. School | = Rs. | 12,000/- |
| | **Total** | **= Rs.** | **1,32,000/-** |

(c) It is not a fact.

Shri A. F. Goolam Osmani — It is reported that in actual execution the supervisory staff are making differences in the amount ear-marked for the purpose. Will the Minister look into it whether it is a fact or not?

Shri Chandra Arandhara (Minister) —If it is reported so, I will look into it.

Mr. Speaker : Now Starred Question No. 210.

বিষয় ঃ ছিপাঝাৰৰ হাঁহ-কুকুৰাৰ ফাৰ্ম।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

* ২১০। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) ছিপাঝাৰত প্ৰস্তাৱিত হাঁহ-কুকুৰাৰ ফাৰ্মখনৰ বাবে ঃ—

(I) কিমান টকা মঞ্জুৰ হৈছে,

(II) কিমান টকা খৰছ হব আৰু

(III) কিমান কামৰ অগ্ৰগতি হৈছে?

(খ) উক্ত ফাৰ্মখনৰ কাম সম্পূৰ্ণ কেতিয়া হ'ব?

(গ) ছিপাঝাৰত প্ৰস্তাৱিত দুগ্ধ গাঁওৰ বাবে কি অগ্ৰগতি হৈছে আৰু এই আঁচনিৰ জৰিয়তে গৰু-মহ বিতৰণ কেতিয়া হ'ব?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

(ক) (I) ১৯৮৬-৮৭ চনৰ বাফেৰ মুঠ টকা ৭,৯৫,৪৭৫.০০ টকা মঞ্জুৰ হৈছিল আৰু কোষাগাৰৰ পৰা অনা হৈছে।

(II) ৫ (পাঁচ) বছৰৰ (১৯৮৬-৯০) ৰ বাবে প্ৰস্তাৱিত মুঠ ধন ৬৬,৮৯,৯৫১.০০ টকা (ইয়াৰ ভিতৰত গৃহ নিৰ্মাণ, কৰ্মচাৰীৰ বেতন, হাঁহ পোৱালীৰ দাম, হাঁহৰ খাদ্য, আচবাব আদিত ধৰা হৈছে)।

(III) গৃহ নিৰ্মাণ — মুঠ সৰু আৰু ডাঙৰ ১০ টা ঘৰৰ ভিতৰত ৪ টাৰ কাম ৬০ শতাংশ প্ৰত্যেকটাৰে হৈছে। বাকী কাম ঠিকাদাৰে এতিয়াও আৰম্ভ কৰা নাই।

(খ) ১৯৮৯-৯০ চনত সম্পূৰ্ণ কৰাৰ আঁচনি লোৱা হৈছে।

(গ) ছিপাঝাৰত প্ৰস্তাৱিত দুগ্ধ গাঁওৰ বাবে ৪১ জন হিতাধীকাৰিক বৰ্ণশঙ্কৰ গাই গৰু আৰু ১৭ জনক থলুৱা গাই গৰু বিতৰণৰ বাবে বাছনি কৰা হৈছে। সোনকালে গৰু বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, এই দুগ্ধ গাঁওখন মঞ্জুৰ কৰা হ'ল যোৱা বছৰতে কিন্তু যোৱা বছৰটোত না এটা গৰু দিলে, না কৃষকক প্ৰশিক্ষণ দিলে, না তাঁলে কোনোবা বিষয়া গ'ল না তাঁলে কোনোবা বেংকৰ মানুহ গ'ল। এই বছৰৰ আজি শেষ দিন অৰ্থাৎ বাজেটৰো শেষ দিন অন্ততঃ অন্য নকৰিলেও প্ৰশিক্ষন দিব পাৰিলে হয়, কি ব্যৱস্থা হ'ব মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীনগেন শৰ্মা (পশুপালন মন্ত্ৰী) ঃ অধক্ষ মহোদয়, হিতাধীকাৰীৰ লগত বেংকৰ যি চুক্তি পত্ৰ হ'ব

সেইটো সম্পূর্ণ হৈ নুঠা কাৰণে কাম আৰম্ভ কৰিব পৰা নাই। বেংকৰ লগত যোগযোগ কৰি থকা হৈছে। হিতাধীকাৰীৰ মাজত বৰ্ণশংকৰ গাইগৰু বিতৰণ কৰা কথা কিন্তু এই গৰু আনিব লাগিব হাৰিয়ানা আৰু গুজৰাটৰ পৰা কিন্তু তাত টুথ এণ্ড মাউথ দিজিজ হোৱা কাৰণে গৰু অনা বন্ধ কৰা হৈছে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে ঠিকেই কৈছে যে তাত টুথ এণ্ড মাউথ দিজজ হোৱাৰ কাৰণে গাইবিলাক অনা নাই। কিন্তু দুধনৈত যিখন দুগ্ধ গাঁও আছে তাত ৫০ জনক বৰ্ণশংকৰ গাই আৰু ৪ জনক জাৰ্চি গাই বিতৰণ কৰিছে, তাত কি হৈছে চৰকাৰে খবৰ কৰিছে নে? যিমান গাখীৰ ওলাব বুলি কৈছিল এতিয়া মাত্ৰ ২/৩ লিটাৰ ওলায় আৰু কিছু গৰু মৰিছে, সেই জনজাতি লোকসকলৰ খবৰ লৈছেনে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ এইটো এটা বেলেগ প্ৰশ্ন।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মোৰ প্ৰশ্নটো আছিল মই নিজে কেইবাবাৰো ডায়েৰী ডাইৰেক্টৰৰ ওচৰলৈ গৈছিলো আৰু কৈছিলো যে কামটো সোনকালে কৰক, ফাৰমাৰ সকলক সোনকালে ট্ৰেইনিং আদি দিয়াৰ ব্যৱস্থা কৰক, কিন্তু এতিয়ালৈকে একো নকৰিলে? কৰিব নোৱাৰিলে কিয়? ইয়াৰ কাৰণে স্পেচিয়েল হেডত টকা ধাৰ্য্য কৰা আছে তথাপিতো দিব পৰা নাই কিয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীনগনে শৰ্মা (পশুপালন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাটোৰ বেংকৰ লগত যোগসূত্ৰ আছে। আমাৰ বেংকৰ লগত এটা চুক্তি আছে। হিতাধিকাৰীসকলৰ ট্ৰেইনিঙৰ কাৰণে টকা পইচাৰ প্ৰয়োজন হ'ব। এতিয়া আমি হিতাধিকাৰীসকলক টাক দিলে বেংকৰ লগত কৰা চুক্তি বিফলে যাব।

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখনৰ কথাটো ভালদৰে চাব লাগিব। বৰ্তমানে ফাৰমাৰসকলক ৪ জনীকৈ গাই দিব খোজা হৈছে। ইয়াৰ ফলত ফাৰমাৰসকল ২৫ হেজাৰকৈ টকাৰ ঋণগত হ'ব। কিন্তু যি গাইগৰু দিছে সেইবোৰৰ গাখীৰ বেছি ৰাইজে ঋণ মাৰিবও নোৱাৰিব আৰু একো কৰিব নোৱাৰিব, মাজতে এনেয়ে বিপদহে হ'ব। অসমত গৰু নাপায় বুলি যিটো কথা কোৱা হৈছে সেইটো আমি বিশ্বাস কৰিব নোৱাৰো। কিবা বিশেষ কাৰণতহে হাৰিয়ানাৰ পৰা গৰু কিনাৰ ষড়যন্ত্ৰ চলিছে যেন লাগিছে, এই বিষয়ত মন্ত্ৰী মহোদয়ে আমাক জনাবনে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে ৰাইজ ঋণগ্ৰস্তহে হ'ব সেইটো সত্য নহয়। দুজনীকৈ গাই দুখন জনজাতীয় গাঁওৰ হিতাধীকাৰী সকলক দিয়া হৈছে আৰু তেওঁলোকে প্ৰায় ৭০ ভাগ ঋণ পূৰণ কৰিছে। তাৰে এখন গাঁও হ'ল ক্ষেত্ৰী। আপোনালোকে প্ৰয়োজন হ'লে গৈ চাই আহিব পাৰে।

শ্ৰীচৰণ নাৰ্জাৰী ঃ How the hon'ble Minister says, it is not true, without making an enquiry into it.

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় মই ঋণগ্ৰস্ত হোৱা কথাটোহে সত্য নহয় বুলি কৈছো। ইতিমধ্যে আমি এই বিষয়ত গোটেইখিনি চোৱাচিতা কৰিছো আৰু উদাহৰণস্বৰূপে আমি দুখন জনজাতীয় গাঁৱৰ নাম দাঙি ধৰিছো।

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, দুধনৈত যিখন দুগ্ধ বাওঁ কৰিছিল তালৈ গৈ মন্ত্ৰী মহোদয়ে চাই আহিব পাৰে একোজনী গাইয়ে কিমান গাখীৰ দিছে। তাত যি দুজনীকৈ গাই দিছে সেইবিলাক জাৰ্চি বুলি কৈছে কিন্তু সেইবিলাক আচলতে জাৰ্চি নহয় হাৰিয়ানাৰ ক্ৰচহে। একোজনী গাইৰ গাখীৰ ওলায় মাত্ৰ ৬ লিটাৰমানকৈহে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো তেখেতে যাতে অন্ততঃ এই জনজাতীয় ৰাইজৰ দুৰ্গতি এবাৰ গৈ চাই আহে।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখন এখন আচলতে ভাল আঁচনি আছিল। নিবনুৱাসকলৰ আত্মসংস্থাপনৰ কাৰণে সুন্দৰ আঁচনি আছিল কিন্তু কেইজনমান বিষয়াৰ হেমাহি বা দোষৰ কাৰণে অলপ খেলিমেলি হৈছে যেন পাওঁ। অসমত গৰু পোৱা যায় নে নাযায় বা আছে নে নাই সেইটো তেওঁলোকে কিয় চাব পৰা নাই? ৰাইজৰ প্ৰতিনিধি হিচাপে ডাইৰেক্টৰৰ ওচৰলৈ দুই তিনিবাৰ যোৱাৰ পিচতো কিয় কাম আগবাঢ়িব পৰা নাই। সেই কাৰণেই মই মন্ত্ৰী মহোদয়ক মেনেজমেণ্টৰ দিশটো অলপ চাবলৈ অনুৰোধ কৰিলো। যদি নহয় তেন্তে এই আঁচনিখনো কোনোবা বিষয়াৰ দোষতে দুধনৈৰ আঁচনিৰ নিচিনা হ'বগৈ। যিসকল এই কামৰ চাৰ্জত আছে সেই সকলক মন্ত্ৰী মহোদয়ে এটা নিৰ্দেশ দিবনে যাতে দুধনৈৰ আঁচনিখনৰ দোষবোৰ বাচি উলিয়াই পৰীক্ষা কৰি সেই দোষবোৰ আকৌ যাতে ছিপাঝাৰত নহয় তাৰ বাবে ব্যৱস্থা ল'বলৈ।

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, দুধনৈৰ আঁচনি সম্পৰ্কত যিখিনি কথা কোৱা হ'ল সেইখিনিৰ ওপৰত অনুসন্ধান কৰি ব্যৱস্থা ল'বলৈ মই কম।

Mr. Speaker : Now Starred Question No. 217.

**বিষয়** ঃ শ্ৰমিকক ঘেঁহু যোগান।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে ঃ

* ২১১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) এন আৰ ই পি/ আৰ এল ই জি পি আদি আঁচনিৰ অধিনত কাম কৰা শ্ৰমিকক নগদ টকাৰ উপৰিও হাজিৰাৰ বাবদ শতকৰা কিমান ভাগ ঘেঁহু যোগান দিয়া হয়?

(খ) বহু সময়ত বহু ঠাইৰ শ্ৰমিকে ঘেঁহু নোপোৱা অভিযোগৰ বিষয়ে চৰকাৰে জানেনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায় আৰু গ্ৰামোন্নয়ন বিভাৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

(ক) এন আৰ ই পি / আৰ এল ই জি পি আঁচনিৰ অধীনত কাম কৰা শ্ৰমিকক নগদ টকাৰ উপৰিও গাইপতি ২.৫ কেঃ হিচাবে খাদ্য-শস্য অৰ্থাৎ চাউল আৰু ঘেঁহু সমান অনুপাতত দিয়াৰ ব্যৱস্থা আছে।

(খ) বিতৰণৰ বাবে আৱশ্যকীয় ঘেঁহু ভাৰতীয় খাদ্য নিগমে সৰবৰাহ কৰে। সময়ে সময়ে খাদ্য শস্য যোগান দিয়াত খাদ্য নিগম অসমৰ্থ হ'লে শ্ৰমিকক ঘেঁহু আৰু চাউল বিতৰণৰ ক্ষেত্ৰত বাধা পৰে। এই সম্পৰ্কে খাদ্য নিগম আৰু ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰা হয়।

শ্ৰীপদ্ম নাথ কৈৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই প্ৰশ্নটোৰ ইয়াত অলপ প্ৰিন্টিং মিচটেক হৈছে যেন লাগিছে। ইয়াত বহু ঠাইত বহু ক্ষেত্ৰত বহু শ্ৰমিকে ঘেঁহু নোপোৱা বুলি লিখিছে এইটো প্ৰিন্টিং মিচ্‌টেক্‌ হৈছে। আচলতে 'ঘেঁহু নোলোৱা' হ'ব লাগিছিল। আমাৰ অসমৰ বহু শ্ৰমিকে ঘেঁহু ল'ব নোখোজে বা নলয়, তেতিয়া সেইবোৰ বিক্ৰী কৰা বুলি বিষয়াসকলৰো বদনাম হয়। গতিকে ইয়াৰ পৰিৱৰ্তে কিবা বেলেগ ব্যৱস্থা কৰিব নোৱাৰিনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত ও গ্ৰামোন্নয়ন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো যোৱা বছৰেই কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। আমাৰ অসমৰ খিলঞ্জীয়া গাঁওবাসী ৰাইজে ঘেঁহু ব্যৱহাৰ নকৰে তাৰপৰিৱৰ্তে চাউল দিবলৈ অনুৰোধ কৰা হৈছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে কোনো সদুত্তৰ পোৱা নাই।

শ্ৰীৰামেন্দ্ৰ দে ঃ অধ্যক্ষ মহোদয়, এন আৰু ই পি এবং আর এল ই জি স্কীমে যে চাউল বরাদ্দ করা হয় তা যথাযথভাবে বিতরণ করা হয় না। এ বিষয়ে মন্ত্রী মহোদয় তদন্ত করে দেখবেন কি? আমি একটা স্পেসিফিক ঘটনা মন্ত্রী মহোদয়ের অবগতির জন্য উল্লেখ করছি ঃ—করিমগঞ্জ জেলার রাম কৃষ্ণ মগর খণ্ড উন্নয়নের জন্য এন আর ই পি এবং আর এল ই জি পি'র যে চাউল বরাদ্দ করা হয়েছিল তা শ্রমিকদের মধ্যে বিতরণ না করে গত ফেব্রয়ারী মাসে প্রায় ৪০ কুইন্টাল চাউল বাজারে বিক্রি করা হয়েছে আর বাকী চাউল মাটিতে গেড় ফেলা হয়েছে। এই অভিযোগ আমি নির্দিষ্ট ভাবে উত্থাপন করছি। মন্ত্রী মহোদয় এর একটা তদন্ত করবেন কি?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা ক'বলগীয়া হৈছে বহুক্ষেত্ৰত দেখা যায় যে মাননীয় সদস্যসকলে যেতিয়া ঘটনাতো হয় তেতিয়া চৰকাৰৰ দৃষ্টি আকৰ্ষণ নকৰি সদনত প্ৰশ্ন কৰিবলৈ ৰৈ থাকে। সেইকাৰণেই আমাৰ উন্নয়নত বাধাপ্ৰাপ্ত হয়। সেয়ে মই ভাবো সমষ্টিবিলাকৰ নিজা বিধায়কসকলে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়। যিবিলাকত বিধায়কসকলে ভালধৰণে ইণ্টাৰেষ্ট লৈছে সেইবিলাক ঠাইত ভাল কাম হৈছে। আমাৰ সদস্য জনে যদি এই অভিযোগটো সেই সময়তেই আনিলেহেঁতেন আমি

ততাতৈয়াকৈ অনুসন্ধান কৰি ব্যৱস্থা ল'ব পাৰিলোহেঁতেন। এতিয়া সময় বহু দেৰী হৈ গৈছে।

Shri Ramendra De : Is is a fact that the D. C Karimganj made an enquiry on this?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, জিলাৰ উপায়ুক্তই ইতিমধ্যে ৰিপৰ্ট দিছে। সেই ৰিপৰ্টত তেখেতে ঘটনাটোৰ যি অভিযোগ অনা হৈছিল সেইটোৰ কোনো যুক্তিযুক্ততা নাই বুলি জনাইছে।

শ্ৰীআব্দুল মোক্তদিৰ চৌধুৰী ঃ মাননীয় ধ্যক্ষ মহোদয়, এই এন আৰ ই পি আঁচনিত একো কাম হোৱা নাই। তাৰ কামৰ কাৰণে যোৱা ১৬ মাৰ্চত এপ্ৰভেল দিছে, গতিকে কিমান হৈছে ভাবক। যি পাঁচটা ব্লকত একো কাম হোৱা নাই সেই কিটাৰ এটা অনুসন্ধান কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সদস্যগৰাকীয়ে যোৱাকালি মোক লগ কৰোতে মই এইটো কৰা হ'ব বুলি কথা দিছোৱেই, গতিকে আজি প্ৰশ্ন আকাৰে সদনত নোসোধাহ'লেই ভাল পালোহেঁতেন।

## UNDISPOSED STARRED QUESTIONS

(To Which oral answer were not called for want of time. However, written answer deemed to have been laid on the Table as follows)

**বিষয় ঃ** F. D. R. Plan ৰ মঞ্জুৰী।

শ্ৰীৰত্নেশ্বৰ সৰকাৰেসুধিছে—

* ২১২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত বইটামাৰী আৰু সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ ১৯৮৭-৮৮ চনত F. D. R. Plan ত কিমান টকা মঞ্জুৰী দিয়া হৈছিল।

(খ) উক্ত টকা কোন কোন ৰাস্তাত আৰু কি কি কামত খৰচ কৰা হৈছে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭-৮৮ চনত F. D. R. Plan ত গ্ৰামোন্নয়ন বিভাগত কোনো মঞ্জুৰী দিয়া হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

**Re :** Allotment of Fisheries.

Dr. Ardhendu Kr. Dey asked :

* 213. Will the Minister, Fisheries be pleased to state :

(a) The norms for alloting the fisheries?

(b) Whether any restriction is implied on the lessee not to catch the seed fishes?

Shri Nagen Sarmah (Minister of Fisheries) replied :

(a) Not more than 60% of the fisheries are settled with Fishery Co-operative Societies formed with 100% members of actual fishermen belonging to S. C. or Maimal community of Cachar District. Remaining fisheries are settled by Deputy Commissioners/Sub-Divisional Officers by inviting tenders as per fishery rules.

(b) As per fishery rules fishing with nets with meshes less than 7 cm. bar 14 cm. and also catching of fish of certain categories carrying eggs and sperm is prohibited as per fishery rules from 1st of May to 15th July.

**বিষয় ঃ** মীন প্ৰশিক্ষণ কেন্দ্ৰ।

কুমাৰ দীপক দাসে সুধিছে—

* ২১৪। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত নতুনকৈ মীন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ আঁচনি চৰকাৰৰ হাতত আছে নেকি?

(খ) যদি আছে, এনে প্ৰশিক্ষন কেন্দ্ৰ বৰপেটাত স্থাপন কৰা হ'ব নেকি?

(গ) মীন বিভাগৰ শিক্ষামূলক কেন্দ্ৰ স্থাপনৰ কিবা নতুন আঁচনি আছে নেকি?

শ্ৰীনগেন শৰ্মা (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সম্প্ৰতি নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) ১৯৮৮-৮৯ চনত বাৰ্ষিক পৰিকল্পনাত ধৰা হোৱা নাই।

**Re :** Frozen Semen Plants.

Shri Santi Ranjan Dasgupta asked :

* 215. Will be Minister, Veterinary be pleased to state —

(a) How many Frozen Semen Plants are functioning now in Assam?

(b) Where such plants are situated with their capacity and area to cover?

(c) Whether existing Frozen Semen Plants are enough to meet the requirement of Assam?

Shri Nagen Sarmah (Minister of Veterinary) replied—

(a) 7 Nos. L. N. Plant fungtining is Assam.

(b) Guwahati- 3 Nos. L. N. Plant 6 Lt. capacity per Houre

Howly — 1Nos. L. N. Plant 6 Lt. capacity per Houre

Kokrajhar — 1Nos. L. N. Plant 6 Lt. capacity per Houre

Jorhat — 1 Nos. L. N. Plant 6 Lt. capacity per Houre

Silchar — 1 Nos. L. N. Plant 6 Lt. capacity per Houre

These L. N. Plant covers respective I. C. D. P. areas.

(c) Not enough.

**Re. :** Leprosy Hospital.

Shri Monilal Gowala asked :

* 216. Will the Minister, Health & F. W. please to state :

(a) Whether the Government knows that there is one leprosy hospital under the title "Makunda Christian Medical Leorosy Hospital" under Patharkandi Assembly Constituency?

(b) If so, Whether it is a fact that there is no Doctor for a long time?

(c) Whether there is any proposal with the Govt. to taken over the said Hospitals?

Shri Chandra Mohan Patowari (Minister, Health & F. W.) replied—

(a) Yes.

(b) This is a private institution which is run privately by them.

(c) No.

**বিষয় ঃ** শেনচোৱা পুখুৰীত নতুন উন্নয়ন খণ্ড প্ৰতিষ্ঠা।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে—

* ২১৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ অন্তৰ্গত শেনচোৱা পুখুৰীত এটি নতুন উন্নয়ন খণ্ডৰ প্ৰতিষ্ঠাৰ প্ৰস্তুতি চলাটো সত্য নে?

(খ) যদি সত্য, প্ৰস্তুতিৰ কাম কিমান আগবাঢ়িছে?

(গ) চলিত বিত্তীয় বছৰৰ পৰা উন্নয়ন খণ্ডৰ কাৰ্যালয় গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰা হ'বনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে —

(ক) আৰু (খ) এই সম্পৰ্কে সিদ্ধান্ত লোৱা হোৱা নাই।

(গ) এতিয়া প্ৰশ্ন নুঠে।

**বিষয় ঃ** সামাজিক বনানিকৰণৰ কাৰণে গছপুলি।

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে—

* ২১৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সামাজিক বনানিকৰণৰ বাবে সাধাৰণতে বিভাগটোৱে কি কি গছ-পুলি ক্ৰয় কৰে, ৰাজ্যখনত বছৰেকত কিমান গছ-পুলি ক্ৰয় কৰা হয়, কাৰ পৰা ক্ৰয় কৰা হয়, আৰু প্ৰতিটো গছ পুলিৰ গড়ে ক্ৰয় মূল্য কিমান?

(খ) প্ৰতি বছৰে যিমান গছপুলি ৰোপণ কৰা হয়, তাৰে কিমান বাচে আৰু কিমান মৰে তাৰ হিচাপ লোৱা হয়নে আৰুযদি হয় মুঠ ৰোপণ কৰা গছ পুলিৰ কিমান শতাংশ বাচে?

(গ) মৰা গছ পুলিবোৰৰ ঠাইত গছ পুলি পুনৰ ৰোপণ কৰা হয়নে?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

(ক) ১। সামাজিক বনানিকৰণৰ আঁচনিৰ অধীনত মাটি ও জলবায়ুৰ গুণাগুণৰ প্ৰতি লক্ষ ৰাখি স্থানীয় ফল-মূল ঘৰচীয়া জন্তুৰ খাদ্য উপযোগী আৰু গৃহ নিৰ্মাণ তথা কৃষি সঁজুলি নিৰ্মানৰ বাবে লাগতিয়াল এই সকলো বিধৰ গছপুলি ৰোৱা আৰু সেই হিচাপে ক্ৰয় কৰা হয়।

২। প্ৰতি বছৰে বনাণিকৰণ প্ৰকল্পবোৰৰ মাটি কালিৰ হিচাপত (হেক্টৰে প্ৰতি ৮০০ কৈ গছৰ পুলি) পুলি ক্ৰয় কৰা হয়।

৩। এই আঁচনিৰ বাবে প্ৰয়োজনীয় গছ পুলি বনবিভাগ ও স্থানীয় লোকৰ দ্বাৰা প্ৰস্তুত কৰা পুলি বাগানৰ পৰা ক্ৰয় কৰা হয়।

৪। প্ৰতিটো গছ পুলিৰ ক্ৰয় মূল্য গড়ে ৫০ হিচাপে স্থিৰ কৰা হৈছে।

(খ) হয়, হিচাপ লোৱা হয়। দেখা গৈছে প্ৰাকৃতিক দুৰ্যোগ যেনে— বানপানী ও উদণ্ডীয়া ঘৰু-ছাগলীয়ে ধ্বংস নকৰিলে শতকৰা ৬০% ৰ পৰা ৮০% পুলি বাচি থাকে।

(গ) মৰা গছ পুলিবোৰৰ ঠাইত নতুনকৈ গছ ৰোপণ কৰাৰ বাবে কোনো ব্যৱস্থা নাই।

বিষয় ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ কৰ্মচাৰী।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈয়ে সুধিছে—

*২১৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰী নীতি অনুসৰি প্ৰতিখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কিমান জনকৈ ডাক্তৰ, নাৰ্চ আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ নিযুক্তি দিয়া হয়।

(খ) নাহৰকটীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ইতিমধ্যে ডাক্তৰ নাৰ্চ আৰু কৰ্মচাৰীৰ অনুমোদন চৰকাৰে জনালে নেকি?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত চৰকাৰে নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে অনুমোদন কৰা পদবোৰৰ নিম্নৰূপ ঃ

১। ডাক্তৰ — ২ জন।

২। ফাৰ্মাচিষ্ট — ১ জন।

৩। নাৰ্চ — ১ জন।

৪। এ এন এম — ১ জন।

৫। হেল্‌থ এডুকেটৰ — ১ জন।

৬। হেল্‌থ এসিষ্টেন্ট — ২ জন। (পুৰুষ আৰু মহিলা)

৭। উচ্চ বৰ্গৰ সহায়ক — ১ জন।

৮। নিম্ন বৰ্গৰ সহায়ত — ১ জন।

৯। লেবৰেটাৰি টেকনিসিয়ান — ১ জন।

১০। ড্ৰাইভাৰ — ১ জন।

১১। চতুৰ্থ বৰ্গ — ৪ জন।

কিন্তু পুঁজিৰ অভাৱত গোটেইবোৰ পদ একে সময়তে মঞ্জুৰী দিয়া নাযায়। সাধাৰণতে প্ৰথম পৰ্যায়ত তলত দিয়া পদবোৰহে নিযুক্তি দিয়া হয়।

১। ডাক্তৰ — ১ জন।

২। ফাৰ্মাচিষ্ট — ১ জন।

৩। নাৰ্চ — ১ জন।

৪। এ এন এম — ১ জন।

৫। হেল্‌থ এডুকেটৰ — ১ জন।

৬। নিম্ন বৰ্গৰ সহায়ক — ১ জন।

৭। লেবৰেটৰী এসিষ্টেন্ট — ১ জন।

৮। চতুৰ্থ বৰ্গ — ৩ জন।

(খ) জনোৱা নাই। বৰ্তমান তাত এখন ৰাজ্যিক ভেষজালয় চলি আছে। উক্ত ভেষজালয়খন ৩০ খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰিবলৈ প্ৰশাসনীয় অনুমোদন জনোৱা হৈছে।

**Re :** Veterinary Dispensaries.

Shri Sheikh Abdul Hamid asked :

* 220. Will the Minister, A. H. & Veterinary be pleased to state :

(a) Whether the Government will consider for establishing Veterinary Dispensaries at the following places in No. 45 Baghbor Constituency :

i) Kadmtale;

ii) Baghmarachar;

iii) Alopati Mazerchar Bazar;

iv) Dharmapur?

(b) If so, whether the same are going to be established during of 1988-89 Financial year?

Shri Nagen Sarmah (Minister of Veterinary) replied :

(a) No. such proposal during the current year for establishment of Veterinary Dispensary, F. A. C. etc. at the places mentioned.

(b) However, if the concerned Sub-Divisional Planning and Dev. Council consider for establishing of Veterinary Dispensary and First Aid Centre during 1988-89 in these places the Deptt. will initiate necessary action.

## SHORT NOTICE QUESTIONS AND ANSWERS

Mr. Speaker : Now Item No. 2, Short Notice Questions Hon'ble Shri Debaswar Bora.

বিষয় ঃ উদ্যোগ আৰু প্ৰতিষ্ঠানৰ দ্বাৰা বায়ু আৰু পানী প্ৰদূষণ।

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে—

২। মাননীয় বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্তমান অসমত কোন কোন উদ্যোগ আৰু প্ৰতিষ্ঠানৰ পৰা বায়ু আৰু পানী প্ৰদূষণ হৈছে?

(খ) অসম চৰকাৰে পানী আৰু বায়ু প্ৰদূষণ আৰু দূষিতকৰণ নিয়ন্ত্ৰণৰ বাবে কি ব্যৱস্থা হাতত লৈছে?

(গ) পানী আৰু বায়ু দূষিতকৰণ নিয়ন্ত্ৰণ বোৰ্ডে ইয়াৰ বাবে কি ব্যৱস্থা বৰ্তমান গ্ৰহণ কৰিছে?

শ্ৰীবৃন্দাবন গোস্বামী (বিজ্ঞান আৰু প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

(ক) বৰ্তমান অসমত ৰাজহুৱাখণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানসমূহ যেনে তেল আৰু প্ৰকৃতিক গেছ আয়োগ আৰু অইল ইণ্ডিয়া লিমিটেডৰ খনন আৰু উৎপাদন গোটসমূহ, কল ইণ্ডিয়া লিমিটেডৰ মুক্ত খনন কাৰ্যৰ দ্বাৰা, ডিগবৈ তেল শোধনাগাৰৰ পৰা, নামৰূপ সাৰ কাৰখানাৰ পৰা, নগাওঁলেণ্ড কাগজ কলৰ পৰা, হিন্দুস্তান কাগজ নিগমৰ জাগীৰ'ড কাগজ কলৰ পৰা, বোকাজান চিমেণ্ট কাৰখানাৰ পৰা, উত্তৰ-পূব সীমান্ত ৰেলৰ মালিগাঁওত থকা ময়লা পানী পৰিশোধন গোটৰ পৰা ও ইঞ্জিন মেৰামতি কৰাৰ বিভিন্ন স্থানত থকা কাৰখানাৰ পৰা, দেৰগাঁও চেনিকল, চন্দ্ৰপুৰ কেমিকেল ইউনিট আদিৰ পৰা প্ৰদূষণ হোৱাৰ প্ৰমাণ পোৱা গৈছে।

(খ) অসম চৰকাৰে পানী আৰু বায়ু প্ৰদূষণ আৰু দূষিতকৰণ বোধ কৰিবৰ কাৰণে ১৯৭৫ চনত অসম পানী প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদ গঠন কৰে। এই পৰিষদে ১৯৭৪ চনৰ পানী প্ৰদূষণ নিবাৰণ নিয়ন্ত্ৰণ আইনৰ অধীনত কাম-কাজ কৰে। পিচত ১৯৮১ চনত বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ আইনহোৱাৰ পিচত এই আইনৰ অধীনত বায়ু প্ৰদুষণ নিবাৰণ আৰু নিয়ন্ত্ৰণৰ কাম কৰিবৰ বাবে এই পৰিষদকেই দিয়া হয়।

(গ) পানী আৰু বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদে প্ৰদূষণ কৰা উদ্যোগসমূহক ময়লা পানী পৰিশোধন কৰাৰ বাবে উপযুক্ত পৰিশোধন গোট স্থাপন কৰিবলৈ আৰু বায়ু প্ৰদূষণ ৰোধ কৰা যন্ত্ৰপাতী বহুৱাবলৈ নিৰ্দেশ দিয়ে আৰু উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা ময়লা পানীৰ নমুনা সংগ্ৰহ কৰি আৰু নদ-নদীৰ পানীৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাগাৰত পৰীক্ষা কৰি প্ৰদূষণৰ মাত্ৰাৰ বুজ লয় আৰু প্ৰদূষণকাৰীসকলক প্ৰদূষণ ৰোধৰ বাবে যাৱতীয় ব্যৱস্থা অনতিপলমে ল'বৰ বাবে সকলো সময়তে নিৰ্দেশ আৰু হেঁচা দি থাকে।

শ্ৰীদেৱেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। বায়ু প্ৰদূষণ কৰা সম্পৰ্কত মন্ত্ৰী মহোদয়ে ব্যৱস্থাৱলীৰ কথা কৈছে কিন্তু মই এটা নিৰ্দিষ্টভাৱে প্ৰশ্ন কৰিব খুজিছো দেৰগাঁও

চেনি কলে যি প্ৰদূষণ কৰিছে সেই সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ হৈছে নে নাই আৰু কি ব্যৱস্থা গ্ৰহণ কৰিছে।

শ্ৰীবৃন্দাবন গোস্বামী (বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা, মন্ত্ৰী) ঃ মই ইতিমধ্যে ব্যৱস্থাৱলীৰ বিষয়ে কৈ গৈছো। যি বিলাক উদ্যোগে প্ৰদূষণ কৰিছে তেওঁলোকৰ প্ৰতি চোকা নজৰ দিবলৈ নিৰ্দেশ দিয়া আছে। দেবগাঁও আমাৰ লক্ষ্যত আছে তথাপি অনুসন্ধান কৰি চোৱা হ'ব।

শ্ৰীদেৱেশ্বৰ বৰা ঃ গোটেই তথ্যখিনি চৰকাৰক দিছে নেকি মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা, মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই এতিয়াই জনাব নোৱাৰিম পিচত জনাব পাৰিম।

শ্ৰীজয়নাথ শৰ্মা ঃ বায়ু আৰু পানী প্ৰদূষণ যিবিলাক উদ্যোগে কৰিছে তাৰ ভিতৰত গুৱাহাটীতো বহুত আছে। বিশেষকৈ বনস্পতি উদ্যোগৰ কাষেৰে যাব নোৱাৰি। তাৰ কাৰণে বৃহত্তৰ গুৱাহাটীত কিবা ব্যৱস্থা চৰকাৰে লৈছে নে?

জনসাধাৰণে প্ৰকৃততে বিষয়টো উপলব্ধি কৰিব নোৱাৰি সংৰক্ষিত বনাঞ্চল দুখীয়া ভূমিহীন লোকৰ সংস্থাপনৰ কাৰণে ৰখা হৈছে বুলি ভাবি বসবাস কৰিবলৈ লোৱাৰ ফলত অতি সোনকালে অসম ৰাজ্য মৰুভূমিত পৰিণত হ'ব পাৰে। সেয়েহে এই ধাৰণাৰ পৰিণাম অতি ভয়াৱহ। উক্ত ধাৰণাৰ পৰিবৰ্তনৰ আৱশ্যকতা অনুভৱ কৰা হৈছে। প্ৰাকৃতিক ভাৰসাম্য লক্ষণৰ কাৰণে বনাঞ্চলৰ সংৰক্ষণ আৰু পুনৰ উদ্ধাৰৰ আৱশ্যক। এই উদ্দেশ্য সাধনত ৰাইজৰ সহায় সহযোগ আৰু সমৰ্থনৰ আৱশ্যক হ'ব।

২। বনানীকৰণৰ কাৰণে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন উভয়ৰে বৃহৎ পৰিসৰৰ বিত্তীয় বিনিয়োজনৰ আৱশ্যক হ'ব। যাৰ কাৰণে ৰাজ্য চৰকাৰৰ সম্বল যিহেতু পৰ্যাপ্ত নহয় সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ সাহায্য অপৰিহাৰ্য।

এনেবোৰ সীমাববদ্ধ অৱস্থা স্বত্বেও বৰ্তমানলৈকে অৱহেলিত হৈ থকা এই বিষয়টোত যথাৰ্থৰূপ গুৰুত্ব আৰোপ কৰি আগবাঢ়ি যাবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ আৰু এই কাৰ্য সাধনত জনসাধাৰণৰ সমৰ্থন আৰু সহযোগ পোৱাৰ আশা কৰি অসম বননীতি প্ৰণয়ন কৰা হৈছে।

## বৰ্তমান অৱস্থা ঃ

৩। অসমৰ সংৰক্ষিত বনাঞ্চলৰ ৩ শতাংশতকৈয়ো অধিক ঠাইত 'বনগাঁও' আছে আৰু শতকৰা দহ ভাগেই বেদখলৰ গৰাহত। সেই কাৰণে এতিয়া ন্যুনতম আৱশ্যকীয় বনাঞ্চলো অসমত নাই।

যোৱা কেইবছৰমান মুল্যবান গছসমূহ অবৈধভাৱে কটাৰ কাৰণে আৰু বাধাহীনভাৱে চোৰাং ব্যৱসায় চলি থকাৰ বাবে ৰাজ্যৰ ৰাজহৰ ক্ষতিসাধনৰ লগতে জীৱ জগতৰ ভাৰসাম্যৰ ক্ষেত্ৰটো ই প্ৰতিক্ৰিয়া কৰিছে। চৰকাৰৰ দ্বাৰা চলোৱা প্ৰচেষ্টা কিছু সফল হ'লেও এনে কাৰ্য সম্পূৰ্ণৰূপে বন্ধ কৰিব পৰা নাই।

৪। বন্যপ্ৰাণী নিধন বিশেষকৈ গড় নিধন সকলোৰে অতি উদ্বেগৰ বিষয় হৈ পৰিছে। চোৰাংচিকাৰী বিলাক এতিয়া উন্নতমানৰ অস্ত্ৰ-শস্ত্ৰ, যানবাহন আদিৰে সুসজ্জিত। তেওঁলোকে সহজে বা ইচ্ছামতে যি কোনো ঠাইলৈ অহাযোৱা কৰিব পাৰে আৰু সেয়েহে অভিজ্ঞতা সম্পন্ন। চোৰাং চিকাৰ বন্ধ কৰিবৰ কাৰণে চৰকাৰে লোৱা কাৰ্যব্যৱস্থাই কিছু সুফল দিছে যদিও এতিয়াও বহুতো কৰিবলৈ বাকী।

৫। পূৰ্বে অবৈধভাৱে গছ-গছনি কাটিবলৈ দিয়াৰ ফলত খৰি খেৰ আৰু ঘাঁহ

আদিৰ তীব্ৰ নাটনিয়ে দেখা দিছে। কাঠৰ অভাৱত আনকি বৰ্তমান চলি থকা কাঠফলা কলসমূহো প্ৰায় অচল হৈ পৰাত সমস্যা আৰু জটিল হৈ পৰিছে। লগতে আৱশ্যকতা, কেঁচামাল যোগান, লাভজনক বজাৰ আৰু স্থানীয় নিয়োগ শক্তিৰ বিষয়ে বিবেচনা নকৰাকৈ প্লাইউড কাৰখানা আৰু কাঠফলা কল পতাৰ কাৰণে আগতে অনুমতি দিয়া হৈছিল। তদুপৰি এই কাৰখানাবিলাক স্থাপন কৰাৰ সময়ত উত্তৰ পূৰ্বাঞ্চলত সৰু সৰু ৰাজ্য সৃষ্টিৰ ফলত উদ্ভৱ হোৱা প্ৰশাসনীয় গাঁথনিৰ বিষয়েও দূৰদৃষ্টিৰ অভাৱ পৰিলক্ষিত হৈছিল। এই কল কাৰখানা বিলাক কাঠফুলাৰ দৰে যধেমধে পতা কাৰণে কাঠৰ চাহিদা বেছি হ'ল আৰু ফলত উদ্ভিদ আৰু প্ৰাণী জগতৰ ভাৰসাম্য আৰু সংহত উৰ্ব্বৰা শক্তি ক্ষতিগ্ৰস্ত হ'ল। পূৰ্বে অতি সামান্য মূলতে কাঠ সংগ্ৰহ কৰিবৰ কাৰণে অনুজ্ঞাপত্ৰ দিয়া হৈছিল আৰু ক্ষেত্ৰ বিশেষে নিৰ্দিষ্ট সংখ্যাতকৈ অধিক গছ কাটিলেও তেনে কাৰ্যক আওঁকাণ কৰা হৈছিল। শিল-বালি আদি বনজ সম্পদ অতি সুলভ মূল্যত ঠিকাদাৰসকলক নিবলৈ দি পূৰ্বতে ৰাজকোষৰ ক্ষতিসাধন কৰা হৈছিল।

৬। একে মাটিতে ন্যুনতম সময়ৰ ব্যৱধানত পুৰণিকলীয়া ঝুম প্ৰণালীৰে পাহাৰত খেতি কৰা কাৰণেও মাটিৰ উৎপাদিকা শক্তি হ্ৰাস পাইছে।

এই খেতিৰ বাবে অধিক অঞ্চলৰ পৰা গছ-গছনি নোহোৱাৰ কাৰণে ভূমি আৰু প্ৰাণী সংৰক্ষন সমস্যাৰ উদ্ভৱ হৈছে বাৰে বাৰে বানপানী আৰু খৰাং বতৰ সৃষ্টিৰ কাৰণ হৈ পৰিছে আৰু লগতে ৰাজ্যখনৰ কৃষিভূমিৰ উৎপাদিকা শক্তিৰ ওপৰত ইয়াৰ প্ৰতিক্ৰিয়া হৈছে।

৭। কেতবোৰ উদ্যোগৰ কাৰণে কেইবিধমান উৎকৃষ্ট সুকাঠি গছ আগ-পাছ নুগুনি বেছিকৈ সংগ্ৰহ কৰাৰ ফলত বনাঞ্চল নিম্নমানৰ হৈ পৰিছে। ঘাঁহৰ নাটনিয়ে উদণ্ডীয়া গৰু ম'হৰ সংখ্যা বৃদ্ধি কৰিছে। একেৰাহে চলা জাগতিক হস্তক্ষেপ আৰু অবিশ্ৰান্তভাৱে গৰু-ম'হ চৰোৱাৰ বাবে বনাঞ্চলৰ বৃহৎ খণ্ড টকলা (নগ্ন) আৰু অসাৰুৱা হৈপৰিছে।

৮। কোনো কোনো এলেকাত তদাৰ্থ ভিত্তিত ৰেহাই মঞ্জুৰ আৰু আনহাতে অন্য এলেকাত পাবলগীয়া ব্যক্তিসকলক সেই ৰেহাইৰ পৰা বঞ্চিত কৰা হৈছিল। আগতে সাধাৰণ উপভোক্তাসকলৰ চাহিদা পূৰণ কৰিবলৈ খৰি-খেৰ সৰু-সুৰা গছ আদি নিয়মিয়াকৈ সৰবৰাহ কৰা নাছিল।

৯। অতীতৰ বন অপৰাধসমূহ নামমাত্ৰ দণ্ডৰে আপোছ কৰা হৈছিল আৰু বনজাত দ্ৰব্য বজাৰ দৰৰ কোনো বিবেচনা নকৰাকৈ আহৰণ কৰিবলৈ অনুমতি দিয়া হৈছিল। গুৰুতৰ বন অপৰাধৰ বাবে আইন আৰু নিয়মাৱলীৰ প্ৰয়োজনীয় সংশোধন কৰি গুৰু শাস্তি বিহাৰ কাৰণে কোনো ব্যৱস্থা লোৱা হোৱা নাছিল।

**বননীতি ১৯৮৮ ঃ**

১০। সংৰক্ষিত বনাঞ্চলসমূহ বেদখল মুক্ত কৰা চৰকাৰৰ প্ৰচেষ্টা অব্যাহত থাকিব। এই উদ্দেশ্যে বনাঞ্চলত আইন সংগতভাৱে বসবাস কৰা লোকসকলক আবণ্টনৰ প্ৰমাণ পত্ৰ দিবৰ বাবেপুনৰ সংগঠিত কৰাতো প্ৰয়োজন হ'ব পাৰে। এই আবণ্টনৰ প্ৰমাণ পত্ৰসমূহ ৰাজহ পট্টাৰ লেখীয়া হ'ব আৰু এই আবণ্টন প্ৰমাণ পত্ৰগৰাকীৰ হস্তান্তৰ কৰাৰ বাহিৰে আন সকলো অধিকাৰ থাকিব। এই প্ৰমাণ পত্ৰৰ ফলত গৰাকীয়ে বেংকৰ পৰা ঋণ আৰু আন বিত্তীয় সাহায্য পোৱাত সুবিধা দিয়া হ'ব যাৰদ্বাৰা তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ডও উন্নত হ'ব। নতুনকৈ কোনো বেদখল যাতে হ'ব নোৱাৰে তাৰ বাবে নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব আৰু বে-আইনিভাৱে গছ-গছনি কটা বন্ধ কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১১। বনানীকৰণৰ এক ব্যাপক কাৰ্যসূচী চলাই যোৱা হ'ব আৰু বৰ্তমানৰ বন সম্পদৰ কোনো হানি বিঘিনি নঘটোৱাকৈ উৎকৃষ্ট আৰু থলুৱা জাতৰ গছ-গছনি ৰুই উৎপাদিকা শক্তি বৃদ্ধি কৰা হ'ব আৰু লগতে পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষা কৰি গছ-গছনিৰ সংখ্যাগত আৰু গুণগত উন্নতিসাধন কৰা হ'ব।

১২। পাৰ্বত্য অঞ্চলসমূহত বনানীকৰণৰ সকলো ক্ষেত্ৰতে জিলা পৰিষদসমূহক কাৰ্যকৰীভাৱে অংশগ্ৰহণ কৰিবলৈ উদ্গনি দিয়া হ'ব, কিয়নো ঝুম প্ৰথা পৰ্যায়ক্ৰমে বিলুপ্তি ঘটোৱাৰ আৱশ্যক।

১৩। বৈজ্ঞানীক ভিত্তিত বৃক্ষৰোপণৰকাম পৰিচালনা কৰিবৰ কাৰণে বিজ্ঞানসম্মতভাৱে কৰ্ম পৰিকল্পনাৰ ব্যৱস্থাসমূহ ব্যাপকভাৱে আৰু অধিক কঠোৰতা সহকাৰে মানি চলা হ'ব।

১৪। মানৱ জাতিৰ অস্তিত্বকে মুখ্য কৰি তেওঁলোকৰ ভৱিষ্যত জীৱন যাত্ৰা আৰু অগ্ৰগতি যাৰ ওপৰত নিৰ্ভৰ কৰে সেই জীৱ আৰ জড় পদাৰ্থৰ দ্বাৰা সংঘটিত প্ৰাকৃতিক ভাৰসাম্যৰ সংৰক্ষণ আৰু পুনৰ গঠন উন্নীত কৰিবলৈ গুৰুত্ব সহকাৰে সাহায্য প্ৰদান কৰা হ'ব। এখন গাঁও বা চুবুৰীৰ মানুহ যাতে খৰিখেৰ, ঘাঁহ, ইকৰা, বাঁহ, ভেষজ আৰু অন্যান্য আৱশ্যকীয় সামগ্ৰী নিজৰ প্ৰয়োজন মতে আহৰণ কৰিব পাৰে তাৰ বাবে ৰাজহুৱা মাটি, সিচঁৰতি হৈ থকা গড়াবাদী ভূমি, অনুষ্ঠান প্ৰাঙ্গণ আদিতো বনানিকৰণ কাৰ্যকৰী কৰি তুলিবলৈ চেষ্টা কৰা হ'ব। এনে ৰাজহুৱা অৰণ্য সৰুসুৰা উদ্যোগ নাইবা গাঁৱৰ লাগতিয়াল কেঁচামালৰ উৎস স্বৰূপ হ'ব আৰু এখন গাঁৱৰ অৰ্থনৈতিক উন্নয়নত ই সহায় কৰিব।

১৫। স্থানীয় উপভোক্তাৰ প্ৰয়োজনলৈ লক্ষ্য ৰাখি ৰাজ্যখনলৈ আৰু ৰাজ্যখনৰ পৰা বনজাত উদ্ভিদ আৰু জীৱ-জন্তুৰ আমদানি-ৰপ্তানি নিয়ন্ত্ৰণ কৰা হ'ব।

১৬। বনৰীয়া জীৱ-জন্তুৰ গুৰুত্ব থকা অধিক অঞ্চল অভয়াৰণ্য হিচাপে ঘোষণা কৰা হ'ব। বৰ্তমান থকা কিছুমান অভয়াৰণ্যক উপযুক্ত পৰীক্ষাৰ পাচত গুৰুত্ব অনুসৰি ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰা হ'ব। পৰ্বতৰ দাঁতি কাষৰীয়া আৰু ৰাষ্ট্ৰীয় ঘাই পথৰ আশে পাশে উদ্যান, হোটেল, ফুলৰ বাগিছা, বনৰীয়া পৰিবেশ আৰু প্ৰাকৃতিক সৌন্দৰ্য সংৰক্ষণৰ অতিৰিক্ত অৱসৰ বিনোদন আদিৰ সুব্যৱস্থা কৰা হ'ব।

১৭। সকলো চোৰাংচিকাৰ আৰু অন্যান্য অবৈধ কাৰ্যকলাপ সম্পূৰ্ণৰূপে বন্ধ কৰা হ'ব আৰু তাৰ বাবে বিশেষকৈ বন সুৰক্ষা বাহিনীৰ শক্তি আৱশ্যক অনুযায়ী পৰ্যায়ক্ৰমে বৃদ্ধি কৰা হ'ব যাতে আৰক্ষী বাহিনীৰ ওপৰত পৰা বোজা যথা সম্ভৱ হ্ৰাস হয়। চোৰাং চিকাৰীৰ বিৰুদ্ধে আৰু অন্য সকলো অবৈধ বনজ কাম-কাজৰ বিৰুদ্ধে যুঁজিব পৰাকৈ জল আৰু স্থল উভয়তে বেতাৰ যন্ত্ৰ, পৰিবহণ সুবিধাসমূহৰ প্ৰয়োগ, যথেষ্ট সংৰক্ষণ চকী আৰু প্ৰশিক্ষণ প্ৰাপ্ত মানৱ শক্তি সংস্থাপনৰ ব্যৱস্থা লোৱা হ'ব।

১৮। সৰ্বসাধাৰণ ৰাইজে খৰি-খেৰ, ঘাঁহ, ইকৰা বাঁহ, পশুৰ খাদ্য আৰু ঔষধি গছ আদিৰ ক্ষেত্ৰত যাতে আত্মনিৰ্ভৰশীল হ'ব পাৰে তাৰ বাবে ৰাজহুৱা মাটি, অ'ত ত'ত পৰি থকা চৰকাৰী মাটি আৰু অনুষ্ঠান প্ৰাঙ্গণ আদিতো বনানিকৰণৰ ব্যৱস্থা লোৱা হ'ব, যাতে গ্ৰাম্য উদ্যোগৰ বাবে আৱশ্যকীয় কেঁচা সামগ্ৰীৰ প্ৰাপ্যতা সহজ হৈ গ্ৰাম্য অৰ্থনীতিৰ উন্নতি সাধন হয়।

১৯। জীয়াই থকাৰ কাৰণে আৰু আমাৰ বংশধৰসকলৰ কাৰণে যে বনাঞ্চল আৱশ্যক এই কথাৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তুলিবলৈ প্ৰচাৰ মাধ্যম আৰু জনসম্পৰ্ক ৰক্ষা দুয়ো বিষয়ত যথেষ্ট ব্যৱস্থা লোৱা হ'ব।

২০। প্লাইউড কল আৰু কাঠ ফলা কলসমূহৰ পৰা সকলো ৰেহাই শীঘ্ৰে প্ৰত্যাহাৰ কৰা হ'ব। ঠিকাদাৰ আৰু চৰকাৰী কাম কৰা বিভাগ সমূহলৈ দিয়া অন্যান্য ৰেহাইসমূহ চৰকাৰে উপযুক্তভাৱে পুনৰ বিচাৰ কৰিব।

২১। কাঠ আৰু বনজ সম্পদৰ চোৰাং আৰু অবৈধ ব্যৱসায়ত কাৰ্যকৰীভাৱে বাধা প্ৰদান কৰা হ'ব।

২২। নতুন অনুজ্ঞা পত্ৰ আৰু উদ্যোগসমূহৰ কাৰণে দিয়া লিজ উপযুক্তৰূপে নিয়ন্ত্ৰিত কৰা হ'ব যাতে স্থানীয় বিশেষকৈ জনজাতি লোকসকল বিশেষভাৱেৱ উপকৃত হয়।

২৩। বৰ্তমান কোকৰাঝাৰ জিলাৰ সংৰক্ষিত বনাঞ্চলৰ ওচৰত বসবাস কৰা নজাতীয় লোকসকলক কিছু ৰেহাই দিয়াৰ ব্যৱস্থা আছে, যিহেতু অন্যান্য জিলাসমূহতো তেনে জনজাতীয় লোকসকল বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল আৰু বনাঞ্চলৰ ওচৰত বসবাস

কৰে; সেইবাবে সংৰক্ষিত বনাঞ্চলৰ ওচৰত বাস কৰা সকলো জনজাতিৰ প্ৰতি এনে সুবিধা সমভাৱে আগবঢ়াবৰ কাৰণে পৰীক্ষা নিৰিক্ষাৰ পিচত আঁচনি গ্ৰহণ কৰা হ'ব।

২৪। সমবায় সমিতি গঠনত উদ্‌গনি যোগোৱা হ'ব আৰু বনাঞ্চলৰ ঠিকা, সাহায্যমূলক বন বিজ্ঞান সম্পৰ্কীয় কাৰ্য, যন্ত্ৰচালিত বাঢ়েৰ কাৰ্য, আৰু তাঁতশাল, শ্ৰমিক বাহিনী আৰু ক্ৰয়-বিক্ৰয় আদিৰ ক্ষেত্ৰত অধিক সুবিধা প্ৰদান কৰা হ'ব।

২৫। চৰকাৰী কাঠফলা কলৰ কাৰ্যক্ষমতা আৰু সংখ্যা পৰ্যায়ক্ৰমে বৃদ্ধি কৰি সকলো চৰকাৰী চাহিদা তেনে মিলৰ পৰাই পৰিপূৰ্ণ কৰিবলৈ চেষ্টা চলোৱা হ'ব।

২৬। বনাঞ্চলৰ সৈতে উদ্যোগৰ সংযোগত এক অংশ ৰূপে বৰ্তমান থকা কাঠৰ গোটসমূহৰ স্থিতিৰ সফলতা উৎপাদিত সামগ্ৰী আৰু উৎপাদনত আৱশ্যকীয়া কেঁচা মালৰ মূল্য নিৰ্দ্ধাৰণৰ নীতি, নিয়োগ ব্যৱস্থা, নিয়োগ ক্ষমতা আৰু এনে উদ্যোগৰ মুখ্য কাৰ্যস্থান আদিৰ বিষয়ে মূল্যায়ন কৰা হ'ব আৰু আৱশ্যকীয়া সংশোধনী ব্যৱস্থা লোৱা হ'ব।

২৭। এই নতুন বননীতিৰ অন্যতম প্ৰধান উদ্দেশ্য হ'ব নিবনুৱা সমস্যাৰ উপশম ঘটোৱাত সহায় কৰা।

২৮। বন প্ৰশাসন উন্নত কৰিবলৈ সকলো কাৰ্যকৰী ব্যৱস্থা লোৱা হ'ব আৰু সেই উদ্দেশ্য পৰিচালনাৰ বাবে আধুনিক আহিলা সমূহ পাৰ্যমানে ব্যৱহাৰ কৰা হ'ব।

২৯। আন্তঃৰাজ্যিক সীমা ৰেখাত অৱস্থিত সংৰক্ষিত বনাঞ্চলসমূহ বলিষ্ঠভাৱে সংৰক্ষণ কৰা হ'ব আৰু এনে কৰোতে বৰ্তমান অৱস্থিত আন্তঃৰাজ্যিক চুক্তি মানি চলা হ'ব।

৩০। বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত বন বিষয়ক শিক্ষা প্ৰকৃততে নাই বুলিলেই হয়। বন বিষয়ক আৰু বনৰীয়া জীৱ-জন্তুৰ প্ৰয়োজনীয় সাহিত্য আৰু গ্ৰন্থ স্কুল-কলেজসমূহৰ ব্যৱহাৰৰ কাৰণে প্ৰণয়ন কৰা হ'ব। বনানীকৰণৰ বিষয়ে গৱেষণাৰ পৰিসৰ আৰু বিষয়বস্তু বিকাশৰ উদ্দেশ্য আৰু বনানীকৰণত যি কোনো পৰীক্ষামূলক নতুন কৌশল প্ৰয়োগ কৰিবৰ বাবে ৰাজ্যখনৰ বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানসমূহৰ ওচৰ চপা হ'ব আৰু বিত্তীয় সাহায্য আগবঢ়োৱা হ'ব।

৩১। বন অপৰাধীসকলক গুৰুতৰ শাস্তি বিহিব পৰাগৈ প্ৰচলিত আইন কানুন সমূহৰ নতুন ৰূপ দিয়া হ'ব।

## GENERAL DISCUSSION ON THE BUDGET

Mr. Speaker : Now General Discussion on the Budget. Hon'ble Member Kumar Dipak Das.

কুমাৰ দীপক দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৫ মাৰ্চ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী তথা

বিত্তমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্ত দেৱে উত্থাপন কৰা বাজেট সমৰ্থন কৰি মই দুষাৰ বক্তব্য ৰাখিব বিচাৰিছো। এই সম্বন্ধে মই ক'ব বিচাৰিছো যে যি নীতি আৰু উদ্দেশ্য লৈ অসম গণ পৰিষদ দল বিধান সভাৰ মজিয়ালৈ আহিছিল আৰু যি নীতি আৰু উদ্দেশ্য লৈ শাসনৰ বাঘজৰী আমাৰ দলে লৈছিল সেই নীতি আৰু উদ্দেশ্যৰ লগত সঙ্গতি ৰাখি সুন্দৰভাৱে বাজেট উত্থাপন কৰাৰ কাৰণে মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। অনগ্ৰসৰ অসমৰ অৰ্থনৈতিক অৱস্থাৰ লগত খাপ খোৱাই, এই অৱস্থাৰ উন্নতি কামনা কৰি এই বাজেট উত্থাপন কৰা হৈছে আৰু মই ভাবো এইখন বাজেটৰ দ্বাৰা অসমৰ খাতি খোৱা দুখীয়া জনসাধাৰণ উপকৃত হ'ব পাৰিব। এই কৰ বিহীন বাজেটখন উত্থাপন কৰাত আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে বিভিন্ন সমালোচনা আৰু বিভিন্ন বক্তব্য ৰাখিছে। এগৰাকী মাননীয় সদস্যই কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা যথেষ্টখিনি সহায় আৰু সাহায্য ৰাজ্য চৰকাৰলৈ আগবঢ়াইছে, কিন্তু ৰাজ্য চৰকাৰে যথা বিহিতভাৱে কাম কৰিব পৰা নাই আৰু যথেষ্ট সাহায্য কৰাৰ পিচতো উন্নয়নৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, বিগত ৪০ বছৰৰ কেন্দ্ৰীয় চৰকাৰৰ শোষণ নীতিৰ আজিও চলাই ৰখাৰ ফলত অসমৰ এনে এটা দুখ লগা অৱস্থা হৈছে। সকলোৱে জানে বস্তুৰ মূল্য বৃদ্ধিৰ ফলত অসমৰ মানুহ জুৰুলা হৈছে। মূল্য বৃদ্ধিৰ কাৰণে দোষী কোন? যোৱা দুবছৰৰ ভিতৰত বস্তুৰ মূল্য হ্ৰাস কৰিব পৰা নাই। মুদ্ৰাস্ফীতি ৰোধ কৰিব পৰা নাই বুলিও অভিযোগ উত্থাপন কৰিছে। উৎপাদন বৃদ্ধিৰ কাৰণে খৰচ কৰা হৈছিল, কিন্তু উৎপাদন নোহোৱাৰ কাৰণে বস্তুৰ মূল্য বৃদ্ধি হৈছে। আজি কেন্দ্ৰীয় চৰকাৰে বস্তুৰ মূল্য ৰোধ কৰিব পাৰিছেনে? মুদ্ৰাস্ফীতি ৰোধ কৰিব পাৰিছেনে?

(Mr. Speaker vacated the chair and Mr. Dy. Speaker occupied it)

মাননীয় উপাধ্যক্ষ মহোদয়, বিগত ৪০ বছৰত এনে পৰিকল্পনা নল'লে কাৰণেই আজি এনে পৰিস্থিতিৰ সন্মুখীন হৈছে। মই জানো আজি গণ পৰিষদ চৰকাৰে বিভিন্ন আঁচনিৰ যোগেদি এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি সকলোকে উপকৃত কৰিব বিচাৰিছে। আমি আশা ৰাখিছো এই ক্ষেত্ৰত আমি সফল হ'ব পাৰিম। উপাধ্যক্ষ মহোদয় আজি আপুনি জানে ২০ কোটিৰো অধিক টকা ধাৰ আছে। এনে এটা পৰিবেশত আজি জনসাধাৰণ থাকিবলগীয়া হৈছে বস্তুৰ মূল্য কমাই দিয়াটো সুকীয়া কথা হৈ পৰিছে। কিন্তু আমি জনসাধাৰণৰ আশা পূৰণ কৰিব লাগিব। কিন্তু আজি কেন্দ্ৰীয় চৰকাৰৰ যি নীতি বা যি ব্যৱস্থাৰে চলি আছে সেই ব্যৱস্থা যদি সলনি কৰিব নোৱাৰো তেনেহ'লে জনসাধাৰণৰ কল্যাণৰ কাৰণে যি বিলাক আঁচনি আছে সেই বিলাক কোনো দিনেই পূৰণ কৰিব নোৱাৰিম। সেই কাৰণে আজি জনসাধাৰণৰ মনোভাৱ আগত ৰাখি জনসাধাৰণৰ উন্নতিৰ কাৰণে প্ৰচেষ্টা হাতত ল'ব লগাবি। আৰু লগতে এই ক্ষেত্ৰত বিৰোধী পক্ষৰ সদস্যসকলেও সহায়

সহযোগিতা আগবঢ়াব লাগিব। কৃষি উৎপাদন বঢ়াবৰ কাৰণে যি বাজেট উত্থাপন কৰিছে সেই বাজেটত কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন ধৰণৰ আঁচনি লৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। এই ক্ষেত্ৰত মই ক'ব খুজিছো যে যদি কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত সহযোগিতা কৰাত অবহেলা কৰে তেন্তে এই ৰাজ্যৰ জনসাধাৰণৰ কেতিয়াও উপকৃত হ'ব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে যথেষ্ট সহায় সহযোগিতা আগবঢ়োৱা বুলি বিৰোধী পক্ষৰ সদস্যসকলে কৈছে। কিন্তু মই ক'ব খুজিছো যে, কেন্দ্ৰীয় চৰকাৰৰ এইবাৰৰ যিখন ৰেলৱে চেণ্ট্ৰেল বাজেট দাখিল কৰিছে তাত অসমৰ ৰেলৰ ক্ষেত্ৰত কোনো ধৰণৰ উল্লেখ নাই। আজি অসমত ৰেলৰ ক্ষেত্ৰত ৰাইজে কি সুবিধা পাইছে? গুৱাহাটীৰ পৰা বোম্বে বা মাদ্ৰাজলৈ এখন ৰেল চলাচলৰ সুবিধা হ'লেই অসমৰ ৰাইজৰ ৰেলৰ যাতায়তৰ সুবিধা নহয়। অসমৰ ৰাইজৰ সুবিধা হ'লেও ডিব্ৰুগড়ৰৰ পৰা, লক্ষীমপুৰৰ পৰা, কাজিৰঙা এক্সপ্ৰেছ নামৰ যিখন ৰেল গুৱাহাটীলৈ আহে সেইখন আহি পাওতে ২০ ঘণ্টা লাগে। অসমৰ ৰাইজ এই দৰেই দুৰ্দশাগ্ৰস্ত হৈছে। অসৰ জনসাধাৰণে আজি দুখলগা পৰিবেশত বসবাস কৰিবলগীয়া হৈছে। সেই কাৰণেই ক'ব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা অবিহনে এই ৰাজ্যৰ জনসাধাৰণ কেতিয়াও সফল কাম হ'ব নোৱাৰে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সম্পূৰ্ণ শুদ্ধ কথা। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সহযোগিতা আগবঢ়াব লাগে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে যে, ঘাটি বাজেট উত্থাপন কৰিছে। কিন্তু কেনেকৈ পূৰণ কৰিব উল্লেখ কৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ সুবিধা আছে কিন্তু ৰাজ্য চৰকাৰৰ সুবিধা নাই। আমাৰ চৰকাৰৰ যিখিনি আঁচনি হাতত লৈছে তাত কেন্দ্ৰীয় চৰকাৰে সহযোগিতা কৰিব লাগিব। তাৰ উপৰি আমাৰ যিখিনি আয় হয়, বিভিন্ন বিভাগ বিলাকত যিবিলাক খৰছ হয় সেই খৰছ বিলাক কমাব লাগিব। অনাদায়ী কৰ বিলাক আদায় কৰিব লাগিব। চেলটেক্স আদি বিভাগ বিলাকৰ যিবিলাক টেক্স সেইবিলাক আদায় কৰিবলৈ যথা বিহিত ব্যৱস্থা হাতত ল'ব লাগিব। আমাৰ যিবিলাক উৎপাদন ক্ষম আঁচনি হাতত লোৱা হৈছে সেই বিলাক যদি সফলকাম হয় তেতিয়াহ'লে নিশ্চয় আমাৰ চৰকাৰৰ ঘাটি বাজেট পূৰণ কৰাত সফল হ'ব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষ মনোনিবেশ কৰিব বুলি মই আশা ৰাখিছো। ইয়াৰ পাচত নিবনুৱা সমস্যাৰ কথা ক'ব খুজিছো যে, আমাৰ যিমান বিলাক নিবনুৱা আছে সেইসকলক যদি আমি সমস্যা সমাধান কৰিব নোৱাৰো তেতিয়াহ'লে আমাৰ পয়ালগা অসম পয়ালাগিয়েই থাকিব। মোৰ বিশ্বাস এই সমস্যা সমাধান কৰিবলৈ আমাৰ চৰকাৰ সক্ষম হ'ব। আমাৰ চৰকাৰৰ যিবিলাক শিল্প আঁচনি আছে সেই বিলাক যদি কাৰ্য্যকৰি কৰা হয় তেনেহ'লে তাৰ যোগেদি এই নিবনুৱা সমস্যাৰ যথেষ্ট ধৰণে সমাধান হ'ব। তাৰ কাৰণে যথেষ্ট কষ্ট কৰিব লাগিব আৰু লগতে ৰাজ্যিক উদ্যোগ বিভাগ আগবাঢ়ি আহিব লাগিব। আজি বাজেটতত যি টকা ধাৰ্য্য কৰা হৈছে তাৰ দ্বাৰা যাতে

ৰাইজ উপকৃত হয় তাৰ মই কামনা কৰিলো। এইখিনিতে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* Shri Charan Narzary : Sir, for the First time in my life in the Assembly, I am speaking in Assamese because we do not have any bias against any language.

মাননীয় উপাধ্যক্ষ মহোদয়, ২৫ মার্চ তাৰিখে মুখ্যমন্ত্রী ডাঙৰীয়াই ১৯৮৮ চনৰ বাবে বাজেট উত্থাপন কৰিছে। সেইদিনা মই নাছিলো। মই আন্দোলনত আছিলো। উদয়াচলৰ দাবীৰ বাবে আন্দোলনত। ১৯৮৮ চনৰ বাবে মুখ্যমন্ত্রী ডাঙৰীয়াই উত্থাপন কৰা বাজেট ঘাটি বাজেট নে চাৰপ্লাচ বাজেট নে কি সেই টো মোৰ উদ্বেগৰ কাৰণ নহয়। প্রশাসন চলাবলৈ, উন্নয়নমূলক কাম কৰিবলৈ চৰকাৰক টকা লাগে। বিধান সভাই চৰকাৰক টকা দিব। যিখন বাজেট উত্থাপন কৰিছে সেই বাজেটৰ টকা বিধান সভাই নিশ্চয় দিব। মোৰ উদ্বেগৰ কাৰণটো হ'ল মঞ্জুৰীকৃত টকাৰ খৰছ। কেনেকৈ খৰছ কৰা হয় সেইটোহে মোৰ উদ্বেগৰ কথা। ৰাইজৰ যিটো অভিজ্ঞতা, সেই অভিজ্ঞতাটোহে দেখুৱাই আহিছো। স্বাধীনতা পোৱাৰ পাচত আজিলৈকে কোনো বছৰেই প্রশাসনৰ বাবে, জন হিতকৰ কাম-কাজৰ বাবে যিখিনি টকা ধার্য কৰি দিয়া হয় সেইবিলাক টকা ঠিক ঠিক ভাবে খৰছ কৰি অহা হোৱা নাই।

কংগ্রেছৰ কথাই নহয়, আমাৰ মাননীয় মুখ্যমন্ত্রী শ্রীপ্রফুল্ল কুমাৰ মহন্ত চৰকাৰৰ নেতৃত্বাধীন চৰকাৰ ইয়াৰ পৰা বাদ যাব নোৱাৰে। প্রচুৰ টকা অপচয় হৈ আছে। হয় এইবিলাক বিষয়ৰ ওপৰতেই চর্চ্চা চলি আছে। কোনেও অস্বীকাৰ কৰিব নোৱাৰে কি কেনেকৈ অপচয় হৈছে? বিশেষ বিৱৰণ দাঙি ধৰা সম্ভৱ নহয়, অসম্ভৱ কথা। কি কৰা হৈছে আমাৰ ৰাইজে অভিযোগ কৰি আছে। মই এজন জনজাতীয় মানুহ সামগ্রীকভাৱে গোটেই অসমৰ জনসাধাৰণৰ মংগলৰ কথা চিন্তা কৰাৰ লগতে বিশেষকৈ আমাৰ জনজাতীয় ৰাইজৰ কথা চিন্তা কৰিব লাগিব। মোৰ বিশেষভাৱে দায়িত্ব আছে জনজাতীয় ৰাইজৰ প্রতিনিধি হিচাপে। অহৰহ প্রতিদিনে অভিযোগ আছে। যোৱা কালিও আহিছে, বিভিন্ন অঞ্চলৰ পৰা। জনজাতীয় লোক হিচাপে কিছুমানে কৈছে আমি এতিয়া কি কৰিম? আমি নিশেষঃ, একো নহ'ল, এইটো নহ'ল, সেইটো নহ'ল ইত্যাদি। ক'তবাৰ চৰকাৰৰ ওচৰত ওজৰ আপত্তি কৰা হ'ল কিন্তু কাম একো নহ'ল। একো নহয়, কিয় নহয়? নোহোৱা কাৰণটো কি?

মাননীয় উপাধ্যক্ষ মহোদয়, এশ ভাগ কাম চৰকাৰৰ পৰা বিচৰা নাই। কিন্তু কিবা এটাটো কৰিব লাগিব। মুখেৰে নহয়, মুখেৰে বহুত কথা কোৱা হৈছে। বিধানসভাৰ মজিয়াত এইটো কৰিবলৈ লোৱা হৈছে সেইটো কৰিবলৈ লোৱা হৈছে কিন্তু কামৰ মাজত দেখুওৱা

* Speech not Corrected

হোৱা নাই। মানুহৰ মন জয় কৰিবলৈ হ'লে কথাৰে নহয় কামেৰে দেখুওৱাব লাগিব। ৰাইজ কিয় অসন্তোষ্ট নহ'ব। তেওঁলোকৰ বহুতো অভিযোগ আছে। প্ৰশাসনৰ কথা উদাহৰণস্বৰূপে গোৱালপাৰা জিলাৰ Police and other Govt. officials have been completely demoralised কিয় প্ৰশাসন বোলা বস্তু এটা তাত নাই নেকি? কোনো প্ৰশাসন নাই। it is up to the Govt. এনে হৈছে পুলিচ বিষয়াই হওক, প্ৰশাসনীয় বিষয়াই হওক সম্পূৰ্ণ নিশেষ হৈ গৈছে। এইটো কিয় হৈছে? (ভইচ- পৰামৰ্শ দিব লাগে) পৰামৰ্শ দিও, দিলে জানো কামত আহিব, আমাৰ পৰামৰ্শ জানো মানিব?

উপাধ্যক্ষ মহোদয়, যোৱা কালি এসোপা মানুহ আহিছে। শিক্ষা বিষয়ৰ কথা পাতিবলৈ আহিছে। জনজাতীয় অঞ্চল বিলাকত ক'ৰবাত ক'ৰবাত ২/১ খন কলেজ আছে। সেইবিলাক কলেজলৈ গ'লে সঁচানে মিছা ক'ব নোৱাৰো মুখ্যমন্ত্ৰীৰ পৰা বোলে কিবা এটি নিৰ্দেশ গৈছে। যিবিলাক জনজাতীয় অঞ্চলত অৱস্থিত মহাবিদ্যালয় আছে সেইবিলাকত অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰিব লাগে। সেইবিলাক শিক্ষানুষ্ঠানত ইংৰাজী মাধ্যম চলি আছে। কিন্তু অসমীয়া চলিব লাগে, কিন্তু জনজাতীয় ৰাইজে সেইটো বিচাৰি অহা নাই। ইংৰাজী মাধ্যম 'কনটিনিউ' কৰিবৰ কাৰণে আগৰে পৰা চলি আহিছে। সেইটো অসমীয়া ভাষা আইন প্ৰৱৰ্তন কৰা দিনৰে পৰা দাবী চলি আহিছে। এইবিলাক কিন্তু খুব স্পৰ্শকাতৰ বিষয়। প্ৰত্যেক কামৰে ক্ৰিয়া প্ৰতিক্ৰিয়া আছে। এইবিলাক কথা কিন্তু চিন্তা কৰিব লাগিব, কি হ'ব কি নহ'ব। আজি জনজাতীয় ৰাইজে যিমানখিনি সুবিধা পাব লাগে সিমানখিন সুবিধা পোৱা নাই। সেইবিলাকেই তেওঁলোকৰ অভিযোগ। তেওঁলোকক প্ৰতাৰণা কৰিছে, অবিচাৰ কৰিছে, অন্যায় কৰিছে।

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা কওঁ, জংঘলৰ কথা। মাৰাত্মক বেপাৰ। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, অসমৰ বন নীতিৰ বিষয়ে অলপ আগতে ভাষণ দি গৈছে। আমি সেইটো অস্বীকাৰ কৰিব নোৱাৰে, আমিওটো মানুহ They are very much dissatisfied, helpless definitely. কিন্তু কথাটো হৈছে বন সংৰক্ষণ কৰিব লাগে। মানুহৰ কাৰণে বন নহয়, বনৰ কাৰণে মানুহ। এই প্ৰশ্ন বিচাৰ কোনে কৰিব। বিভিন্ন বনাঞ্চলত হেজাৰ হেজাৰ ভূমিহীন খেতিয়ক বিশেষকৈ জনজাতীয় লোক সকল উপায় নেপাই জংঘলৰ ভিতৰত সোমায় আছে। বিদেশী নাগৰিক? থলুৱা মানুহ তেওঁলোক। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা তেওঁলোক তাত বসবাস কৰি আছে। তেওঁলোক থলুৱা প্ৰাচীন কালৰে তেওঁলোক থলুৱা। এই বিলাক মানুহৰ ভৱিষ্যত কি হ'ব। বনানিকৰণ আঁচনিৰ জৰিয়তে গোটেই অসমৰ উত্তৰাঞ্চলতে বনাঞ্চলত পৰিণত কৰিব লাগে। ঠিক আছে।। উপাধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাত হেজাৰ হেজাৰ মানুহ উত্তেজিত হৈ গৈছে কাৰণ হ'ল যে তেওঁলোক বে-দখলকাৰী। আইনৰ চকুত বে-দখলকাৰী। বনবিভাগৰ কৰ্তৃপক্ষই গৈ তেওঁলোক থকা ঘৰখিনি বাদ দি চাৰিওফালে ফেন্সিং দিছে। এই পৰিস্থিতিত

এতিয়া কি হ'ব? কি খাই থাকিব মানুহ? তেওঁলোক এতিয়া ঘৰৰ ভিতৰতে সোমাই থাকিব? ইয়াৰ প্ৰতিক্ৰিয়া নিশ্চয় আছে। তেওঁলোকক ঢাকি ৰাখিব নোৱাৰে।

We respect the chief Minister for his speech, It is a valuable speech no doubt. মাননীয় উপাধক্ষ মহোদয়, "বাহ-বেট ওৱাৰিং ফেন্সিং ' দি মানুহক ৰাখিব নোৱাৰিব আৰু ৰাইজৰ প্ৰতিনিধি হিচাপে আমিও তেওঁলোকৰ লগতে থিয় হ'ব লাগিব। আজি উপাধক্ষ মহোদয়, তেনেকুৱা এটা সমস্যা 'ইমিনেণ্ট' হৈ পৰিছে। এইটো কেৱল এদিনতে হোৱা ঘটনা নহয়। We must stand by the people, not by the Govt. officials and not by the Govt. expartments. সেইকাৰণে চৰকাৰে গ্ৰহণ কৰা বন নীতি বাস্তৱমুখী কৰি গঢ়ি তুলিব লাগিব। উপায় উদ্ভাৱন কৰিব লাগিব। সমস্যা বিলাক সমাধান কৰিব লাগিব। আৰু লগতে বন সংৰক্ষণো হ'ব লাগিব। This is a burning problem, all over the State whereever there is reserved forest. কিবা এটা 'ভাইয়া মেডিয়া' উদ্ভাৱন কৰিব লাগিব। জলা জুইত ঘিউ ঢালিব নেলাগে। জল াজুইত ঘিউ ঢালিলে নুনুমায়, ই দপ দপকৈ জ্বলিহে উঠে। গতিকে এই সমস্যাবিলাক সমস্যা কৰিবৰ সময় আজি উপস্থিত হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এইটো গণপৰিষদৰ নিয়ম হয়নে নহয় আমি ক'ব নোৱাৰো কিন্তু মানুহ কালি আহিছে তাৰ পৰা আমি গম পাইছো যে, শোণিতপুৰৰ বেলশিৰিত পি টি চিৰ এখন মিটিং হৈছিল বড়ো সাহিত্য সভালৈ মিছামাৰি থানাৰ দাৰোগাজন গৈ তাত সমবেত হোৱা জনজাতীয় মানুহবিলাকক নানান তিৰস্কাৰ কৰি 'তহঁতে এইবোৰ কি কৰিছ' বুলি আৰু এই বিলাক আমি কৰিবলৈ নিদিও বুলি চিঞৰ-বাখৰ কৰি সভাৰ তোৰণকে আদি কৰি সকলো লণ্ড-ভণ্ড কৰে আৰু গেটখন ভাঙি থানালৈ লৈ যায়। তাত বড়ো সাহিত্য সভাৰ এটা অফিছো আছিল সেইটোৰ মৰটোও ভাঙি লৈ গ'ল।

(মাননীয় উপাধ্যক্ষই বেল বজায়)

তাৰোপৰি, মাননীয় উপাধ্যক্ষ মহোদয়, বড়োসকলক উদ্দেশ্য কৰি যিবিলাক মাত কথা মাতিছে সেই বিলাক মোৰ বড়ো বিদ্বেষী আৰু তাৰ দ্বাৰা সাম্প্ৰদায়িক সংঘৰ্ষ হ'ব পৰা বিধৰ। এইটো একেবাৰেই বেয়া।

মাননীয় উপাধ্যক্ষ মহোদয়, অসম ভূমি আৰু ৰাজহ আইনৰ দশম অধ্যায়টো কাৰ্যকৰী কৰিবৰ কাৰণে যিবিলাক টকা ধাৰ্য্য কৰা হয় সেইবিলাক থিকমতে খৰছ হয়নে নহয় আমি ক'ব নোৱাৰো। কিন্তু আমি এইবিলাক খৰছ কৰা নহয় বুলিয়েই ধৰিবলৈ বাধ্য হৈছো এই কাৰণেই যে, কোনো দিনেই এই দশম অধ্যায় কাৰ্যকৰী কৰাৰ কাৰণে কাম কৰা হোৱা নাই। কাৰ্যকৰীয়েই যদি নহয় তেতিয়াহ'লে টকা কেনেকৈ খৰছ হ'ব। আমাৰ জনজাতীয়

* Speech not Corrected

মানুহৰ এটা বৰ ডাঙৰ অভিযোগ আৰু এইটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও জানে যে জনজাতীয় লোকৰ উন্নয়ণৰ কাৰণে ট্ৰাইবেল চাব প্লেনৰ জৰিয়তে বিভিন্ন আঁচনি ৰূপায়ণ কৰিবলৈ যিবিলাক টকা আহে সেই টকা বিলাক খৰছ কৰিব নোৱাৰাৰ কাৰণে সদায়েই 'চাৰেন্দাৰ' কৰিবলগীয়া হয়। এইটো কিয় হয়? যি উদ্দেশ্যত টকাবিলাক ধাৰ্য্য কৰা হয় সেই উদ্দেশ্যতেই টকাবিলাক খৰছ কৰিব লাগে।

(মাননীয় উপাধ্যক্ষই বেল বজায়)

মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা অভিযোগ আছে যে জনজাতীয় উন্নয়ণৰ কাৰণে ধাৰ্য্য কৰা টকাবিলাক বেলেগ অঞ্চলৰ উন্নয়ণৰ কাৰণে 'ডাইভাৰ্ট' কৰি লৈ যোৱা হয়। আমি কিছুমান কথা জানো আৰু কিছুমান কথা নেজানো। গমেই নেপাও। অজ্ঞাতেই সকলো হৈ থাকে। এনেধৰণৰ কথা বিলাক হৈ আছে। সংহতি কথাৰে বা মুখেৰে নহয়, ৰাইজে সকলো কথা গম পাব। এইবিলাকৰ দ্বাৰা ভয়ানক প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব। বিভিন্ন জনগোষ্ঠীয়ে নিজৰ নিজৰ সত্তা লৈ বাচি থাকিব লাগিব। ইয়াৰ মাজতে আমি জীয়াই থাকিব লাগিব। আমি এক 'ইমুশ্বনেল ইন্‌ট্ৰিগিটি' লৈ জীয়াই থাকিব লাগিব।

মাননীয় উপাধ্যক্ষ ঃ আপুনি শেষ কৰক।

* শ্ৰীচৰণ নাৰ্জাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সমস্যা যিমানেই গুৰুতৰ হৈ যায় সিমানেই অমঙ্গল। আমি এনেয়ে উদয়াচলৰ দাবী কৰা নাই। একশ্ৰেণীয়ে উদায়চলৰ নাম শুনিয়েই চক্ খাই উঠে। কিন্তু উদয়াচল হ'লেও আমি পৰস্পৰে সকলোৱে একেলগে মিলামিচা কৰি জীয়াই থাকিব লাগিব। ওচৰ চুবুৰীয়া হিচাপে পৰস্পৰে মিলাপ্ৰীতিৰে বসবাস কৰি থাকিব লাগিব। as good friend, not as enemies. মাননীয় উপাধ্যক্ষ মহোদয়, মোক শেষ কৰিবলৈ কৈ আছে যদিও মই গম পোৱা নাই, সিদিনা মই উপস্থিত নাছিলো, মোৰ দলৰ কাৰণে কিমান সময় নিৰ্ধাৰণ কৰা হৈছে? ক'বলগীয়া কথা বহুতেই আছিল। থাকিলেও সামৰণি মাৰিবই লাগিব। সমস্যা বিলাক কিন্তু জলন্ত সমস্যা। তাৰ মানে এইটোও নহয় যে এই বিলাক সমস্যাৰ কোনো সমাধান নাই। এইবিলাক সমস্যাৰ সমাধান হবই।

মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে উদয়াচলৰ দাবীত অসম চৰকাৰক ত্ৰিপাক্ষিক আলোচনাত মিলিত হ'বলৈ পৰামৰ্শ দিয়া স্বত্তেও আজি আমাৰ মুখ্যমন্ত্ৰী সেই আলোচনাত বহিবলৈ কিয় ভয় খাই আছে? ভয় কৰিবলৈ কি আছে? তিনিওটা পক্ষই নিজৰ নিজৰ অভিমতহে ব্যক্ত কৰিব। কাৰো ক্ষয় ক্ষতি নহয়। গতিকে ই ত্ৰিপাক্ষিক আলোচনাৰ নাম শুনিলেই চক খাই উঠা উচিত নহয়। বহিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, বহুত কথা থাকিলেও নকও। কিয়নো কথাত কথা বাঢ়ে। এইটো ধ্ৰুৱপ যে উদয়াচল হ'বই। উদয়াচল নহব বুলি আমি আন্দোলন কৰা নাই। হ'ব বুলিহে আন্দোলন কৰিছো। উদয়াচল

* Speech not Corrected

সৃষ্টিৰ গভীৰ আত্মপ্ৰত্যয় লৈহে আমি উদয়াচলৰ আন্দোলনত নামি পৰিছো। ধন্যবাদ।

* Shri Holiram Terang : Mr. Deputy Speaker, Sir, the Budget Speech given by the Chief Minister, who is also in-charge of the Finance Department... (noise... noise)

Depicts to some extent the financial scenario of the State. Mr. Dy. Speaker sir, Here I would like to refer to a very pertinent point from page 12 of the Budget Speech. It is stated that a with the increase in the size of the Annual Plan the burden on the State Government in terms of debt liability also goes on increasing thus leading to a debt trap. It will also be pertinent to note that the entire cost-price structure is so badly distorted by inflation that the implementation of Plan targets in their original shape is virtually rendered impossible. This is a very pertinent point as this is the feeling of the Hon'ble Chief Minister, who holds the Finance Portfolio. Sir, if the Hon'ble Finance Minister feels that we are virtually going towards that trend, that it will be ultimately not possible to implement the plan targets. Than, Sir, he has also quoted certain figures in the budget speech. I am not going to quote tham again. But, sir, if we take them into consideration, then we find that we are really going towards that trend. This House has also discussed this point and from this it appears that we are really proceeding wowards that end. The burden on the State Government in terms of debt liability goes on increasing day by day and as a result of that really it leads us to a debt trap. Then, sir, what is the remedy, what is the panacea? What can we do on that? We must find out as to how we can overcome the problem. If we can take proper step, I am sure, we will be able to overcome this. If we fail to take proper step right now, then it will be very difficult to implement our plan targets in their original shape. my feeling is that we should rise to the occasion. Otherwise it will vertually lead us to that trend as has been depicted by the Hon'ble

Chief Minister in his speech. Now, sir, I will try to confine myself in one or two points with regard to this. First of all I would like to mention that in a Federal Democratic set up of our the resources of the country are to be shared by the Centre and the States equitable for all- round development of the country as a whole. But here, sir, the sharing is heavily tilted in fovour of the centre. In this respect our share is much less. Though our Constitution has embodied a federal spirit but in practice the trend is towards unitary. Virtually, sir, we find that though the Central Govt. has its own power in the Central List, they are also trying to get more and more powers in their hands from the State Lists. Central Govt. has its overwhelming power in the Concurrent List. But even then they are trying to get more and more powers from the State. The resource base of the Centre is much wider than that of the States. But even then when we want to raise the additional resources, Central Govt. stands on the way and for that we are required to face with severe odds. So, sir, I would request to the Hon'ble Members of this House to ponder over this matter and fight against the deliberate and planned method of centralisation of power in the hands of the Central Govt. Sir, unless and until proper decentralisation is made, we cannot get proper democracy. The resource base of the State is to be made wider if we are to achieve the desired objective. Sir, as a matter of fact, I have raised one pertinent point during the last budget session of the Assembly about the question of oil royalty. I have stated that whatever resources are available from the oil should be given to the State Govt. for a term of atleast 10 years. This will, I am sure, to a certain extent make up our imbalances. Now, sir, I will touch upon the administration of finance. Sir, I do not know how many Hon'ble Members of this House do understand the budgetary of fiscal position? As for myself, I can say that I do not understand the budgetary provisions. Sir, I belive that most of the Hon'ble

Members of this House will have little knowledge as to how a budget is prepared. Sir, this is not only the position of this Govt. alone. This was the position with all our previous Governments also. This is the irony of fate. Legislators are not allowed to have a proper look about the budgetary provisions. Sir, it is always prepared by the bureaucracy and in this process we are not allowed to have a proper look about the budgetary provisions. Therefore, sir, I demand that there should be a change in the procedure and peoples representatives should be allowed to have a more say in the preparation of the budget and in the making of plans and programmes. Only after that we can go through the real process of execution and we may have a proper control of the budgetary conditions. I would request the Hon'ble Members of the House to support this view. Sir, every year we are supplied with a bug volume of papers of budget. But without having a proper scrutiny and without going through the ways and means we have to pass this budget. Sir, this is a very sorry state of affairs. Every year we have to go back to our constituency and to our people without contributing anything what they expect from us. On our return, we simply tell our people that we passed the budget. I do not like to speake more on this point. Now, sir, I will come to the last point. As you know, sir, a very peculiar situation has been prevailing in the State administration with regard to the administration of the Hill distrcits of Assam. It is known to us all that Karbi Anglong and N. C. Hill Districts are administered under the 6th Schedule of the Constitution of India. In this connection I would like to quote here that once Justice (Retired) Md. Hidyatually has said in course of his speech here at Gauhati High Court that 6th Schedule of the Constitution of India is a Constitution within the Constitution. But, sir, the power is very limited. They have no power to make laws. Their financial resources are very limited. But the main subjects like P. W. D. Education Forests etc. were entrusted to

them, after the creation of Meghalaya by the North Eastern Reorganisation Act, 1971. Sir, though this has been entrusted to the District Council, but the real power is not yet transferred to them. It is lying with the State Administration. They do not have the power to pass their own budget. Sir, we pass the budget of the Hill Districts here in this House. The District Councils have no power. This budget is also placed in the District Council but, they have to pass it as it is. District Council cannot make any change. So, it virtually comes back.

So, it vertually come back to out Assembly and we are supposed to pass it. That means the District Council does not have any authority for planning, budgeting or making any schemes. After the budget is passed in the Assembly it is given to the District Council for execution. They have all the development departments, like P. W. D., Flood Control, Irrigation, etc. So, Sir, administrative control of finance is in the hands of the State Government and the sanction for expenditure is given to the District Council for execution of works. That means the District Council is acting like a cashier. Money given by the State Government is thus distributed through the District Council. Another problem is that Sir, all the employees and the officers of these development departments who are supposed to execute the plans and schemes are under the State Government. Starting from a Peon and upto the post of Addl Chief Engineer or Chief Engineer all are the employees of the State Govt. Virtually what happened? District Council does not have any power to control them. If money is not properly spent or utilized people cannot blame the District Council nor the State Government. If I as a representative of the pople ask the officer of the Dist Council as to why the money has not been paid or why the scheme has not been excuted then he will say that they have not received money from the State Govt. or the sanction of the scheme has not come from the State Govt. Or, he will say

that there is no Executive Engineer who is to finish the construction. Therefore, Sir, since he is not our employee, that is the employee of the District Council, we cannot compel him to do the work. When the same is asked to the state Govt. they say that all the money are sanctioned to the which Councils and they are responsible for the execution also. So, Sir, we fine that a Ramrajya is going on there in the hills districts. It is not a Ramrajya of the people but it is the Ramrajya of beauracrats because they can neither be caught by the State Govt. nor the Dist. Council. This is the stage of affairs in the hills districts. There a diarchy is going on. I would, therefore, request this august House to take cognizance of this aspect of the matter and suggest remedies. Sir, we are actually giving large sums of money to the District Concils and this money mostly is coming from the Centre as Central assistance. We cannot alow it to be squandered away. We have a responsiblity to see that they are spent properly.

Sir, I would like to conclude with the remark that this system of diarchy in the hills districts should be done away with. Another point which I would like to reiterate is that if we are to raise morefinancial resources, the centralisation of power at the hands of the Central Govt. should be stopped and that more and more powers should be given to the state Government and there should be proper contol over the administration of finance. With these, I conclude, Sir.

শ্রী মুক্তাৰ হুছেইন ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৫ তাৰিখে মাননীয় মুখ্যমন্ত্রী মহোদয়ে যিখন বাজেট সদনত দাঙি ধৰিছে এইখন এখন ঘাটি বাজেট। উপাধ্যক্ষ মহোদয়, আজি আমি এই বিধান সভাত বহি থকা মুহূর্তত অসমৰ কোনো মাতৃৰ কোনোবা সন্তানে যদি জন্মগ্রহণ কৰিছে তেনেহ'লে তেওঁ ১৩৫০ টকা ঋণৰ বোজালৈ জন্মগ্রহণ কৰিছে। অসমখন তেনেকুৱাই এখন ঋণী ৰাজ্য। এই ৰাজ্যত ক্রমে ঘাটি বাজেট দাখিল কৰা হয় কিন্তু এই ঘাটি পুৰাবৰ কাৰণে চৰকাৰৰ হাতত কোনো ব্যৱস্থা নাথাকে। অসমৰ অৰ্থনীতিয়ে আজি এনে এটা উদ্বেগপূর্ণ পৰিস্থিতিত ভৰি দিবলগীয়া হৈছে। উপাধ্যক্ষ মহোদয়, মুখ্য মন্ত্রী মহোদয়ে

১৯৮৮-৮৯ চনৰ বাজেট উত্থাপন কৰি কৈছে যে ২৪৩ কোটি টকাৰে বাজেটৰ ঘাটি সামৰণি পৰিব। এইটো বুজনপৰিমাণৰ অংক। কিন্তু প্ৰকৃতাৰ্থত এই ঘাটি আৰু বেছি হ'ব যেন লাগিছে। আমি ইয়াৰ আগতে ১৯৮৬-৮৭ চনত এই বিধান সভাতে চৰকাৰক খৰছ কৰিবৰ কাৰণে সৰ্বমুঠ ২২৬২ কোটি টকা দিছিলো। কিন্তু উক্ত বছৰত চৰকাৰৰ আয় ১৬৯২ কোটি টকা। ৰাজহ প্ৰাপ্তি ১২০৯ কোটি ৯৫ লাখ টকা আৰু মুলধন প্ৰাপ্তি ৪৮২ কোটি টকা অৰ্থাত মুঠ চৰকাৰে পালে ১৬৯২ কোটি টকা কিন্তু খৰছ কৰিলে ২২৬২ কোটি টকা। গতিকে খৰছৰ সময়ত ৫৭০ কোটি টকাৰ মুল ঘাটি হৈছিল। গতিকে এই ৫৭০ কোটি টকা ঋণৰ পৰা খৰছ কৰিলে অৰ্থাৎ ঘাটি আৰু বাঢ়িল। গতিকে ৫৭০ কোটি ২৪৩ কোটিৰ লগত যোগ কৰি মুঠ ৮১৩ কোটি টকা ঘাটি পৰিব। অৰ্থাৎ অহা বছৰটোত চৰকাৰে ঘাটি পূৰণ কৰিবলৈ হ'লে কোনো উন্নয়নমূলক কাম কৰিব নোৱাৰে। এইখিনি মুলধন হিচাপে ধৰি ৰাখিবলৈ হ'লে এহেজাৰ কোটি টকা ঋণ হৈ থাকিব। কিন্তু এই ঘাটি পূৰণ কৰিবলৈ চৰকাৰৰ কোনো ৰাস্তা নাই। গতিকে আহিবলগীয়া বিত্তীয় বছৰ বিলাকত ধাৰৰ বোজাই লৈ থাকিব লাগিব। বৰ্তমান চৰকাৰৰ অৱস্থা ইয়াৰ পাছত এই চৰকাৰ ভাঙি যেতিয়া অন্য চৰকাৰো আহে তেওঁলোককো এই ধাৰৰ বোজা মূৰত জাপি দিয়া হ'ব তেওঁলোকে কোনোদিনেই উন্নয়নমুলক কাম কৰিবলৈ সুবিধা নাপায়।

উপাধ্যক্ষ মহোদয়, আমি আজি আলোচনা কৰি থকা দিনটোৱে হৈছে বাজেটৰ শেষ দিন অৰ্থাৎ ৩১ মাৰ্চ। আজি হয়তো দিশপুৰৰ সচিবালয়ত দিনে-ৰাতিয়ে কাম কৰি আছে সেইবিলাক কিন্তু কাগজৰ কাম। টকা খৰচ কৰিব লাগিব নহ'লে টকা ঘূৰি যাব। গতিকে এই ৩১ মাৰ্চটো ৩০ এপ্ৰিললৈ ৩১ মাৰ্চ হৈয়ে থাকিব।

মই সমস্ত বিষয়াক ক'ব খোজা নাই তথাপিও এটা কথা কওঁ কিছুমান বিষয়া বা কৰ্মচাৰী দৰমহাৰ কাৰণেই চাকৰি কৰাৰ মানসিকতা আছে। এই প্ৰৱণতাই বা মানসিকতাই যদি হয় সমাজৰ কাৰণে ই এটা ডাঙৰ বাধাৰ প্ৰাচীৰ হৈ পৰিব। ৰাজ্যৰ জনকল্যাণ কৰিব খোজাসকলৰ কাৰণেও বাধাৰ প্ৰাচীৰ হৈ দেখা দিব এই কথাটো। গতিকে আমাৰ বিষয়াসকলে সেই অভ্যাস বাদ দিব লাগিব, নহ'লে এই প্ৰৱণতাই অসমক দুৰ্ঘোৰ অন্ধকাৰৰ ফাললৈ লৈ যাব। আৰু ৩০ এপ্ৰিল তাৰিখেও যদি ৩১ মাৰ্চ বুলি চলাই থকা হয় তেতিয়াহ'লে আমাৰ এই অৰ্থনৈতিক বা আৰ্থিক বছৰটো এক বা দুই মাহ পিচুৱাই দিলেই ভাল হ'ব যেন পাওঁ। অসমত যেতিয়া বানপানী হয় তেতিয়া ডিচেম্বৰ মাহলৈকে কাম কৰিব পৰা নাযায়, তেতিয়াৰ কাম দুই তিনি মাহ পিচুৱাই যায়। কাৰণ এটা মিছা কথা অসত্য কথা কৈ কাম চলাই থকাতকৈ এইটো স্বীকৃত কৰি বাজেট বছৰটো পিচুৱাই দিলেই ভাল হ'ব।

* শ্ৰী মসিৰুদ্দিন শ্বেখ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰী টেৰাঙৰ লগত একমত। ময়ো বাজেট সম্পৰ্কে নাজানো আৰু আমি একো নজনাকৈ ইয়াৰ ওপৰত বক্তৃতা দি আছো। এই

বাজেটনো কৰ্মচাৰীসকলে এনেকৈয়ে তৈয়াৰ কৰি দিয়ে নেকি যাতে আমি একো ধৰিব নোৱাৰো। চেষ্টা কৰিলেও বুজিব যাতে নোৱাৰি তাৰ ব্যৱস্থা কৰি ৰাখে। গতিকে বিধানসভাত বাজেটৰ ওপৰত কি ক'ব ভাবি নাপাই নিজৰ সমষ্টিৰ কথা কৈ বক্তৃতা জাৰি গুচি যায়। কিন্তু আচল কথা কিমান টকা ঘাটি হ'ল ক'ত কিমান টকাৰ খৰছ দেখুৱা হ'ল সেইবোৰ কথা নুবুজাকৈয়ে থাকি যায়। ময়ো আমাৰ টেৰাং ডাঙৰীয়াৰ দৰে একো নুবুজা বিধৰহে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বাজেট বক্তৃতাত মই এটা বস্তু দেখা পাইছো যে আমাৰ গণপৰিষদ চৰকাৰ এইবাৰ তৃতীয় বিত্তীয় বছৰত সোমাব। দুটা বছৰ পাৰ গৈ গ'ল গতিকে অসমৰ ৰাইজৰ এটা সাধাৰণ ধাৰণা আছিল যে দুটা বছৰ এখন চাৰকাৰ যি কোনো প্ৰকাৰে চলি গ'ল কিন্তু তৃতীয় বছৰটোত এটা ইম্পৰটেণ্ট হ'ব আৰু ৰাইজে বহু আশা আকাংক্ষাৰে বাট চাই আছিল। কিন্তু দেখা গৈছে ৰাইজে আশা কৰা মতে একো নহ'ল। মই ঘাটি বাজেটৰ কথা কোৱা নাই। আয় নাথাকিলে বাজেটত ঘাটি হ'বই। কিন্তু এই ঘাটি কি দৰে পূৰণ কৰা হ'ব? অসম কৃষি প্ৰধান ৰাজ্য। ইয়াৰ শতকৰা ৮০ ভাগ মানুহেই কৃষিজীৱী। গতিকে কৃষিৰ ওপৰত গুৰুত্ব নিদিলে মই ভাবো আমাৰ আৰ্থিক অৱস্থাই ভয়াৱহ ৰূপ ধাৰণ কৰিব। কৃষিৰ ওপৰত কি ব্যৱস্থা লোৱা হ'ব সেইটো বাজেটত যদি স্পষ্টভাৱে উল্লেখ নাথাকে তেতিয়াহ'লে এই বাজেটক গতিশীল বাজেট বুলি ক'ব নোৱাৰি। লগতে আৰু এটা ডাঙৰ কথা হ'ল আমাৰ নিবনুৱা সমস্যা। অৰ্দ্ধ শিক্ষিত, শিক্ষিত ল'ৰা-ছোৱালীৰ যি বেকাৰ সমস্যা হৈছে সি ভয়াৱহ ৰূপ ধাৰণ কৰিব বুলি আমি ভাবিছো। বেকাৰ ডেকা-গাভৰুসকলৰ সংস্থাপনৰ কোনো প্ৰতিশ্ৰুতি ইয়াত আছে নে নাই? আমাৰ বিত্তমন্ত্ৰী মহোদয়ে বস্তুবোৰ বুজি পাইছে, ধৰিছে, চুই গৈছে কিন্তু এৰা দি গৈছে। তাত কোনো আন্তৰিকতা নাই। এই গুৰুত্বপূৰ্ণ সমস্যাবোৰৰ প্ৰতি বিত্তমন্ত্ৰী মহোদয়ৰ কোনো আন্তৰিকতা নাই বুলি আমি ভাবিছো। এইখন আন্তৰিকতাবিহীন বাজেট বক্তৃতা। এই সমস্যা জৰ্জৰিত ৰাজ্যখনক আগবঢ়াই নিবলৈ হ'লে এই সমস্যাবিলাকৰ প্ৰতি উদাসীন হৈ থাকিলে নহব। সেইটো সম্ভৱ নহ'ব। এই বাজেটত নিয়োগ, উদ্যোগ আৰু খেল-ধেমালি এই তিনিটাৰ কথা দেখিলো। তাত দেখিলো কোন ল'ৰাই ক'ত কিমান বঁটা পাইছে। তাত কিমান টকাৰ ইন্‌ভলভ হ'ল সেইটো নহয়, কথা হ'ল বঁটা পাবৰ কাৰণে ল'ৰা-ছোৱালীক কেনেকৈ পাৰ্গত কৰি তুলিব পাৰি তাৰ কাৰণে কেনেকৈ কিমান টকা খৰছ কৰা হ'ব সেইটোহে প্ৰয়োজনীয় কথা। অসমৰ যিবিলাক আচল সমস্যা কৃষি জীৱি মানুহৰ সমস্যা, বেকাৰৰ সমস্যা এই বিলাকৰ ক্ষেত্ৰত কোনো সম্ভাৱনাপূৰ্ণ প্ৰতিশ্ৰুতি আমি দেখা নাই।

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৫ মাৰ্চ তাৰিখে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট বক্তৃতা উত্থাপন কৰিলে তাক মই অতি আন্তৰিকতাপূৰ্ণ হৈছে বুলি কও আৰু তাৰ

* Speech not Corrected

বাবে অভিনন্দন জনাইছো। কিয়নো এই বাজেট বক্তৃতাত অসমৰ সৰ্বসাধাৰণ ৰাইজৰ লগতে অনুসূচীত জাতি-জনজাতি আৰু পাৰ্বত্য জনজাতিৰ সকলো আশা আকাংক্ষা প্ৰতিফলিত কৰিব পাৰিছে। আজি তিনি বছৰৰ আগৰ পৰা মই লক্ষ্য কৰিছো আমাৰ গণপৰিষদ চৰকাৰে যিমান বাজেট দাখিল কৰিছে প্ৰতি বছৰেই এই অনুসূচীত জাতি, জনজাতি আৰু পাৰ্বত্য জনজাতিৰ কাৰণে বিশেষ গুৰুত্ব দি আহিছে।

চাৰ্, আপুনি মন কৰিব ১৯৮৫-৮৬ চনত অনুসূচীত জনজাতিৰ কাৰণে লোৱা আঁচনিত ৪৬ কোটি ১১ লাখ টকা দিয়া হৈছে। আৰু অনুসূচীত জাতিৰ কাৰণে ১০ কোটি ৪৪ লাখ টকা দিয়া হৈছে। তাৰোপৰি পাৰ্বত্য জনজাতিৰ কাৰণে ৪৪০১১ লাখ টকা কেন্দ্ৰীয় সাহায্য দিয়া হৈছে।

১৯৮১-৮৭ চনত যেতিয়া গোটেই ৰাজ্যখনৰ বাজেট পাঁচশ কোটি টকা আছিল সেই পাঁচশ কোটিৰ পৰা অনুসূচীত জনজাতিসকলৰ বিশেষ গুৰুত্ব দি বিশেষ উন্নতিৰ কাৰণে আমাৰ চৰকাৰে পাঁচশ কোটিৰ পৰা অনুসূচীত জনজাতিৰ কাৰণে ছাপ্পন্ন কোটি ছাব্বিশ লাখ টকা আৰু কেন্দ্ৰীয় সাহায্য দিছিল ছয় কোটি আঠসত্তৰ লাখ। অনুসূচীত জাতিৰ উন্নতিৰ কাৰণে বিশেষ গুৰুত্ব দি পাঁচশ কোটিৰ পৰা তেৰ কোটি পচান্নৱৈ লাখ টকা দিছিল আৰু কেন্দ্ৰীয় বিশেষ সাহায্য হিচাবে দিছিল মাত্ৰ দুই কোটি ছাব্বিশ লাখ টকা। ১৯৮৬-৮৭ চনৰ পাৰ্বত্য জনজাতিৰ উন্নতিৰ কাৰণে আমাৰ গণ পৰিষদ চৰকাৰে সেই পাঁচশ কোটি টকাৰ পৰা পয়ত্ৰিশ কোটি টকা দিছিল আৰু কেন্দ্ৰীয় চৰকাৰে দিছিল পঁচিশ কোটি নৱৈ লাখ টকা। সৰ্বমুঠ পাৰ্বত্য জনজাতিৰ কাৰণে দিয়া হৈছিল ষাঠি কোটি নৱৈ লাখ টকা। এই বছৰৰ বাজেটত অন্যান্য জনসাধাৰণৰ লগতে অনুসূচীত জনজাতি অনুসূচীত জাতি আৰু পাৰ্বত্য জনজাতিৰ আশা আকাংক্ষা প্ৰতিনিধিত্ব কৰিব পাৰিছে। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আকৌ চাৰ ১৯৮৭-৮৮ চনৰ বছৰটোৰ কাৰণে গোটেই ৰাজ্যখনৰ কাৰণে পাঁচশ পচপন্ন কোটি টকা আছিল তাৰ ভিতৰত গণ পৰিষদ চৰকাৰে অনুসূচীত জাতিৰ ওপৰত গুৰুত্ব দি বাসত্তৰ কোটি পয়সত্তৰ লাখ টকা দিছিল আৰু তেতিয়া কেন্দ্ৰয় সাহায্য হিচাপে দিছিল মাত্ৰ সাত কোটি ছয় হাজাৰ টকা আকৌ অনুসূচীত জাতিৰ কাৰণে তেওঁলোকৰ উন্নতিৰ ওপৰত গুৰুত্ব দি গণ পৰিষদ চৰকাৰে পাঁচশ পচপন্ন কোটিৰ পৰা একত্ৰিশ কোটি পঞ্চাশ লাখ টকা দিছিল। কেন্দ্ৰীয় সাহায্য হিচাপে আছিল মাত্ৰ দুই কোটি দুই হাজাৰ টকা। তেতিয়া পাৰ্বত্য জনজাতিৰ বিশেষ গুৰুত্ব দি পাঁচশ পচপন্ন কোটিৰ পৰা গণপৰিষদ চৰকাৰে একচল্লিশ কোটি টকা আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা দিছিল পঁচিশ কোটি নৱৈ লাখ টকা। এই চলিত বাজেটত যিখন যোৱা পঁচিশ মাৰ্চৰ দিনা এই বিধান সভাত উত্থাপন কৰা হৈছে তাতো অনুসূচীত জনজাতি অনুসূচীত জাতি আৰু পাৰ্বত জনজাতিৰ আশা-আকাংক্ষাক পূৰণ কৰিবলৈ চৰকাৰ ফালৰ পৰা বহুত টকা দিয়া হৈছে।

ছয় শ দহ কোটি টকা গোটেই জনসাধাৰণৰ কাৰণে দিয়া হৈছে আৰু আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ছয় শ দেৱ কোটিৰ পৰা অনুসূচীত জনজাতিৰ উন্নতিৰ ওপৰত গুৰুত্ব দি তেষষ্ঠি কোটি চৈধ্য লাখ টকা দিছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা দিছে মাত্ৰ সাত কোটি ছয় হাজাৰ টকা। অনুসূচীত জাতিৰ কাৰণে গণপৰিষদ চৰকাৰে ছয় শ দহ কোটি টকাৰ পৰা বত্ৰিশ কোটি সোতৰ লাখ টকা দিছে আৰু কেন্দ্ৰীয় সাহায্য দিছে মাত্ৰ দুই কোটি দুই হাজাৰ টকা। ইয়াৰ লগতে পাৰ্বত্য জনজাতিৰ কাৰণে তেওঁলোকৰ বিশেষ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি গণ পৰিষদ চৰকাৰে গুৰুত্ব দি ছয়শ দহ কোটি টকাৰ পৰা বিয়াল্লিশ কোটি পঞ্চাশ হাজাৰ টকা দিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা মাত্ৰ সাতাইশ কোটি উনসত্তৰ লাখ টকা দিছে।

উপাধ্যক্ষ মহোদয়, এই কাৰণেই মই কৈছো যে অসমৰ বাজেটত জনজাতি, অনুসূচীত জনজাতি আৰু পাৰ্বত্য জনজাতিৰ কাৰণে বহুত টকা দিয়া হৈছে। এই অহা আগন্তুক বছৰটোৰ কাৰণে ইমানখিনি টকা ধৰা হৈছে। এই বছৰটো মানে অহা কাইলৈৰ পৰা আৰম্ভ হোৱা বছৰটোৰ কাৰণে বহুত টকা ধৰা হৈছে। সেই কাৰণে মই ভাবো ইয়ে অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু পাৰ্বত্য জনজাতিৰ কাৰণে থকা সমস্যাসমূহ সমাধান কৰিবলৈ সমৰ্থ হ'ব। বিৰোধী পক্ষৰ বহুতো মাননীয় সদস্যই বিভিন্ন ধৰণে সমালোচনা কৰিছে। কোনোৱে বলাক বাজেট বুলি কৈছে। কিছুমানে বিধৱাৰ বিননি বুলি কৈছে আৰু কোনোৱে কোনোৱে বিৰোধী পক্ষৰ পৰা কৈছে যে ইয়াত একোৱেই নাই। অলপ আগতে কৈছে যে মুখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত কোনো গুৰুত্ব দিয়া নাই। কিছুমানে কৈছে বিষয়াসকলে তৈয়াৰ কৰিছে আৰু মুখ্যমন্ত্ৰীক দোষাৰোপ কৰিব বিচাৰিছে। বা দুৰ্বল বুলি আঙুলিয়াব বিচাৰিছে। উপাধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো মহকুমা পৰিষদৰ বাজেটৰ কাৰণে চীফ কাউন্সিলাৰজন বা টাউন কমিটিৰ বাজেটৰ কাৰণে টাউন কমিটীৰ চেয়াৰমেনজন কেতিয়াও দোষী হ'ব নোৱাৰে। কিয়নো সেই বাজেটসমূহ ৰাজ্য চৰকাৰৰ বাজেটৰ প্ৰতিফলন মাত্ৰ। সেইদৰে ৰাজ্য চৰকাৰৰ বাজেটৰ কাৰণে মুখ্যমন্ত্ৰীৰ দোষ নহয়। দায়ী হ'ব নোৱাৰে। দোষী সাব্যস্ত কৰিব পৰা নাযায় কিয়নো এই বাজেট হৈছে কেন্দ্ৰীয় চৰকাৰৰ বাজেটৰ প্ৰতিফলন মাত্ৰ। আমাৰ মুখ্যমন্ত্ৰীৰ কাৰণে নহয়, আমাৰ গণ পৰিষদ চৰকাৰৰ কাৰণে নহয়, এইটোৰ এটাই স্পষ্ট উত্তৰ সেইটো হৈছে চেণ্ট্ৰেল গভৰ্ণমেণ্ট, কেন্দ্ৰীয় চৰকাৰ। সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে বাজেটৰ দহ পৃষ্ঠাত লিখিছে ঃ "ৰাজ্যখনত উন্নয়নৰ অৰ্থে অধিক ধন বিনিয়োগ কৰিবলৈ সৰহ ধন ধাৰলৈ লোৱাৰ প্ৰয়োজন আৰু সৰহ ধন ধাৰলৈ লোৱা মানেই তদনুৰূপভাবে ঋণৰ বোজা বৃদ্ধি পোৱা। ৰাজ্যিক পৰিকল্পনাৰ আকাৰ বৃদ্ধি পোৱাৰ লগে লগে ৰাজ্য চৰকাৰৰ ঋণৰ বোজাও বাঢ়ি যাব আৰু ফলত ঋণ-বেহুত সম্পূৰ্ণকৈ বান্ধ খাব লাগিব। এইটো মন কৰিবলগীয়া কথা যে মুদ্ৰাস্ফীতিয়ে সমগ্ৰ মূল্য গাঁথনি ইমান বেয়াকৈ বিকৃত কৰিছে যে মূল আকাৰত পৰিকল্পনাৰ লক্ষ্য কাৰ্যকৰী কৰাটোকে প্ৰকাৰন্তৰে

অসম্ভৱ হৈ পৰিছে।' এনেকৈয়ে আমাৰ ৰাজহুৱা ঋণৰ মাত্ৰা বাঢ়ি যায়। ঋণ ল'ব পাৰি কিন্তু ঋণ লোৱা মানেই ধাৰৰ বোজা বাঢ়ি যায়। আমাৰ ৰাজহুৱা ঋণ ১৯৮৮ চনত হৈছে দুহেজাৰ সাতশ এক কোটি চল্লিশ লাখ টকা। এই ঋণ ক'ৰ পৰা সৃষ্টি হ'ল? এইটো গণপৰিষদ চৰকাৰে সৃষ্টি কৰা নাই। কেন্দ্ৰীয় চৰকাৰে যি টকা পইচা বছৰেকৰ মূৰত দিয়ে তাৰ শতকৰা নব্বৈভাগ সাহায্য হিচাপে আৰু দহ ভাগ ঋণ হিচাবে দিয়াৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰীয়ে দিল্লীত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ ওচৰত স্মাৰক পত্ৰ দিছিল। কিন্তু মাননীয় সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰ ডাঙৰীয়াই কৈছিল যে কেন্দ্ৰীয় চৰকাৰে টকা নিদিয়া নহয় টকা দি আছে। এইটো হয় কিন্তু আমালৈ দিয়া ছয়শ দহ কোটি টকাৰ ভিতৰত পাঁচশ পয়ত্ৰিশ কোটি একাশী লাখ টকা ধাৰ হিচাবে কেন্দ্ৰীয় চৰকাৰে দিছে অৰ্থাৎ আমালৈ দিয়া টকাৰ সত্তৰভাগ ধাৰ হিচাবে আৰু ত্ৰিশ ভাগ সাহায্য হিচাবে দি আছে। আমাৰ মুখ্যমন্ত্ৰীৰ স্মাফক পত্ৰত কিন্তু শতকৰা নব্বৈ ভাগ সাহায্য আৰু শতকৰা দহ ভাগ ঋণ হিচাবে দিয়াৰ কাৰণে জনাইছে আৰু অসমৰ ৰাজহুৱা ঋণ বিলুপ্তি কৰিবলৈও জনাইছে। অৰ্থাৎ এই দুহাজাৰ সাতশ এক কোটি চল্লিশ লাখ টকা মাফ দিয়াৰ কাৰণে স্মাৰক পত্ৰত উল্লেখ কৰিছে। এইটো ৰাইট অফ নকৰিলে আমাৰ কাৰণে বিকল্প নাই। এইটো কৰিলে অসমক বিশেষ ৰক্ষণাবেক্ষণ দিয়া হ'ব পাৰে। উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে আমাক ঋণ হিচাবে দিয়ে আৰু কেন্দ্ৰীয় চৰকাৰে অনুমতি দিলে আমি বিশ্ব বেংকৰ পৰাও ধাৰ ল'ব পাৰো। গতিকে দুই এগৰাকী মাননীয় সদস্য ই কোৱাৰ দৰে কেন্দ্ৰীয় চৰকাৰে আমাক টকা দিয়া নাই। কেন্দ্ৰীয় চৰকাৰে মাত্ৰ আমাক ত্ৰিশ ভাগ টকাহে দিছে। এতিয়া স্মাৰক পত্ৰত সেই কাৰণে আমাৰ মুখ্যমন্ত্ৰীয়ে নব্বৈ আৰু দহ ভাগ হ'ব লাগে বুলি দাবী জনাইছে। লগতে ৰাজহুৱা ঋণৰ টকাখিনিৰ বিলোপ কৰিবলৈও উল্লেখ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই দুটা দাবী যদি কেন্দ্ৰীয় চৰকাৰে মানি নলয় তেতিয়াহ'লে আমাৰ ৰাজ্যখনৰ বিভিন্ন ধৰণৰ যিবিলাক সমস্যা উদ্ভৱ হৈ আছে সেইবিলাক সমাধান কৰিব পৰা নহ'ব। সেইকাৰণে মাননীয় বিৰোধী পক্ষ্যৰ সদস্যসকলক কৈছো বিশেষকৈ কংগ্ৰেছ আই আৰু আন আন সকলো বিৰোধী দলকে কৈছো যে মাননীয় মুখ্যমন্ত্ৰীৰ বাজেট বক্তৃতাৰ ওপৰত সমালোচনা কৰাৰ আগতে দিল্লীত গৈ প্ৰধান মন্ত্ৰীক সোধকগৈ আৰু মুখ্যমন্ত্ৰী মহোদয়ে দিয়া স্মৰক-পত্ৰৰ ওপৰত কি ব্যৱস্থা ল'লে, তাত গৈ শুধি আহক, সাহস আছে, এপইণ্টমেণ্টেই ল'ব নোৱাৰিব। বিৰোধী পক্ষ্যৰ মাননীয় সদস্যসকলে কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ অল পাৰ্টি দেলিগেশ্যন যাব লাগে। চৰকাৰে এটা দেলিগেশ্যন থিক কৰিলে, তেতিয়া মই বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী আছিলো, অৱশ্যে মই এই দেলিগেশ্যনত যোৱা নাছিলো, আমাৰ মাননীয় মন্ত্ৰী হানসে ডাঙৰীয়াৰ নেতৃত্বত এই দেলিগেশ্যনটো গৈছিল। তাত তেওঁলোকে কেন্দ্ৰীয় মন্ত্ৰী বি, চশংকৰানন্দক লগ ধৰিলে আৰু বানপানী নিয়ন্ত্ৰণৰ কাৰণে অনুদান দিব লাগে বুলি স্মাৰক পত্ৰ দাখিল কৰিলে। কিন্তু

তেতিয়া তেওঁ সাধাৰণ এলেকাৰ কাৰণে এনেকৈ গ্ৰাণ্ট দিব নোৱাৰি বুলি ক'লে আৰু টি এচ পি এলেকাৰ নামত স্কীম দাখিল কৰিলে গ্ৰাৰ দিব পৰা হ'ব বুলি ক'লে। যেনে কথা তেনে কাম। আমাৰ হানসে ডাঙৰীয়াই আহি অনতিপলমে বিভাগৰ মুখ্য অভিযন্তাকে ধৰি কাৰ্যবাহী অভিযন্তাসকলো বিষয়াক মাতি আনি টি এচ পি এলেকাৰ বানপানী নিয়ন্ত্ৰণৰ কাৰণে আঁচনি বনাই দিল্লীলৈ পঠিয়াই দিলে। সেই আঁচনি বিলাক তাত পোৱাৰ পাচত চি ডব্লিউ, চিলৈ পৰীক্ষাৰ কাৰণে পঠালে আৰু তাত পৰীক্ষা কৰাৰ পাচত হোম ডিপাৰ্টমেণ্টত গ'ল। আমাৰ মাননীয় হানসে ডাঙৰীয়াই গৈ এই গ্ৰাণ্ট বিলাক মঞ্জুৰ হৈছে নে নাই খবৰ কৰিলে। এই গোটেই স্কীম বিলাক বিশেষকৈ ১১৭,৯৯ কোটি টকাৰ আঁচনি সেই সময়ৰ বিভাগৰ মন্ত্ৰী বি শংকৰানন্দৰ কথামতেই দাখিল কৰা হ'ল। আজি দুবছৰেই হ'ল কিন্তু আজিলৈকে এই গ্ৰাণ্টবিলাক মঞ্জুৰ হোৱা নাই। সুধিলে কয় বিবেচনাধীন হৈ আছে। মাননীয় বিৰোধী পক্ষ্যৰ সদস্যসকলে বি শংকৰানন্দৰ ওচৰলৈ গৈ সুধি আহিব নেকি— এই স্কীমবোৰ কি হ'ল? আপোনালোকে মাননীয় মুখ্য মন্ত্ৰীৰ বাজেট বক্তৃতা সমালোচনা কৰাৰ আগতে কেন্দ্ৰীয় চৰকাৰৰ বিত্তমন্ত্ৰী আৰু ৰাজ্যিক গৃহ মন্ত্ৰী চিদাম্বৰম আদিক গৈ সুধি আহক। আপোনালোকে এই কথাবিলাক ইয়াত কোৱাৰ আগতেই কাৰ লাগিব দিল্লীত, বোট ক্লাবত। আপোনালোকে চিন্তা-চৰ্চ্চা বিলাক কেনেকুৱা নাজানো ইয়াত ক'লে ৰাজীৱ গান্ধীয়ে নুশুনে, বুটা সিঙে নুশুনে আপোনালোকে ক'ব লাগিব দিল্লীত। কেন্দ্ৰীয় চৰকাৰে পইচা দিছে কিন্তু সেই পইচাবিলাক কেনেকৈ দিছে? বানপানী নিয়ন্ত্ৰণৰ কাৰণে যিখিনি পইচা দিছে সেইখিনি শতকৰা এশভাগেই কেন্দ্ৰীয় চৰকাৰে লোণ হিচাপে দিছে, আমাক যদি অনুমতি দিয়ে তেতিয়াহ'লে আমি যদি এই বাননিয়ন্ত্ৰণৰ কাৰণে ৱৰ্ল্ড বেংকৰ ওচৰলৈ যাও তেতিয়াহ'লে ৱৰ্ল্ড বেংক এই ক্ষেত্ৰত আমাক লোণ হিচাপে সহায় কৰিব। কেন্দ্ৰীয় চৰকাৰে আমাক বানপানী নিয়ন্ত্ৰণৰ নামত এনেয়ে এপইচাও দিয়া নাই, লোণ হিচাপেহে দিছে।

বাননিয়ন্ত্ৰনৰ নামত ১০০ ভাগ লোণ হিচাবে দিছেই, আমাৰ বছৰেকীয়া বাজেটৰ কাৰণে সাধাৰণ এলেকাৰ বাবে শতকৰা ৭০ ভাগ টকা লোণ হিচাবে দিছে। অসম চৰকাৰে দাখিল কৰা টি এস পি আঁচনিৰ টকা বিলাক কেন্দ্ৰীয় চৰকাৰে অতি সোনকালে ৰিলিজ কৰিব লাগে আৰু সেইটো নকৰাৰ কাৰণে কংগ্ৰেছ চৰকাৰেই দায়ী, কেন্দ্ৰীয় চৰকাৰে দায়ী, তাৰ কাৰণে গণপৰিষদ চৰকাৰ দায়ী নহয়। শতকৰা ১০০ ভাগ যিটো লোণ হিচাবে দিছে সেইটো কমাই গ্ৰাণ্ট হিচাবে দিব লাগে। আৰু শতকৰা ৭০ ভাগ যিটো লোণ হিচাবে দিছে সেইটো ৯০ ভাগ গ্ৰাণ্ট হিচাবে দিব লাগে। যদি এইটো কৰিব নোৱাৰে তেতিয়াহ'লে এটা কাম কৰক— তেলৰ ৰয়েলটি বৃদ্ধি কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা দিয়ক। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বহুতবাৰ স্মাৰক-পত্ৰ দাখিল কৰিছে। তেলৰ ৰয়েলটি এতিয়া ৩৪২ টকালৈ বৃদ্ধি কৰিব লাগে বুলি আমাৰ ৰাজ্য চৰকাৰৰ

তৰফৰ পৰা মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বহুতো স্মাৰক পত্ৰ দাখিল কৰিছে যদিও কেন্দ্ৰীয় চৰকাৰে তাৰ কোনো উত্তৰ দিয়া নাই। তেলৰ ৰয়েলটি টকা কিয় বৃদ্ধি কৰা নাই, টি এস পি এলেকাৰ কাৰণে বাননিয়ন্ত্ৰণৰ যিবিলাক আঁচনি দাখিল কৰা হৈছে সেইবিলাক গ্ৰাণ্ট এতিয়ালৈকে কিয় হোৱা নাই, বাননিয়ন্ত্ৰণৰ নামত যি শতকৰা ১০০ ভাগ লোণ হিচাবে দিয়ে সেইটো লোণ হিচাবে নিদি কিয় গ্ৰাণ্ট হিচাবে দিয়া নাই আৰু আমাৰ বাজেটত সাধাৰণ এলেকাৰ কাৰণে শতকৰা ৭০ ভাগ লোণৰ পৰিৱৰ্তে শতকৰা ৯০ ভাগ কিয় গ্ৰাণ্ট হিচাবে দিয়া নাই ইত্যাদি বিলাক কথা মাননীয় বিৰোধী পক্ষ্যৰ সদস্যসকলে কেন্দ্ৰীয় চৰকাৰক সোধক। ইয়াত কথা ক'লে বেয়া দেখি আৰু বেয়া শুনি। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য আলটাফ হোচেইন ডাঙৰীয়াই আগতে 'সন্দেহযুক্ত বিদেশী আছিল, এতিয়া সন্দেহযুক্ত মন্ত্ৰী ওলাইছে বুলি কৈছে' আমাৰ ইয়াত কোনো সন্দেহযুক্ত মন্ত্ৰী নাই। সন্দেহযুক্ত মন্ত্ৰী আছে দিল্লীত, প্ৰধানমন্ত্ৰী। আমি জৱাহৰলাল নেহৰু, লাল বাহাদুৰ শাস্ত্ৰী আৰু ইন্দৰা গান্ধী আদি প্ৰধান মন্ত্ৰীৰ নাম শুনিছো, যদিও আমি ইন্দিৰা গান্ধীক বহুত বেয়া কাম কৰা বুলি শুনিছিলো তথাপি সন্দেহযুক্ত প্ৰধানমন্ত্ৰী বুলি শুনা নাছিলো। কিন্তু আজি আমাৰ যিজন প্ৰধানমন্ত্ৰী তেঁৱেই আজি সন্দেহযুক্ত হৈ পৰিছে। আজি আলটাফ হোচেইন মজুমদাৰ, আব্দুল মুহিব মজুমদাৰ, চিলভিয়াছ কন্দপান ইয়াত উপস্থিত নাই। মোৰ কথা শুনি বোধহয় কন্দপান ডাঙৰীয়া সোমাই আহিছে, আপোনালোকে এই কথা বিলাক দিল্লীত গৈ সুধক তেলৰ ৰয়েলটি ইত্যাদি কিয় বঢ়াই দিয়া নাই ইত্যাদি। সেইকাৰণে আপোনালোকে মুখ্য মন্ত্ৰীক আৰু মুখ্য মন্ত্ৰীয়ে দাখিল কৰাৰৰ বাজেটৰ ওপৰত সমালোচনা কৰাৰ গণতান্ত্ৰিক অধিকাৰ থাকিলেও নৈতিক অধিকাৰ নাই। এই বাজেটখনত সৰু সুৰা যদি কিবা দুৰ্বলতা আছেও সেইটো মুখ্য মন্ত্ৰীৰ কাৰণে নহয় অসম গণপৰিষদ চৰকাৰৰ কাৰণে হয়, সেইটো হৈছে কেন্দ্ৰীয় চৰকাৰৰ কাৰণে। মহকুমা পৰিষদৰ বাজেট প্লেনৰ ভিতৰত আৰু ৰাজ্যখনৰ বাজেট For the budget of the Mahakuma Parishad you cannot blame the chief councillor and for the budget of the state you cannot blame the chief Minister. এতিয়া বলটো আমাৰ কোৰ্টত নাই যদি বলটো উলিয়াব খোজে তেতিয়াহ'লে দিল্লীত যাওক তাত বলটো আছে। আমাৰ এই বাজেটখনত মুখ্য মন্ত্ৰী মহোদয়ে অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু পাৰ্বত্য অঞ্চলৰ কাৰণে অধিক টকা ধাৰ্য্য কৰিছে। আমাৰ অসমত জনজাতিয় মানুহ মাত্ৰ ২২ লাখ আৰু তাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে দিছে ৬৩ কোটি টকা ১৪ লাখ টকা। পাৰ্বত্য অঞ্চলৰ কাৰণে ৪৩ কোটি ৫০ লাখ টকা ধৰা হৈছে। সেই কাৰণে মই আশা ৰাখিছো এই বাজেটখন পঢ়াৰ পাচত পি টি চিৰ মাননীয় সদস্য চৰণ নাৰ্জাৰীয়ে উদয়াচলৰ দাবীটো পৰিহাৰ কৰাৰ উপযুক্ত সময় আহিছে বুলি নিশ্চয় ভাবিব। জনজাতিয় ৰাইজৰ কাৰণে আমাৰ বাজেটত যিখিনি টকা ধাৰ্য

কৰা হৈছে তাৰে বহুত কাম হ'ব। আমাৰ ইউ টি এন এল এফ বিনায় খুংগুৰ বসুমতাৰীয়ে দিভাইড আসাম ফিফটি-ফিফটি আৰু কাৰ্বিআংলঙৰ অটোনমাচ ষ্টেটৰ যিবিলাক দাবী মাজে মাজে উঠি আছে সেইবিলাক এতিয়া মিনিংলেচ হৈ গৈছে, সেইবিলাক এতিয়া পৰিহাৰ কৰাৰ উপযুক্ত সময় আহি পৰিছে। মই পুনৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীআব্দুল জেলিল ৰাগিবী ঃ শ্ৰদ্ধেয় উপাধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিত্ত মন্ত্ৰণালয়ৰ দায়িত্বও পালন কৰিছে আৰু তেখেতেঅহা বছৰৰ কাৰণে যিখন বাজেট সদনৰ মজিয়াত উত্থাপন কৰিছে সেই বাজেটখনৰ সম্পৰ্কত ইতিমধ্যে বহুতো আলোচনা-সমালোচনা হৈ গ'ল। মই এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াক সমৰ্থন কৰিছো যে দেশ আৰু জাতিৰ উন্নতিৰ কাৰণে যিমানখিনি টকা বিচৰা হয় সেই টকাখিনি অনুমোদন কৰাত সদনৰ বা সদনৰ মাননীয় সদস্যসকলৰ আপত্তি কৰাৰ যুক্তি নাই। অসমৰ কল্যাণৰ কাৰণে, আমাৰ অধিক টকা মঞ্জুৰী দিয়াত আমি সাজু আছো। কিন্তু আচল কথা হ'ল যিখিনি টকা মঞ্জুৰ কৰা হয় সেই টকাখিনি যাতে উপযুক্ত পৰিমাণে আৰু নিৰ্ভুলভাৱে খৰচ কৰা হয় তাৰ কাৰণে চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগে। এই ক্ষেত্ৰত মাননীয় সদস্য চৰণ নাৰ্জাৰী ডাঙৰীয়াই কৈছে যে টকা খৰচ কৰাৰ ক্ষেত্ৰত খেলিমেলি হৈ থাকে। গতিকে এই খেলিমেলিল বিলাকৰ ওপৰত বিশেষ নজৰ দিয়াটো উচিত। এই ক্ষেত্ৰত অভিযোগ উত্থাপিত হৈয়ে আছে। মই দুটামান অভিযোগৰ কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মঞ্জুৰীকৃত টকাবোৰ অৰ টকা ত'ত খৰচ কৰাৰ এটা অভিযোগ উঠি আছে আৰু এই টকা খৰচ কৰোতে বৈষম্যমূলক নীতি অৱলম্বন কৰা আৰু ডিচক্ৰিমেচন কৰা দেখা গৈছে। ইয়াৰ দ্বাৰা বিশেষ এটা শ্ৰেণীৰ মানুহক উপকৃত কৰা হৈছে আৰু এটা চেকচনক বঞ্চিত কৰা হৈছে। এই ক্ষেত্ৰত মই এটা উদাহৰণ দিব বিচাৰিছো যে, আমাৰ শিক্ষাৰ শিতানত যোৱা বছৰ প্ৰায় ২০০ কোটিটকা অনুমোদন কৰা হৈছিল। সেই টকাখিনি কৰচ কৰোতে বৈষম্য কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত কৈছে যে এই ৰিভাইজড্‌পে স্কেল দিয়া হ'ল, এই ক্ষেত্ৰত আমাৰ অভিযোগ হ'ল অসমত যি কেইখন মাদ্ৰাছা আছে আৰু তাত যি সকল শিক্ষক আৰু কৰ্মচাৰী আছে তেওঁলোকক এই বেনিফিটৰ পৰা বঞ্চিত কৰা হৈছে। এই ক্ষেত্ৰত কাগজে পত্ৰই কিছুমান বাতৰি প্ৰকাশ হৈছে। মই তাৰে এটা বাতৰি সদনৰ সদস্যসকলৰ জ্ঞাতাৰ্থে আৰু মুখ্যমন্ত্ৰীৰ জ্ঞাতাৰ্থে ডাঙি ধৰিব বিচাৰিছো। 'সাদিনীয়া জমিয়ত'ৰ ১০ মাৰ্চ তাৰিখে প্ৰকাশিত বাতৰি মতে অসম চৰকাৰে স্কুল কলেজ তথা বিভিন্ন বিভাগৰ চাকৰিয়ালসকলক ১৯৮১ চনৰ পহিলা জানুৱাৰীৰ পৰাই সংশোধীত নিৰিখত বেতন ভাত্তা আৰু অন্যান্য সা-সুবিধা দিছে। কিন্তু বৰ পৰিতাপৰ বিষয় এই যে অসমৰ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ আঙুলিৰ মূৰত লেখিব পৰা কেইখনমান শিক্ষানুস্থান, আৰবী কলেজ, টাইটেল মাদ্ৰাছা আৰু চিনিয়ৰ মাদ্ৰাছাৰ শিক্ষক আৰু কৰ্মচাৰীসকলৰ প্ৰতি

চৰকাৰে মাহিমাকৰ দৃষ্টিৰে বৈষম্যমূলক আচৰণ কৰি থকা পৰিলক্ষিত হৈছে। কাৰণ আজিলৈকে অসমৰ চৰকাৰে উক্ত অনুষ্ঠানসমূহৰ শিক্ষক আৰু কৰ্মচাৰীসকলক সংশোধীত দৰ্মহাৰ পৰা বঞ্চিত কৰি ৰাখিছে। শিক্ষাৰ শিতানত যিমান টকা অনুদান দিয়া হৈছিল সেইখিনি ব্যয় কৰোতে সম্পূৰ্ণ এটা গোষ্ঠীক বা এটা সম্প্ৰদায়ক যে বঞ্চিত কৰা হৈছে সেইটো অস্বীকাৰ কৰিব নোৱাৰি। এই ক্ষেত্ৰত মাননীয় শিক্ষামন্ত্ৰী যদিও ইয়াত উপস্থিত নাই তথাপি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ জৰিয়তে এই গুৰুত্বপূৰ্ণ কথাটোলৈ দৃষ্টি আকৰ্ষণ কৰি সামৰণি মাৰিলো।

* শ্ৰীবলোভদ্ৰ তামুলী ঃ মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে যোৱা ২৫ মাৰ্চ তাৰিখে বাজেট উত্থাপন কৰি এই সম্পৰ্কত যি বক্তব্য ৰাখিছে সেইখিনিৰ ওপৰত মই দুষাৰমান কথা ক'বলৈ বিচাৰিছো। এই বাজেট বক্তৃতাত যিটো কথা উল্লেখ কৰিছে যে এই বছৰৰ শেষত ৪৩.৭২ কোটি টকা ঘাটি কিয় হ'ব লগা হয়? ইতিমধ্যে বাজেট বক্তৃতাৰ ওপৰত মাননীয় সদস্যসকলে কৈ গৈছে মই কেইটামান দিশৰ ওপৰত আলোচনা কৰিব বিচাৰিছো। সেই কেইটা হৈছে অসম চৰকাৰৰ ৰাজহ সংগ্ৰহৰ যিটো স্কীম বা ক্ষমতা সেইটো অতি সীমিত। কিন্তু দুটা পথেৰে আমাৰ ৰাজ্যখনৰ উন্নয়নত আগবঢ়াই নিব লাগিব। সেই কাৰণে আমি যোৱা বছৰ বিভিন্ন শিতানত কেনে ধৰণেৰে কাম কৰি গৈছে আৰু আগন্তুক বছৰত কেনে ধৰণেৰে কাম কৰিম সেইখিনি অতি সুন্দৰভাৱে ইয়াত প্ৰকাশ কৰিছে। আমাৰ মাননীয় সদস্য শ্ৰী নৰহ ডাঙৰীয়াই কৈছে যে বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি কাম কৰিছে কেন্দ্ৰীয় চৰকাৰে আন ৰাজ্যৰ কাৰণেহে কৰিছে। আমাৰ ৰাজ্যত কৃষিৰ সমস্যা হৈছে বানপানী আৰু গড়াখহনীয়া। এই বানপানী আৰু গড়াখহনীয়াৰ বাবে আমি যি ধন কেন্দ্ৰৰ পৰা পাও তাক ঋণ হিচাপে দিয়াৰহে ব্যৱস্থা আছে। এই ব্যৱস্থাৰ অৱসান ঘটাব নোৱাৰিলে কেতিয়াও অৰ্থনৈতিক দিশ শক্তিশালী কৰিব নোৱাৰি। শ্ৰী নৰহ ডাঙৰীয়াৰ দৰে ময়ো ক'ব খোজো যে বানপানী আৰু গড়াখহনীয়াৰ ক্ষেত্ৰত ঋণ পদ্ধতি পৰিবৰ্তন কৰিব লাগে। তাৰোপৰি কোনো কোনো ক্ষেত্ৰত বিশেষকৈ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে আমাৰ চৰকাৰে ষ্টেত প্লেনৰ বাজেট ল'ব লাগে। গড়াখহনীয়া হৈছে বুলি হাত সাৱতি বহি থাকিলে আমাক গড়াখহনীয়াই আৰু নিঃশকতিয়াহে কৰিব।

অসমত ৰাজহ সংগ্ৰহৰ দুটা দিশ আছে বুলি মই ভাবো। এটা হৈছে আৱকাৰী দিশ। অসমত আবকাৰী বিভাগৰ অধীনত কিছুমান ড্ৰাই এলেকা আছে। সেইবিলাকত যি ধৰণেৰে মদ নিবাৰণ হ'ব লাগে সেই ধৰণেৰে হোৱা নাই। আমাৰ আৱকাৰী বিভাগটোত কিছুমানে ব্যক্তিগতভাৱে সুবিধা কৰি আছে বুলি মাননীয় বিৰোধী পক্ষৰ সদস্যই কৈছে। গতিকে এই ড্ৰাই চিচটেম নাইকীয়া কৰিব লাগে। কিয়নো ড্ৰাই এৰিয়া বিলাকতো অবাধে মদৰ প্ৰচলন

---

* Speech not Corrected

হৈ আছে। আমি দেখিবলৈ পাইছো গাঁও অঞ্চলবিলাকত সদায় চুলাই মদ চলি আছে। সেই বিলাকত টেক্স লগাই আমি ৰাজহ বৃদ্ধি কৰিব পাৰো। এই দেশী মদ বিলাকে জনসাধাৰণক অপকাৰহে কৰিছে। আইন বদলি কৰিব লাগে। মদাহী মানুহক শাস্তি দিব লাগে। অবৈধ মদ বিক্ৰীকাৰীক ২০/৩০ টকা জৰিমনা বা ১ দিন জেল দিয়াৰ পৰিৱৰ্তে শাস্তি বিহিব লাগে। আমাৰ বহুত যুৱক-যুৱতী অধঃপতন হৈছে ড্ৰাগ এডিকটেট হৈ। এই আৱকাৰী বিভাগটোৰ পৰা যিহেতু যথেষ্ট ৰাজহ সংগ্ৰহ কৰাৰ উপায় আছে সেয়েহে তাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া মই বন বিভাগৰ বিষয়ে ক'বলৈ ওলাইছো। বন বিভাগত দেখিবলৈ পাইছো যে লাহে লাহে কেন্দ্ৰীয় চৰকাৰে আমাৰ পৰা কিছু ৰাজহ সৰকাই লৈ গৈ আছে। বন বিভাগৰ পৰা ৰাজহ সংগ্ৰহ কৰা দুটা উপায় আছে— এটা হৈছে হাতী দাঁত আৰু আনটো হৈছে গড়ৰ খৰ্গ। আগতে হাতী দাঁতৰ উদ্যোগ আছিল। কিন্তু এতিয়া সেইটো ধ্বংস হৈ গৈছে। এই হাতীদাঁত আৰু গড়ৰ খৰ্গ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বিক্ৰী কৰাৰ ব্যৱস্থা ল'ব লাগে। এই বন বিভাগৰে কিছুমান ঠাইত বহুৰকমৰ বনৌষধী গছ আছে। বৰ্তমান সেইবোৰ ধ্বংস হৈ গৈছে। আমাৰ বনাঞ্চলত নেফাফু বুলি এবিধ বনৌষধী গছ আছে। জনজাতীয় সকলে তাক তৰকাৰী কৰি খায়। সেই কাৰণে তেওঁলোকৰ হাই ব্লাড প্ৰেচাৰ কম। এনেধৰণৰ আপুৰুগীয়া সম্পদ বনবিভাগে সংৰক্ষণ কৰাৰ ব্যৱস্থা ল'ব লাগে। আৰু সেই বিলাকৰ কিছুমান ফাৰ্ম কৰি ৰাজহ বদ্ধি কৰিব পৰা যায়।

নিবনুৱা সমস্যা আমাৰ দেশত এটা ডাঙৰ সমস্যা হৈছে। নিবনুৱা সমস্যাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব যাতে তেওঁলোকক নিয়োগ কৰিব পাৰি। কৃষিৰ ক্ষেত্ৰত উদ্যোগৰ সম্প্ৰসাৰণ ঘটাব লাগে। কেঁচামালৰ ওপৰত ভিত্তি কৰি উদ্যোগ বিলাক গঢ়িব লাগে। যদিও ড়ি আই, চি, ঋণ লোৱাৰ ব্যৱস্থা আছে তাতো কেৰোণ সোমাই গৈছে। এই দিশত পলিটিকেল ৰিহাবিলিটেচন হৈ গৈছিল। কিছুমান ডেকাক ৰাজনৈতিক দল বিলাকে ঋণ দি সংগঠক হিচাবে ৰখা হৈছিল। বৰ্তমান যুৱকসকলক প্ৰকৃততে যাতে নিয়োগ কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। কিছুমান অঞ্চলত উদ্যোগৰ সৰু সৰু গোট চৰকাৰৰ ফালৰ পৰা তৈয়াৰ কৰিব লাগে। আগ্ৰহী ল'ৰা বিলাকক বিচাৰি উলিয়াব লাগে। যদি কিছুমান যুৱক-যুৱতীক এইদৰে নিয়োগ কৰিব পৰা যায় তেতিয়া নিবনুৱা সমস্যা কিছু সমাধান হ'ব বুলি মই ভাবো।

এইখিনি কথা বাজেট বক্তৃতাত পৰামৰ্শ হিচাপে ডাঙি ধৰি মাননীয় মুখ্যমন্ত্ৰী

* Speech not Corrected

মহোদয়ে যি বাজেট বক্তৃতা উত্থাপন কৰিছে সেইখিনিক আদৰণি জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Deputy Speaker : Next Shri Kusumbar Tairai (Gogoi)

* শ্ৰীকুসুম্বৰ টাইৰাই গগৈ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে ১৯৮৮-৮৯ চনৰ কাৰণে যিখন বাজেট উত্থাপন কৰিছে প্ৰকৃতাৰ্থত সেই বাজেটখন অসমৰ জনসাধাৰণক প্ৰতিনিধিত্ব কৰিব পৰাকৈ সকলো কেইটা দিশ সামৰি অৰ্থ সম্পদৰ দিশত গুৰুত্ব দি এখন সম্পূৰ্ণ বাজেট উত্থাপন কৰিছে বুলি কৈ তাক মই পূৰ্ণ সমৰ্থন জনাইছো। অৱশ্যে সদনৰ বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে বাজেটৰ উৎকৰ্ষতাৰ ওপৰত গুৰুত্ব নিদি বিৰোধী পক্ষৰ সদস্যসকলে বাজেটৰ বিৰোধীতা কৰি উদয়াচলৰ ওপৰত গুৰুত্ব দিয়ে, আহোমৰ কথা চিন্তা কৰে, ট্ৰাইবেলৰ কথা চিন্তা কৰে, তেতিয়া হ'লে প্ৰকৃতাৰ্থত আমি বাজেটখন কৰিব নোৱাৰিম। এই বাজেটখন সকলো কালতে, সকলো দিশকে সামৰি এখন পূৰ্ণাঙ্গ বাজেট তৈয়াৰ হৈছে নে নাই এই বিষয়ে গঠনমূলক সমালোচনা কৰি আগবাঢ়িব লাগে। অৱশ্যে এটা কথা ক'ব লাগিব যে বৰ্তমান ১৯৮৮-৮৯ চনৰ কাৰণে যিখন বাজেট অহা কালিৰ পৰা আৰম্ভ হ'ব সেই বিষয়ে ক'ব বিচাৰিছো। মই যোৱা বাজেট অধিবেশন কাৰ্যসূচীত যিখিনি আঁচনি সম্পূৰ্ণ কৰা হৈছে সেইটো ক'ব বিচাৰা নাই। আমাৰ কিছুমান বিভাগত স্কীম অসম্পূৰ্ণ হৈ আছে। সেই স্কীমসমূহ অনতি পলমে সম্পূৰ্ণ কৰাৰ কাৰণে বিৰোধী পক্ষৰ সদস্যসকলে পৰামৰ্শ আগবঢ়াইছে। এতিয়া আমাৰ বিত্তীয় বছৰ শেষ হৈছে। যোৱা বছৰ স্কীমৰ কাম সময়মতে কৰিব নোৱাৰাৰ কাৰণে টকা ঘূৰাই দিবলগীয়া হৈছে। এইবাৰো যদি আঁচনি সমূহত সময় মতে টকা খৰছ কৰিব নোৱাৰিলে, তেতিয়া হ'ল টকা ঘূৰাই দিব লাগিব। আজি বিৰোধী পক্ষৰ সদস্যসকলে এটা কথা কৈছে যে মাৰ্চ শেষ হোৱাৰ সময়ত নিশালৈকে কাম কৰিব লাগিব। বিভিন্ন বিভাগৰ আঁচনি অনুসৰি টকা খৰছ নহোৱাৰ কাৰণে এতিয়া সময় মুৰকত এইটো কৰিবলগা হৈছে। এনে ধৰণে কোনো প্লেন ইস্তিমেট নকৰাকৈ, এড্‌মিনিষ্ট্ৰেটিভ এপ্ৰোভেল নহোৱাকৈ মাৰ্চ শেষ হোৱাৰ সময়ত টকা হিচাব নকৰাকৈ খৰছ কৰাতকৈ ঘূৰাই দিয়াই ভাল।

মূল্য বৃদ্ধিৰ ক্ষেত্ৰত ডিমাণ্ড আৰু ছাপ্লায়ৰ ওপৰত নিৰ্ভৰ কৰে। যোগান আৰু চাহিদা অনুসৰি বস্তুৰ মূল্য কম হয়। আমাৰ ইয়াত বস্তু বাহানিৰ দাম বঢ়াৰ কথা আছে। ট্ৰেন্সপোৰটেচন, বানপানী ইত্যাদিৰ অসুবিধাৰ বাবে বহু সময়ত বস্তুৰ দাম বৃদ্ধি হোৱাটো পৰিলক্ষিত হৈছে। এইটো কেৱল অসমৰ ক্ষেত্ৰতে নহয়, সমগ্ৰ ভাৰতবৰ্ষতে জৰিত হৈ আছে।

এই বাজেটখনত কৃষি বিভাগৰ সকলো আঁচনি সামৰি লোৱা হৈছে। ইয়াত কৃষিৰ

---

* Speech not Corrected

কথাটো বিশেষভাৱে প্ৰতিফলিত হৈছে। বিগত চৰকাৰৰ দিনত যেনেকৈ কৃষিৰ কাৰণে পৰিকল্পনা আৰু আঁচনি লোৱা হোৱা নাছিল, সেইখিনি আজি নতুন গণ পৰিষদ চৰকাৰৰ দিনত বিজ্ঞানসন্মতভাৱে নতুন আঁচনি ৰূপায়ণ কৰি কৃষিৰ উন্নতিৰ কাৰণে এই বাজেটত প্ৰকাশ পাইছে। সেইদৰে উদ্যোগ আৰু বনজ সম্পদ, খনিজ সম্পদ আদিৰ পৰা প্ৰকৃতাৰ্থত ৰাজহ পাবৰ কাৰণে চৰকাৰে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্তমান চৰকাৰে বনজ সম্পদ সংৰক্ষণৰ কাৰণে ব্যৱস্থা ল'বলগীয়া হৈছে। বনজ সম্পদ সংৰক্ষণ কৰিব যাওঁতে ভূমিপুত্ৰ সকলক উচ্ছেদ কৰা হৈছে বুলি বিৰোধী পক্ষই প্ৰতিবাদ কৰিছে। বন সম্পদ আমাৰ সমাজ ব্যৱস্থাৰলগত জৰিত হৈ আছে। বন সংৰক্ষণ কৰিব লগা হ'লে নীতিগতভাৱে বেদখলকাৰীক উচ্ছেদ কৰিব লাগিব।

অসমত কয়লা, চুণশিল আদিৰ কাৰণে খনিজ বিভাগে যথেষ্ট ব্যৱস্থা লোৱাটো এই বাজেটৰ জৰিয়তে মুখ্য মন্ত্ৰী মহোদয়ে ইয়াত মতামত প্ৰকাশ কৰিছে। সেইদৰে বিদ্যুৎৰ কথাও ক'ব লাগিব। বিদ্যুতৰ নাটনিৰ ক্ষেত্ৰত আমি বিশেষ গুৰুত্ব দিব লাগিব। উদ্যোগৰ ক্ষেত্ৰত আমি যথেষ্ট পৰিমাণে বিজুলী যোগান দিব পৰা নাই। দীৰ্ঘ ম্যাদী পৰিকল্পনাৰ অভাবৰ কাৰণে গ্ৰাম্য অঞ্চলত বিজুলী যোগান সম্ভৱপৰ হোৱা নাই। বিজ্ঞান সন্মতভাৱে দীৰ্ঘ ম্যাদী পৰিকল্পনা কৰিব লাগে। অসমত বিজুলী শক্তি কিমান উৎপাদন হয় তাৰ প্ৰতি লক্ষ্য ৰাখি আমি কাম হাতত ল'ব লাগে। ব্যক্তিগত উদ্যোগ খণ্ডত বিজুলী সৰহবৰাহ কেতিয়াও বন্ধ নহয়। কিন্তু চৰকাৰী উদ্যোগসমূহত বিজুলী সৰবৰাহ সদায় অনিয়মিয়া হোৱা দেখা যায়। এইটো অনুসন্ধান কৰিবলগীয়া বিষয়। চৰকাৰে ইয়াক গুৰুত্ব দিব লাগে।

চাহ, কয়লা, তেলৰ ৰয়েলটি আদিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ কৰিছে। এইবিলাক চৰকাৰে গুৰুত্ব দিব লাগে। আনহাতে ২৮০ মেগাৱাট শক্তি সম্পন্ন কঠালগুৰি প্ৰকল্পটো নেপকোক নিদিয়াৰ কাৰণে জনসাধাৰণৰ ওপৰত বোজা বাঢ়িব।

গতিকে এই বাজেটৰ জৰিয়তে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসমৰ যিবিলাক উদ্যোগ আছে, সেইবিলাক যাতে কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ নকৰে তাৰ প্ৰতি ৰাজ্য চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগে।

গতিকে মই এই আলোচনাৰ যোগেদি মাননীয় মুখ্য মন্ত্ৰীৰ দৃষ্টি এইটো কথাৰ প্ৰতি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ অসমত যিবিলাক তেল ভিত্তিক উদ্যোগ আছে সেইবিলাকৰ গৰাকী যাতে কেন্দ্ৰীয় চৰকাৰক হবলৈ নিদিয়ে। এইবিলাকৰ দায়িত্ব অসম চৰকাৰেই বহন কৰিব লাগিব। অসমত উৎপাদিত হোৱা বিজুলী শক্তি অসমৰ বাহিৰলৈ লৈ যাব আৰু অসম বিজুলী শক্তিৰ নাটনিৰ সন্মুখীন হ'ব সেইটো হ'বলৈ দিয়া উচিত নহয়। এই বিষয়ত চৰকাৰে গুৰুত্ব দিব লাগে।

ইয়াৰ পিচত মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই এটা কথা কৈ গৈছে সেইটো

হৈছে জনজাতি, পাৰ্বত জনজাতি, অনুসূচীত জনজাতিৰ ক্ষেত্ৰত। তেখেতে হিচাব কৰি সংখ্য পৰ্যন্ত দাঙি ধৰিছে। অসমত তেইশ লাখ জনজাতীয় লোকৰ তুলনাত অধিক টকা এই শিতানত খৰছ কৰিবৰ কাৰণে মুখ্য মন্ত্ৰীয়ে ধাৰ্য্য কৰিছে। বিৰোধী সদস্যই জনজাতি, পাৰ্বত্য জনজাতি আৰু অনুসূচীত জাতিক এই বাজেজৰ জৰিয়তে বঞ্চিত কৰা হৈছে বুলি কোৱাৰ কোনো যুক্তি নাই বুলি ভাবো। বাজেটত জনজাতি, পাৰ্বত্য জনজাতি আৰু অনুসূচীত জাতিৰ কাৰণে যি টকা ধৰিছে সেইটো ভাল হৈছে আৰু ভাল ভাবেই এই কথাটো উপলব্ধি কৰিব লাগিব। ইয়াত যিখন বাজেট উত্থাপন কৰা হৈছে সেইখন জনপ্ৰতিনিধিত্ব কৰিব পৰাকৈ কৰা হৈছে। জনসাধাৰণৰ প্ৰতিনিধি হিচাপে তেখেতসকলে পৰামৰ্শ দাঙি ধৰিব পাৰে এই অধিকাৰ তেওঁলোকৰ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, নিয়োগৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে আমাৰ ৰাজ্যখনত নিবনুৱা সমস্যা এটা গুৰুতৰ সমস্যা হৈ পৰিছে সেইটো কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু আমি কেনেধৰণেৰে এই সমস্যা সমাধানৰ ব্যৱস্থা লৈছো? নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে নতুন উদ্যোগনীতি গ্ৰহণ কৰা হৈছে। নতুন নতুন উদ্যোগ গঢ়ি নিবনুৱা সমস্যা আংশিকভাৱে সমাধান কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত বহুত হাজাৰ নিবনুৱাক নিযুক্তি দিব পৰা হ'ব। বিৰোধী পক্ষৰ সদস্যসকলে জানে যে অত্যাধিক যি নিবনুৱা সমস্যা হৈছে ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰো দায়ী। অসমত যি বিলাক কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ আছে সেই বিলাকত আজি ৫ বছৰে নিযুক্তি আঁচনি কাৰ্যকৰী কৰা নাই। যোৱা ৫ বছৰ ধৰি কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগবিলাকে নিয়োগৰ ব্যৱস্থা কৰা নাই। গতিকে আমি আশা ৰাখিছো যে মাননীয় মুখ্যমন্ত্ৰীয়ে বিভাগীয় মন্ত্ৰীৰ জৰিয়তে কেন্দ্ৰীয় উদ্যোগ বিলাকত যোৱা ৫ বছৰে নিযুক্তি নোহোৱাৰ কাৰণে তাত যিমান বিলাক পদ খালি আছে সেই বিলাকত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(সময়ৰ সংকেট)

মোৰ বহুত ক'ব লগিয়া আছিল যদিও সময়ৰ অভাৱত ক'ব নোৱাৰি মই মুঠতে ইয়াকে ক'ব বিচাৰিছো ১৯৮৮-৮৯ চনৰ কাৰণে যি ধন বাজেট দাঙি ধৰিছে এইখন এখন শক্তিশালী জনপ্ৰতিনিধিত্ব কৰিব পৰা বাজেট বুলি ক'বই লাগিব। আশা ৰাখিছো যে এই বাজেটে জনসাধাৰণক প্ৰতিনিধিত্ব কৰিব। জনজাতি, পাৰ্বত্য জাতি বা অনুসূচীত জাতি ইয়াত ক্ষুণ্ণ হ'বলগীয়া একো কাৰণ নাই। মই মুখ্য মন্ত্ৰীৰ জৰিয়তে বিভাগীয় মন্ত্ৰীসকলক অনুৰোধ জনাইছো যাতে তেখেতসকলে বিভাগীয় বিষয়াসকলৰ সহযোগত কাম কৰিলে আমি এই বাজেটৰ নিশ্চয় সুফল পাম। আমাৰ ৰাইজে প্ৰতিনিধিত্ব পাব আৰু আমাৰ দেশখনত আগবঢ়াই লৈ যাব পাৰিম। ১৯৮৮-৮৯ চনৰ কাৰণে যিখন বাজেট উত্থাপন কৰিছে সেইখন ভাল জনসাধাৰণক প্ৰতিনিধিত্ব কৰিব পৰা বাজেট হোৱাৰ কাৰণে এই বাজেটৰ

প্ৰতি অসমৰ্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীকৰ্ণেন্দু ভট্টাচাৰ্য্য ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয় গত ২৫ মাৰ্চ তারিখে যে বাজেট এই বিধানসভায় উত্থাপন করেছেন সেই বাজেট কর বিহীন বাজেট এবং সেখানে ২৪৩ কোটী টাকার ঘাটতি রয়েছে। এই বাটে আসামের সাধারণ মানুষের আশা-আকাংখা প্রতিফলিত হয়নি বলে আমি মনে করি। মহোদয়, এই বাজেট ঘাটতি হয়ার জন্য শাসকদলের সদস্যগণ বিশেষ করে মাননীয় সদস্য শ্ৰী ভরত নরহ কেন্দ্ৰীয় সরকারকে দোষারূপ করেছেন। কিন্তু আমি বলতে চাই যে এটা একটা ব্যৱস্থা যা সারা ভারতবর্ষে সকল রাজ্যের ক্ষেত্রেই সমান ভাবে প্রযোজ্য। কেৱল আসামের বেলায় এই নীতি গ্রহণ করা হয়নি। আজ সমস্ত ভাৰতবৰ্ষের সকল রাজ্যকেই একটা অংশ ঋণের মাধ্যমে কেন্দ্রের কাছ থেকে গ্রহণ করতে হয়। কিন্তু প্রশ্ন হলো এই টাকা রাজ্য সরকার কি ভাবে খরচ করছে। এই সরকার গঠিত হওয়ার পর কেন্দ্রীয় চরকাৰে অনেক টাকা দিয়েছে। যদিও বলা হচ্ছে যে এই টাকা ঋণ হিসাবে দেওয়া হয়েছে। কিন্তু অর্থ বণ্টনের ব্যাপারে এটাই নীতি। যদি কেন্দ্রের কাছ থেকে রাজ্যগুলি আৰও বেশী ক্ষমতা আনতে পারে তাহলে অন্য কথা। একটা কথা লক্ষ্য করার মতো যে সি পি এম দলের মাননীয় সদস্য শ্ৰী হেমেন দাস যিনি কেন্দ্রীয় সরকারের সমালোচনা করেন তিনিও গতকাল এই বিধান সভায় বলেছেন যে আসাম রাজ্য সরকারের স্টেগুিং ইন্‌কাম দিনে দিনে নাছে। এটার জন্য কেন্দ্রীয় সরকারকে দোষারোপ করলে হবে না। রাজীৱ গান্ধীকে দোষারোপ করলে চলবে না। সরকার পক্ষ থেকে বলা হয়েছে যে আপনারা বিরোধীরা আপনাদের রাজীৱ গান্ধীকে গিয় বলুন। নিশ্চয়ই যাব। আসামের স্বার্থে নিশ্চয়ই দলমত নির্বিশেষে কেন্দ্রর কাছে আমরা দাবী আদায় করতে যাব। কিন্তু রাজ্যের অর্থ যেখানে সেখানে যে ভাৱে অপচয় হচ্ছে— সে সম্পর্কে নিশ্চই এই সদনে আলোচনা করব। মহোদয়, ১৯৮৬ ইংরাজীতে এ বিধান সভায় মুখ্যমন্ত্রী মহোদয় রাজ্য সরকারের উদ্যোগ নীতি ঘোষণা করে বলেছিলেন যে ১০ হাজার বেকার যুৱককে সংস্থাপন করা হবে। আমার প্রশ্ন হ'লো যে ১০ হাজার ুৱককে কি সত্যিই সংস্থাপন করা হয়ে গছে? আমার জানা মতে গ্রাম্যঞ্চলে সাধারণ বেকার যুৱকরা ঘুষনা দিলে উদ্যোগ বিভাগ, ব্যাংক ইত্যাদি থেকে কোনও সাহায্য পায় না, ঋণের টাকা পায় না। অন্য দিকে মুখ্যমন্ত্রী মহোদয় বলেছেন যে ১৯৮৮-৮৯ ইংতে ৩৫ হাজার বেকার যুৱকের সংস্থাপন হবে। কিন্তু আমার প্রশ্ন হলো যে ডিগবৈ উদ্যোগে কাদেরে সংস্থাপন দেওয়া হয়ছে। কেপিটেলিস্টদেরে। বিদেশী বিতাড়ণ আৰু আই এম ডি টি এক্টর কথা বলে রাজ্যের সমস্ত মানুষকে বিভ্রান্ত করে আপনারা এসব করছেন। কেন্দ্রীয় সরকারের উপর সব দোষ চাপানোর চেষ্টা করছেন। মাননীয় সদস্য শ্ৰী কিরণ গগৈ গতকাল বলেছেন সবাই

* Speech Not Corrected

মিলে কেন্দ্রীয় সরকারের উপর যেন চাপ দেওয়া যায়। আমি বলব, শ্চিয়ই। কারণ ব্রহ্মপুত্র এবং বরাক নদী আসামের অভিশাপ। এই ব্যাপারে ঋণ নয়, সম্পূর্ণ অর্থ কেন্দ্রীয় সাহায্য হিসাবে দেতে আমরা দলমত নির্বিশেষে সকলে কেন্দ্রীয় সরকারকে চাপ দিতে রাজী আছি।

মহোদয়, আজি আমরা শিক্ষা বিভাগের দিকে যদি তাকাই তাইল দেখতে পাই যে ভি পি আই থেকে আরম্ভকরে ডি আই অফিস সর্বত্র দুর্নীতি। এটা আমরা কংগ্রেসীরা বলছি না। আপনাদের আসুও একথা বলছে। সূতরাং কেবল শিক্ষাবিভাগের আমুল পরিবর্তন করার জন্য বড় বড় নীতি গ্রহণের কথা বললে চলবে না। ফলো আপ একশন নিতে হবে। নতুনবা কংগ্রেস সরকারই হুউক, গণ পরিষদ সরকারই হুউক- কেউই দুর্নীতি বন্ধ করতে প্যারবে না। কেবল কংগ্রেসীদের দোয় দিলেই দুর্নীতি বন্ধ হবে না।

মহোদয়, কৃষিবিভাগের ব্যাপারে দেকা গেছে যে সম্পূর্ণভাৱে আমাদের কেন্দ্রের উপর নির্ভর করতে হচেছ কাৰণ বাইরর থেকে চাল না আসলে আমাদের ছলে না। আপনারা আড়াই বস্তর ধরে রাজ্য শাসন করছেন- কংগ্রেসের দোষ দেখছেন কিন্তু এই আড়াই বছরে আড়াই ছটাক চাউল উৎপাদন বৃদ্ধি করতে আপনারা কি পেরেছেন? আপনারা নিজের বিবেকে কে জিজ্ঞাসা করুন। আপনারা পরিকল্পনা করেছেন- কিন্তু উন্নতি কি করেছেন? বলা হয়েছে যে কৃষকদেরে ঋণ দেওয়া হবে। সারা আসামে কতজন কৃষককে ঋণ দিয়েছেন এই আড়াই বছৰে?

মহোদয়, আমাদের রাজ্যে ৩ টা মেডিকেল কলেজ রয়েছে। শিলচর, গৌহাটী, এবং আসাম মেডিকেলকলেজ, ডিব্রুগড়। এই তিনটা মেডিকেল কলেজের জন্য কেন্দ্রীয় সরকার প্রচুর টাকা দিচ্ছে। কিন্তু শাসক দল সেই টাকা কি ভাবে খরচ করছেন? শিলচর মেডিকেল কলেজে এক্সরে করার ব্যৱস্থা নাই, সেলাইন নাই, সাধারণ ঔষধের ব্যৱস্থা নাই। কংগ্রেসের আমলে এসব অব্যৱস্থার অপবাদ আপনারা দেন কিন্তু আপনাদের আমলে কি হয়েছো এইতো অৱস্থা। যে দিকে তাকাই ভয়াবহ অবস্থা। কিন্তু আপনারা নিজের এই কাজকে ঢাকবার জন্য সমস্ত দোষ কেন্দ্রের ঘাড়ে চাপাচ্ছেন। আজ এই সদনে মাননীয় সদস্য শ্রীনরেন তাঁতির আই এম ডি টি ক্টের ব্যাপারেপ্রশ্নেৰ উত্তরে মুখ্যমন্ত্রী মহোদয় বলেছেন যে না আমাদের সঙ্গে কেন্দ্রীয় সরকারের কোন আলোচনা হয়নি। আপনারা কথায় কথায় বলেন কেন্দ্রীয় সরকার রাজ্য সরকারকে বঞ্চিত করছে। কিন্তু আমি আপনারা কি করছেন তা বলতে চাই। বিগত ১৯৮৬ ইংর বিধ্বংসী বন্যার সময় কাছাড় জেলায় ত্রাণেৰ জন্য ২৫ লক্ষ টাকা আপনারা খরচ না করে কেন ফিরিয়ে এনেছিলেন? কেন এই রকম বৈষম্য আপনারা কাছাড়ের ক্ষেত্রে করেছিলেন? আপনারা গণতান্ত্রিক পদ্ধতিতে ক্ষমতায় এসেছেন। কাছাড়ে আপনাদের দলের সদস্য নেই বলে তো আর এমন বৈষম্য

করতে পারেন না। কাজেই উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত তথা মুখ্যমন্ত্রী মহোদয় এই সদনে যে বাজেট পেশ করেছেন এই টাকা খরচ করার সময় যাতে কোনও বৈষম্য বা অপচয় না হয় এই দিকে দৃষ্টি আকর্ষণ করছি।

মহোদয়, সরকার পক্ষ চারিদিকে চক্রান্ত চলছে বলে দুঃস্বপ্ন দেখছেন। কিন্তু তাদেৰ আমলে কি হচ্ছে? এই জাগীরোড পেপার মিলে বাহরে থেকে নিয়োগ করা হচ্ছে। অথচ আমাদের রাজ্যে শতশত ইঞ্জিনীয়ার বেকার পড়ে আছে। কাছাড় পেপার মিলে ২৪ জন ইঞ্জিনীয়ার আসামের বাইরে থেকে আনা হয়েছে। এই ব্যাপারে কি রাজ্য সরকারের দায়িত্বর নাই। কাজেই দেখা যাচ্ছে যে জনসাধারনে আশা-আকাংখা পূরনের ক্ষেত্রে আপনারা ব্যর্থ হয়েছেন। তাছাডা বাজেটে যে ঘাটতি বুয়েছে তা কি ভাবে পূরণ করবেন এই বিষয়েও কোন ইংগিত বাজেটে নাই। এগুলো ব্যাপার সরকার বিশেষ ভাবে দেখবেন। এই আশা করে আমি আার বক্তব্য শেষ করছি।

* শ্ৰীদিলীপ শইকীয়া ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ১৯৮৮-৮৯ চনৰ কাৰণে যিখন বাজেট উত্থাপন কৰিছে তাক আন্তৰিকতাৰে আদৰণি জনাইছো। এই বাজেটখনৰ প্ৰথমতে কৈছে যে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিম। বিদেশী নাগৰিক চিনাক্ত আৰু বহিষ্কাৰ কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষৰ সদস্যসকলৰ ফালৰ পৰা সহায় সহযোগিতা কৰিবলৈ আহ্বান জনাইছো। বিশেষকৈ আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰে কৈছে যে এইখন জনসাধাৰণৰ বাজেট নহয়। মই কওঁ এইখন জনতাৰ বাজেট। জনমুখী এই বাজেটখন প্ৰস্তুত কৰা হৈছে। এই বাজেটখনত সকলো দিশ সামৰি লোৱা হৈছে। তেখেতে কব লাগিছিল আচলতে কেন্দ্ৰই অসমক অৰ্থনৈতিকভাৱে শোষণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে অসমৰ তেল, চাহপাত, মৰাপাট আদিৰ বিনিময়ত প্ৰতি বছৰে ২৪ শ কোটি টকা ইয়াৰ পৰা লুণ্ঠন কৰি লৈ গৈছে। তাৰ বিনিময়ত অসম চৰকাৰে অসমৰ সৰ্বাঙ্গীন উন্নয়ণৰ কাৰণে শদিয়াৰ পৰা ধুবুৰীলৈ ৬১০ কোটি টকাৰ ৭০ ভাগ আৰু শতকৰা ৩০ ভাগ গ্ৰান্ট হিচাপে পায়। এতিয়া নিজে বিচাৰ কৰক কোনে কাক শোষণ কৰিছে? কেন্দ্ৰীয় চৰকাৰে অসমখনক অৰ্থনৈতিকভাৱে শোষণ কৰিছে, ইয়াৰ প্ৰতিবাদ কৰিব লাগে। তাৰ প্ৰতিবাদ দিল্লীত কৰিব লাগে। আপোনালোকৰ দলৰ প্ৰধান মন্ত্ৰীক ক'ব লাগে।

সি যি কি নহওক এই বাজেটখনত সকলো দিশ সামৰি লোৱা হৈছে। জনজাতীয় সকলৰ কাৰণে সবাতোকৈ বেচি টকা ধাৰ্য্য কৰিছে। কৰ্মচাৰীসকলৰ বাবে দৰমহা আয়োগৰ কথা মুখ্য মন্ত্ৰীয়ে চিন্তা কৰিছে। এই বাজেটত উত্থাপন কৰিছে যে বেংকৰ জৰিয়তে পেন্সনৰ ব্যৱস্থা হ'ব। এই কাম নিশ্চয় প্ৰশংসা কৰিব লাগিব। আমাৰ সীমাবিবাদৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগে। যোৱাকালি আকৌ পেপাৰত লিখিছে যে অসম সীমান্তত

* Speech not Corrected

গোলাঘাটত নগাৰ ভাবুকি। চৰকাৰে এটা স্পষ্ট নীতি লৈ এই সীমা বিবাদ সমস্যাৰ কেনেকৈ সমাধান কৰিব পাৰি তাৰ বাবে বিশেষ লক্ষ্য ৰাখিব লাগিব। মই আশা ৰাখিছো বিৰোধী পক্ষৰ সদস্যসকলেও এই সমস্যা সমাধানৰ ক্ষেত্ৰত আগভাগ ল'ব। শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে চকু দিছে। যোৱা ২৯ মাৰ্চৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা অসমৰ বিভিন্ন স্কুলত হৈছে। কাগজে পত্ৰে পঢ়িবলৈ পাইছো যে কোনোবা ছাত্ৰই শিক্ষকক চুৰীৰে আঘাত কৰি অপদস্থ কৰিছে। নকল দিবৰ বাবে মাকে কেঁচুৰা লৈ নকল যোগান ধৰিছে। বৰ্খাস্ত কৰাত মানুহে জাঠি, জুং লৈ গৈছে আৰু কৈছে পৰীক্ষা দিবলৈ দিব নে নিদিয়ে। ইনভিজিলেটৰে পৰীক্ষা দিবলৈ দিয়া হ'ব, আপোনালোক যাওক বুলি কোৱাত তেওঁলোক গুচি গৈছে। গতিকে দীঘলীয়া প্ৰশ্ন নকৰি অবজেকটিভ ধৰণৰ প্ৰশ্ন কৰিলে নকল কৰাটো কমি যাব বুলি ভাবো। বৈজ্ঞানিক পদ্ধতিত এই ব্যৱস্থাবিলাক হ'লে শিক্ষকে পঢ়াবলৈ বাধ্য হ'ব আৰু ছাত্ৰও পঢ়িব লাগিব। এনে ধৰণৰ চিন্তা কৰি ব্যৱস্থা ল'বলৈ পৰামৰ্শ আগবঢ়ালো। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যিটো পাঠ্যক্ৰম আছে, তাত দেখা যায় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে বেছিকৈ পঢ়িব লাগে। এই পাঠ্যক্ৰম বেছি হোৱাৰ কাৰণে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে বেচি কষ্ট কৰিব লগা হয়। তাৰোপৰি আৰু কিছু ক্ষেত্ৰত বহুত অসুবিধা হয়। মই আশা ৰাখিছো মুখ্য মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ ব্যৱস্থা ল'ব। আমি পেপাৰত পঢ়িবলৈ পাইছো ধেমাজি মহকুমাত স্কুল উপ পৰিদৰ্শকৰ কাৰ্যালয়ত কিছুমান বিষয়াই লগ লাগি চৰকাৰেৰ বিনামুলীয়াকৈ দিয়া পাঠ্যপুথি জ্বলাই দিছে। অগ্ৰদূত কাকতত পাইছো বিনামূলীয়াকৈ পাঠ্যপুথি দাষ্ট বিনত। এইবিলাক ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব বুলি আশা ৰাখিছো যাতে বিনামূলীয়া পাঠ্য পুথিৰ বাবে বাজেটত পাছ কৰা টকাৰ সদব্যৱহাৰ হয়। আজি আমি সদস্যসকলে ওৱাটচ মেন হিচাপে থাকিব লগা হৈছে। আজি ডি আই অফিচ, ভেটাৰীনেৰী অফিচত দেখিব ক'ত টেবুল খালি হৈ পৰি আছে। চাৰি বজাৰ পিচত বিষয়াসকল নাথাকে। আজি ৩১ তাৰিখ- দেখিব ৰাতি ৮ বজালৈ অফিচ কৰি আছে, ভোজ হ'ব। এইখিনি কেনেকৈ কমাব পৰা যায় অতি বিবেচনা কৰিবলগিয়া, চিন্তা কৰিব লাগিব। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে শিক্ষাৰ ক্ষেত্ৰত শতকৰা ৫০ শতাংশ বাজেটৰ টকা দিয়া হৈছে। বাজেটখনৰ আধা টকা দিয়া হৈছে, এই টকাৰ যদি সদ্‌ব্যৱাৰ নকৰো, বিনামূলীয়া কিতাপ জ্বলাই দিয়া হয়, তেন্তে শিক্ষাৰ ক্ষেত্ৰত কেনেকৈ আগুৱাই যাব। আই এ এছ পোৱা ল'বাৰ কাৰণে ১০ হাজাৰ টকা আগবঢ়োৱা হৈছে, কিন্তু আজি দুবছৰ হ'ল এই দহ হাজাৰ টকা কোনেও ল'ব নোৱাৰিলে। এনে দৰণে হ'লে মেট্ৰিক পাছ কৰি দি শিক্ষকতা কৰাৰ পিচত তেওঁলোকে পঢ়োৱা ল'ৰাৰ অৱস্থা কি হ'ব? আজি এনে ধৰণৰ কিছুমান কথা আহি পৰিছে যে বিভিন্ন সময়ত বিদ্যালয় খোলাৰ ক্ষেত্ৰত বাধা দিয়াত গুৰুত্ব দিব লাগে। শিক্ষাৰ ক্ষেত্ৰত যিটো মানদণ্ডৰ প্ৰয়োজন সেইটো নাইকিয়া হৈ গৈছে। পৰিবহণ পদ্ধতিটোৰ উন্নতি সাধন

কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত আমাৰ চৰকাৰে যোগাযোগ কৰিব লাগে। ইণ্টাৰ দিষ্ট্ৰিক্ট ৰেলৱে ব্যৱস্থা কৰিব পাৰিব লাগিব। তেজপুৰৰ পৰা আহি দিশপুৰত অফিচ কৰিবপৰা ৰেলৰ ব্যৱস্থা হ'ব লাগে। লক্ষ্ণৌ, এলাহাবাদ আদিত ট্ৰেইনেৰে আহি অফিচ কৰাৰ সুবিধা আছে। আমাৰ চৰকাৰেও এই ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগে। মই ক'ব বিচাৰিছো যে এইখন এখন সুন্দৰ বাজেট হৈছে। বিৰোধী পক্ষৰ মাননীয় সদস্যসকলক অনুৰোধ জনাইছো যাতে ভুল শুধৰাই দি গঠনমূলক পৰামৰ্শ আগবঢ়ায়। এনে ধৰণৰ আমাৰ নিবনুৱা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত উদ্যোগ গঢ়িব লাগিব। কিছুমান উদ্যোগৰ ক্ষেত্ৰত চৰকাৰে আগভাগ ল'ব লাগিব। সুৱনশিৰি দাম্ব কৰিব পৰা নাই, অৰুণাচল চৰকাৰে আপত্তি কৰিছে। ৰঙানদী দাম্ব প্ৰজেক্ট কৰিব পৰা নাই। এই ক্ষেত্ৰত সকলোৱেহাত মিলাই আগবাঢ়ি যাব লাগিব। বানপানীয়ে আজি ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিছে। বানপানী আমাৰ কাৰণে এটা ডাঙৰ অভিশাপ। এই অভিশাপক আশীৰ্বাদ কৰিব লাগিব। জুন, জুলাই মাহত বানপানী পাবহি। ইয়াত আইন শৃংখলাৰ ধ্বনি দি থাকিলে নহ'ব। দিল্লীলৈ গৈ প্ৰধান মন্ত্ৰীক কওক চাৰ অসমত বানপানী হৈছে, ৰিলিফ দিয়ক। ভৰ বাৰিষা জনতা ভৱনৰ সন্মুখত আন্দোলন নকৰি বানপানীৰ সমস্যা সমাধানত আগ ভাগ লওক। মই আশা ৰাখিছো বিভাগীয় মন্ত্ৰীক, প্ৰধান মন্ত্ৰীক এই সমস্যা সমাধানৰ বাবদ হেঁচা দিব। আমাৰ চৰকাৰে দুৰ্নীতি নিবাৰণৰ ক্ষেত্ৰত আগভাগ লৈছে। বিষয়াই হওক বা বিধায়কেই হওক সকলোৰে ক্ষেত্ৰত ব্যৱস্থা লৈছে। গতিকে দুৰ্নীতি প্ৰতিৰোধ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছে। অৱশ্যে এটা কথা সমাজত ভাল মানুহৰ স্থান নাই। এজন দুজন ভাল মানুহ সমাজত নাই এনে নহয়। এই ক্ষেত্ৰত আপোনালোকে আমাক সহায় কৰিব লাগিব। যদি সহায় নকৰিতীব্ৰ সমালোচনা কৰি থাকে তেন্তে কিছুমান কাম কৰাত অসুবিধা হ'ব।

উপাধ্যক্ষ ঃ ৪ এপ্ৰিল সোমবাৰৰ পুৱা ৯ বজালৈ সভা স্থগন।

## ADJOURNMENT

The House then rose at 1.30 P.M. and stood adjourned till 9 A. M. on Monday, the 4th April, 1988.

**Dr. P. N. Hazarika**
Secretary,
Assam Legislative Assembly.

Dispur :
The 31st March, 1988.

# "অনুবন্ধ"

## কেন্দ্ৰীয় চৰকাৰে কৰিবলগীয়া বাকী থকা কামসমূহ ঃ-

১। ১৯৮৩ চনত অবৈধ অনুপ্ৰৱেশকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইনৰ সংশোধনী।

২। ভাৰত-বাংলাদেশ সীমান্ত সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বিতং বিৱৰণ।

৩। 'পি-আই-এফ' আঁচনি মতে মঞ্জুৰ কৰা পদত প্ৰাক্তন সৈনিকৰ বদলি অন্য লোকৰ নিয়োগত অনুমোদন।

৪। সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক ৰক্ষণা-বেক্ষণ সম্পৰ্কত ৰাজ্য চৰকাৰে দিয়া প্ৰস্তাৱৰ ওপৰত ব্যৱস্থা।

৫। ৭ নং দফা সংক্ৰান্তত গঠন কৰি দিয়া ৱৰ্কিং গ্ৰুপৰ প্ৰতিবেদন।

৬। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ ওপৰত আৰোপ কৰা শাস্তিমূলক ব্যৱস্থা উঠাই লোৱা সম্পৰ্কে ৰাজ্য চৰকাৰে আগবঢ়োৱা পৰামৰ্শ মানি নোলোৱা।

৭। অসম আন্দোলনৰ শ্বহীদসকলৰ নিকততম আত্মীয়লৈ আগবঢ়োৱা এককালিন মঞ্জুৰীৰ পৰিমাণ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন আৰু তাৰ বাবে ধন আদায়।

৮। তেল শোধনাগাৰ স্থাপনৰ চূড়ান্ত সিদ্ধান্ত।

৯। হিন্দুস্থান কাগজ নিগমে অশোক কাগজ কলটো লোৱাৰ বাবে দিয়া প্ৰস্তাৱৰ ওপৰত লোৱা ব্যৱস্থা।

# অসম চুক্তি ৰূপায়ণৰ অগ্ৰগতিৰ খতিয়ান

(১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহলৈ)

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰে লোৱা কাৰ্য ব্যৱস্থা | কেন্দ্ৰীয় চৰকাৰে লোৱা কাৰ্য ব্যৱস্থা |
|---|---|---|
| ১ | ২ | ৩ |
| ৫ (২) ১৯৬৬ চনৰৰ ১ জানুৱাৰীৰ আগতে যিসকল লোক অসমলৈ আহিছিল আৰু যিসকলৰ নাম ১৯৬৭ চনৰ নিৰ্বাচনৰ ভোটৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল তেওঁলোকক নিয়মীয়া নাগৰিক কৰা হ'ব। | | ১৯৫৫ চনৰ নাগৰিকত্ব আইন আৰু ইয়াৰসংশ্লিষ্ট নিয়মাৱলী কেন্দ্ৰীয় চৰকাৰেইতিমধ্যে সংশোধন কৰি নাগৰিকত্বৰ প্ৰমাণ পত্ৰ প্ৰদান কৰাৰ ক্ষমতা নিজৰ হাতলৈ নিছে। |
| ৫ (৩) ১ জানুৱাৰী ১৯৬৬ ৰ (সেই দিনটোসহ) পৰা ২৪ মাৰ্চ ১৯৭১ তাৰিখলৈ অসমলৈ অহা সকলো বিদেশী বিদেশী নাগৰিক আইন ১৯৪৬ আৰু বিদেশী নাগৰিক (ন্যায়াধিকৰণ) আদেশ, ১৯৬৪ ৰ ব্যৱস্থা অনুসাৰে চিনাক্ত কৰা হ'ব। | ১৯৬৬-৭১ চনৰ কালছোৱাৰ বিদেশী অনুপ্ৰৱেশকাৰীৰ চিনাক্ত কৰি তেওঁলোকৰ নাম ভোটৰ তালিকাৰ পৰা বাতিল কৰিবৰ বাবে প্ৰচলিত নিয়মানুসাৰে বিশেষ ব্যৱস্থা হাতত লোৱা হৈছে।<br>এই কাৰ্যৰ বাবে ৰাজ্য চৰকাৰে ১২ (বাৰ) খন ট্ৰিবিউনেল গঠন কৰে।<br>শেহতীয়া প্ৰতিবেদন অনুবদ্ধ 'A' ত। | |
| ৫ (৪) এনেদৰে চিনাক্ত কৰা বিদেশী নাগৰিকৰ নাম চলি থকা ভোটৰ তালিকাৰ পৰা বাদ দিয়া হ'ব। এই বিদেশী নাগৰিকসকলে সংশ্লিষ্ট জিলাৰ পঞ্জীয়ন বিষয়াৰ ওচৰত ১৯৩৯ চনৰ বিদেশী নাগৰিকৰ নাম পঞ্জীয়ন আইন আৰু | ৰাজ্য চৰকাৰে ১৮ টা পঞ্জীয়ন বিষয়াৰ পদৰ নিযুক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ দিছিল। | ৰাজ্য চৰকাৰে নিযুক্তিৰ বাবে পঠোৱা ১৮ জন পঞ্জীয়ন বিষয়াৰ ঠাইত কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ১০ জনৰহে নিযুক্তিৰ অনুমোদন জনাইছে।<br>বাকী কেইজন বিষয়াৰ নিযুক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন |

| | | |
|---|---|---|
| ১৯৩৯ চনৰ বিদেশী নাগৰিক পঞ্জীয়ন সংক্ৰান্ত বিধিৰ অধীনত তেওঁলোকৰ নাম ভুক্ত কৰিব লাগিব। | | অপেক্ষা কৰা হৈছে। |
| ৫ (৫) এই উদ্দেশ্যে ভাৰত চৰকাৰে চৰকাৰী ব্যৱস্থা যথোচিতভাৱে শক্তিশালী কৰাৰ কাম হাতত ল'ব। | | |
| ৫ (৬) বিদেশী বুলি চিহ্নিত হোৱাৰ দিনৰ পৰা ১০ বছৰ সম্পূৰ্ণ হ'লেও ভোটৰ তালিকাৰ পৰা বাদ দিয়া বিদেশী নাগৰিকসকলৰ নাম পুনৰ ভোটৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব। | যথা সময়ত বিহিত ব্যৱস্থা লোৱা হ'ব। | |
| ৫ (৭) আগতে বহিষ্কাৰ কৰা যিসকল বিদেশী নাগৰিক বে-আইনীভাৱে আকৌ অসমত সোমাইছেহি তেওঁলোকক পুনৰ বহিষ্কাৰ কৰা হ'ব। | ৰাজ্য চৰকাৰে সীমান্তৰক্ষী সংগঠনবোৰক অধিক তৎপৰ হ'বলৈ সকিয়াই দিছে। ৰাজ্যত অনুপ্ৰৱেশকাৰী ৰোধ কৰাৰ উদ্দেশ্যে পি আই এফ আৰক্ষী গোট অধিক শক্তিশালী কৰিবলৈ ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত যোৱা ৯/১০/৮৫ তাৰিখে প্ৰস্তাৱ উত্থাপন কৰা হৈছিল। | কেন্দ্ৰীয় চৰকাৰৰপৰা পদৰ বাবে অনুমোদন পোৱা হৈছে। কিন্তু পদসমূহ প্ৰাক্তন সৈনিকৰ দ্বাৰা পূৰণ কৰিব লাগিব বুলি কোৱা কাৰণে ব্যৱস্থা ল'ব পৰা হোৱা নাই। |
| ৫ (৮) ১৯৭১ চনৰ ২৫ মাৰ্চ বা তাৰ পাচত অসমলৈ অহা বিদেশীক চিনাক্ত কৰা, ভোটৰ তালিকাৰ পৰা নাম বাদ দিয়া আৰু বহিষ্কাৰ কৰাৰ কাম আইনমতে চলি থাকিব। তেনে বিদেশী লোকৰ বহিষ্কাৰৰ বাবে খৰতকীয়া আৰু বাস্তৱোচিত ব্যৱস্থা লোৱা হ'ব। | সময় আৰু পৰিস্থিতিৰ গুৰুত্বলৈ লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে অতিৰিক্ত পদৰ সৃষ্টি কৰি সেই পদত লোক নিয়োগ কৰি প্ৰচলিত আইন অনুসাৰে খৰতকীয়া ব্যৱস্থা হাতত লৈছে। শেহতীয়া প্ৰতিবেদন অনুবন্ধ পত্ৰ 'B'ত। | |

| | | |
|---|---|---|
| ৫ (৯) অবৈধ, অনুপ্ৰৱেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইন, ১৯৮৩ ৰ কাৰ্যকৰী কৰণৰ ক্ষেত্ৰত আছু আৰ গণসংগ্ৰাম পৰিষদে উল্লেখ কৰা কেতবোৰ অসুবিধাৰ বিষয়ে চৰকাৰে যথোচিতভাৱে বিবেচনা কৰিব। | অবৈধ অনুপ্ৰৱেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইন ১৯৮৩ ৰ সংশোধনী প্ৰস্তাৱসমূহ যোৱা ১০/৩/৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰা হৈছে। সংশোধনী বিষয়টোৰ ক্ষেত্ৰত শীঘ্ৰে এটি সিদ্ধান্ত ল'বলৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দি থকা হৈছে।<br>সংশোধনী নোহোৱা বাবে ন্যায়াধীকৰণ গঠন কৰা হোৱা নাছিল। ইতিমধ্যে অনুসন্ধান কৰিবলৈ লোৱা গোচৰসমূহ নিস্পত্তি কৰিবৰ কাৰণে প্ৰতি জিলাতে একোখনকৈ ১৮ খন ন্যায়াধীকৰণ গঠন কৰি দিয়া হৈছে। | কেন্দ্ৰীয় চৰকাৰে এটা সংশোধনী লোকসভাত উত্থাপন কৰিছে বুলি জানিব পৰা গৈছে। |
| **ৰক্ষণাবেক্ষণ আৰু অৰ্থনৈতিক উন্নয়ন ঃ**<br>৬। অসমীয়া ৰাইজৰ সাংস্কৃতিক, সামাজিক ভাষিক পৰিচয় আৰু ঐতিহ্যৰ ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যেনে ধৰণে দৰকাৰ, সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা কৰা হ'ব। | ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকালৈ যোৱা ২০/১০/৮৬ তাৰিখে বিতং প্ৰস্তাৱসমূহ প্ৰেৰণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ লগত প্ৰাৰম্ভিক আলোচনাৰ পিচত কেন্দ্ৰীয় চৰকাৰে কিছুমান অতিৰিক্ত তথ্য-প্ৰ্যাতি বিচাৰে। সেইবিলাক যুগুতাই থকা হৈছে আৰু পৰৱৰ্তী আলোচনাত বিবেচনা কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰৱৰ্তী আলোচনাৰ দিন জনাৰ কাৰণে অপেক্ষা কৰা হৈছে। | কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰৱৰ্তী আলোচনাৰ দিনৰ বাবে অপেক্ষা কৰা হৈছে। |
| ৭। ৰাইজৰ জীৱনৰ মান উন্নত কৰিবৰ বাবে ৰাজ্যখনৰ খৰতকীয়া | ছাত্ৰ সন্থাই দাখিল কৰা পৰামৰ্শৱলী বিভিন্ন বিভাগে | ৰাজ্য চৰকাৰৰ প্ৰস্তাৱিত প্ৰকল্প আদি ৰূপায়িত কৰা সম্ভৱনাৰ |

| | | |
|---|---|---|
| সৰ্বাঙ্গীন অৰ্থনৈতিক উন্নয়নৰ বাবে নিজৰ প্ৰতিশ্ৰুতিৰ কথা এই সুযোগতে চৰকাৰে দোহাৰিছে। ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপন কৰাৰ লগতে শিক্ষা আৰু বিজ্ঞান তথা প্ৰযুক্তি বিদ্যাৰ দিশত বিশেষ গুৰুত্ব দিয়া হ'ব। | ব্যৱস্থা হৈছে।<br>২০/৫/৮৭ তাৰিখে ৰাজ্য চৰকাৰে ৰাজ্যৰ অৰ্থনৈতিক সৰ্বাঙ্গীন উন্নতিৰ হকে পৰিকল্পনা আঁচনি যুগুতাবলৈ এটি টাস্কফ'ৰ্চ অনতি পলমে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰা হৈছে। | দিশ চালি-জাৰি চাবলৈ কেন্দ্ৰীয় চৰকাৰে ৪/৩/৮৬ তাৰিখে এটি 'টেকনিকেল ৱৰ্কিং গ্ৰুপ' ভাৰত চৰকাৰৰ পবিকল্পনা সচিবক লৈ গঠন কৰি দিছে।<br>উক্ত ৱৰ্কি গ্ৰুপটোৱে মাৰ্চ মাহৰ শেষ ভাগত গুৱাহাটীলৈ আহি এই বিষয়ত আলোচনা কৰি যায়। কিন্তু প্ৰতিবেদন এতিয়াও জানিব পৰা নাই। |

**অন্যান্য বিষয় ঃ**

| | | |
|---|---|---|
| ৮ (১) কেৱল কেন্দ্ৰীয় চৰকাৰ কৰ্তৃপক্ষৰ দ্বাৰাহে আগলৈ নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়াৰ বাবে চৰকাৰে দিহা কৰিব। | | নাগৰিকত্বৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা ক্ষমতা কেন্দ্ৰীয় চৰকাৰে নিজৰ হাতলৈ নিছে। |
| ৮ (২) ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণ পত্ৰ অনিয়মীয়াকৈ দিয়াৰ কোনো আপত্তি আছু/ গণসংগ্ৰাম পৰিষদে, স্পষ্টকৈ দিলে তেনে আপত্তিৰ কথা বিবেচনা কৰা হ'ব। | নাগৰিকত্বৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা ক্ষেত্ৰত কোনো ওজৰ-আপত্তি দাখিল কৰিলে সেইবোৰ সক্ৰিয়ভাৱে ৰাজনৈতিক বিভাগে পৰীক্ষা কৰিব। | |
| ৯ (১) গোটেই আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নৈ অঞ্চল, আৰু স্থল খণ্ডত নিৰাপত্তা বাহিনীৰ পহৰা লগাৰ জোখাৰে বঢ়োৱা হ'ব। ভৱিষ্যত অনুপ্ৰৱেশত ফলপ্ৰসুভাবে বাধা দিবলৈ নিৰাপত্তা ব্যৱস্থা আৰু শক্তিশালী কৰিবৰ উদ্দেশ্যে যথেষ্ট সংখ্যক তালাচী চকী পতা হ'ব। যথোপযুক্ত ঠাইত বেৰা, কাটাতাঁৰৰ বেৰা আৰু অন্যান্য | | বিদেশী অনুপ্ৰবেশ ৰোধ কৰিবলৈ অসম বাংলাদেশ সীমান্তত পহৰাদাৰী কাৰ্য ব্যাপক কৰা আৰু পহৰাদাৰী চকীৰ সংখ্যা বৃদ্ধি কৰাৰ যোগেদি সীমান্ত সুৰক্ষা বাহিনীৰ কাৰ্য ব্যৱস্থা অধিক শক্তিশালী কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক জানিবলৈ দিয়ে। |

| | | |
|---|---|---|
| হেঙ্গাৰ সাজি ভৱিষ্যত অনুপ্ৰৱেশৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় সীমান্ত নিৰাপদ কৰা হ'ব। | | |
| ৯ (২) ওপৰত উল্লেখ কৰা ব্যৱস্থাৱলীৰ উপৰিও আৰু নিৰাপত্তাৰ কথা মনত ৰাখি নিৰাপত্তা বাহিনীৰ পহৰাৰ সুবিধাৰ বাবে গোটেই সীমান্তৰ কাষে কাষে এটা আলিবাট সঁজা হ'ব। সীমান্ত আৰু সেই পথৰ মাজৰ ঠাই য'ত য'ত সম্ভৱ বসতি মুক্ত কৰি ৰখা হ'ব। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নদী অঞ্চলৰ পহৰা বঢ়োৱা হ'ব। আন্তঃৰাষ্ট্ৰীয় সীমান্ত অতিক্ৰম কৰা বা কৰিব খোজা অনুপ্ৰৱেশকাৰীক বাধা দিবলৈ সকলো ফলপ্ৰসু ব্যৱস্থা হাতত লোৱা হ'ব। | ৰাজ্য চৰকাৰে অনুমোদিত জৰীপৰ কাম সম্পূৰ্ণ কৰি আলিবাট বন্ধাৰ কামত আগবাঢ়িছে। কাটাতাঁৰৰ বেৰ দিয়া সম্বন্ধে পথৰ কোন অংশত কেনে ধৰণৰ বেৰ দিয়া হ'ব পৰীক্ষা কৰি স্থিৰ কৰি প্ৰাককলন প্ৰস্তুত কৰি থকা হৈছে আৰু অনুমোদনৰ বাবে সোনকালে দাখিল কৰা হ'ব। | কেন্দ্ৰীয় চৰকাৰে কাইটীয়া তাঁৰৰ বেৰ দিয়াৰ কামত আগবাঢ়ি যাবলৈ নিৰ্দেশ দিছে। |
| ১০। চৰকাৰী মাটি আৰু জনজাতীয় বেষ্টনী আৰু ব্লকৰ মাটিত বেদখল ৰোধ কৰিবৰ বাবে যি বিলাক আইন আছে সেই আইন কঠোৰভাৱে বলবৎ কৰা আৰু এনে আইনৰ অধীনত বেদখলকাৰীক উচ্ছেদ কৰাটো নিশ্চিত কৰা হ'ব। | চৰকাৰী মাটি তথা জনজাতীয় খণ্ড আৰু বেষ্টনীৰ মাটি বেদখলাৰ পৰা মুক্ত কৰিবলৈ প্ৰচলিত ৰাজহ আইন আৰু বিধি অনুসাৰে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেই মতে ৰাজ্যৰ উপায়ুক্ত/ মহকুমাধিপতিসকলক বেদখল উচ্ছেদ আৰু বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ৰাজ্য চৰকাৰে ৪৫ টা জনজাতীয় খণ্ড আৰু বেষ্টনীত জৰীপ চলাই বিভিন্ন জনগোষ্ঠীৰ পৰিসংখ্যা দাখিল | |

| | | |
|---|---|---|
| | কৰিবলৈ উপায়ুক্ত/ মহকুমাধিপতি সকলক নিৰ্দেশ দিছে। বাৰিষা আৰু বানপানীৰ কাৰণে ৰাজ্য চৰকাৰে বেদখল উচ্ছেদ কাৰ্য সাময়িকভাৱে ৩১ অক্টোবৰ পৰ্যন্ত বন্ধ ৰাখিছিল। এই কাৰ্য পুণৰ আৰম্ভ কৰিবলৈ ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। অসমত বিদেশী লোকে যাতে স্থাবৰ সম্পত্তি আহৰণ কৰিব নোৱাৰে তাৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে। ইয়াৰ দায়িত্বত থকা বিষয়াসকললৈ কটকটীয়া ব্যৱস্থা ল'বলৈ যথোচিত নিৰ্দেশ দিয়া হৈছে। | |
| ১১। অসমত বিদেশীয়ে স্থাৱৰ সম্পত্তি গোটোৱাটো নিয়ন্ত্ৰণ কৰাৰ বাবে থকা সংশ্লিষ্ট আইন কঠোৰভাবে বলবৎ কৰাটো নিশ্চিত কৰা হ'ব। | | |
| ১২। জন্ম মৃত্যুৰ পঞ্জীয়ণ উপযুক্তভাৱে ৰখাতো নিশ্চিত কৰা হ'ব। | ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যত স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা বভাগৰ পোনপটীয়া নিয়ন্ত্ৰণৰ অধীনত এটি নতুন কৰ্ম পদ্ধতি প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈ আৱশ্যকীয়া ব্যৱস্থা হাতত লৈছে। এই কাম আৰম্ভ হৈছে। | |
| ১৩। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে আলেন্দালন প্ৰত্যাহাৰ কৰিছে আৰু পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে। | সহযোগিতা পোৱা নাই। | |
| ১৪ (ক) কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে আন্দোলনৰ সন্দৰ্ভত কৰ্মচাৰী-সকলৰ বিৰুদ্ধে লোৱা অনুশাসন-মূলক ব্যৱস্থাৰ গোচৰ | অসম আন্দোলনৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলৰ ওপৰত আৰোপ কৰা সকলো শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰ | অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত নিৰ্যাতিত অসমস্থ কেন্দ্ৰীয় চৰকাৰী কৰ্মচাৰীৰ ওপৰত থকা শাস্তিমূলক ব্যৱস্থাসমূহ কেন্দ্ৰীয় |

| | | |
|---|---|---|
| সহানুভূতিৰে পুনৰ বিবেচনা কৰিবলৈ আৰু উঠাই ল'বলৈ আৰু কাৰো বিপক্ষে যাতে আক্ৰোশমূলক ব্যৱস্থা লোৱা নহয় তাক নিশ্চিত কৰিবলৈ মান্তি হৈছে। | কৰিছে। কেন্দ্ৰীয় চৰকাৰকো তদ্ৰূপ ব্যৱস্থা ল'বলৈ অনুৰোধ জনাই আহিছে।<br>কেন্দ্ৰীয় চৰকাৰৰ, কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠান প্ৰতিষ্ঠান আদিৰ বৰ্খাস্ত হোৱা যিসকল কৰ্মচাৰীৰ এতিয়াও চাকৰিত পুণৰ সংস্থাপন নহ'ল সেইসকলক ৰাজ্য চৰকাৰে বিকল্প সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিছে। | চৰকাৰে এতিয়ালৈকে সম্পূৰ্ণ ভাৱে প্ৰত্যাহাৰ কৰা নাই। এই বিষয়ত ৰাজ্য চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ লগত সঘনে যোগাযোগ কৰি আছে যাতে কেন্দ্ৰীয় চৰকাৰেও তেওলোকৰ অসমস্থ কৰ্মচাৰীলৈ অসম চুক্তিৰ ১৪ (ক) দফা অনুসৰি ৰাজ্য চৰকাৰে তেওঁলোকৰ কৰ্মচাৰিলৈ আগবঢ়োৱা সুবিধাবোৰ একে পৰ্যায়তে দিয়ে আৰু অনুপস্থিতিৰ কাল চোৱা কৰ্তব্যৰত বুলি গণ্য কৰে।<br>কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়াও সহাৰি পোৱা নাই। বৰ্খাস্ত হোৱা কিছু সংখ্যক কৰ্মচাৰীক এতিয়াও পুনৰ মকুৰল কৰা হোৱা নাই। |
| ১৪ (খ) আন্দোলনৰ সময়ছোৱাত নিহতসকলৰ আত্মীয়ক এককালীন অৰ্থ সাহাৰ্য্য দানৰ এখন আঁচনি যুগুতাৱলৈ মান্তি হৈছে। | অসম আন্দোলনৰ শ্বহীদসকলৰ প্ৰত্যেকৰে নিকটতম আত্মীয়লৈ অসম চৰকাৰে ৫০,০০০/- টকাৰ এককালীন সাহায্যৰ আঁচনিৰ সন্দৰ্ভত সদ্যহতে ৩০,০০০/- টকাকৈ মঞ্জুৰী দিছে।<br>ৰাজ্য চৰকাৰে অসম আন্দোলন সংক্ৰান্তত আঘাত প্ৰাপ্ত ব্যক্তিলৈ সাহায্য বা চিকিৎসা আদিৰ খৰচ খৰতকীয়াভাৱে অনুমোদন দিবলৈ ব্যৱস্থা লৈছে। | শ্বহীদ পৰিয়ালক পুনৰ সংস্থাপন আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে দিব খোজা ৫০,০০০ টকা সমুদায় ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে বুলি প্ৰস্তাৱ দাঙি ধৰিছে কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ২০,০০০/- টকাকৈ দিবলৈ সন্মতি জনাইছে। ৰাজ্য চৰকাৰে সমুদায় ধন দিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰক পুনৰবাৰ প্ৰস্তাৱ কৰিছে। প্ৰস্তাৱটোৰ অনুমোদন কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়াও পোৱা নাই। |

| | | |
|---|---|---|
| ১৪ (গ) অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত শৈক্ষিক আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ বেলিকা হোৱা আচহুৱা পৰিস্থিতিৰ কথা বিবেচনা কৰি অসমৰ চৰকাৰী চাকৰিত নিয়োগৰ বাবে বয়সৰ সৰ্বোচ্চ সীমা ৰেহাই দিয়াৰ প্ৰস্তাৱ সহানুভুতিৰে বিবেচনা কৰিবলৈ মান্তি হৈছে। | ............. অসম চৰকাৰে চাকৰিত প্ৰবেশাৰ্থে ১৫/৮/৮৫ তাৰিখৰ পৰা ৫ বছৰলৈ বয়সৰ সৰ্বোচ্চ সীমা ৬ বছৰৰ বাবে সাধাৰণ ৰেহায় দানৰ নিৰ্দেশ দিছে। | ......() কেন্দ্ৰীয় চৰকাৰে অসমৰ ক্ষেত্ৰত চাকৰিত প্ৰৱেশাৰ্থে ৩০/৯/৮৫ তাৰিখৰ পৰা ৫ বছৰলৈকে বয়সৰ সৰ্বোচ্চ সীমা ৬ বছৰৰ বাবে সাধাৰণ ৰেহাই দানৰ নিৰ্দেশ দিছে। |
| ১৪ (ঘ) আটকৰ গোচৰ আৰু ডাঙৰ অপৰাধত অভিযুক্তসকলৰ বাহিৰে আন্দোলন সম্পৰ্কত অন্যান্য ফৌজদাৰী অপৰাধত অভিযুক্তসকলৰ বিৰুদ্ধে থকা গোচৰ আৰু আছে যদি আটকৰ গোচৰৰ পুনৰ পৰ্যালোচনাৰ কাম হাতত ল'বলৈ মান্তি হয়। | অসম আন্দোলনৰ সম্পৰ্কত ফৌজদাৰী অপৰাধত অভিযুক্ত লোকসকলৰ গোচৰসমূহ পৰীক্ষা কৰি প্ৰত্যাহাৰ কৰিবলৈ কৰ্তৃত্ব দিয়া হৈছে।<br><br>কেবাবাৰো জিলা পৰ্যায়ত পৰ্যলোচনা কৰি গোচৰ প্ৰত্যাহাৰৰ ব্যৱস্থা কৰা হৈছে আৰু ৰাইজৰ জ্ঞাতাৰ্থে দুবাৰো কাকতত বিজ্ঞাপন দি পৰি থকা বুলি অভিযোগ কৰা গোচৰৰ হিচাব বিচৰা হৈছে। এনেদৰে পৰ্যালোচনা চলাই থাকি খৰটকীয়া ব্যৱস্থা লোৱা হৈ আছে। চৰকাৰৰ হাতত পৰা তথ্য মতে প্ৰথমতে চিনাক্ত কৰা ২০,৬২৫ টা গোচৰৰ ভিতৰত এতিয়াও মাত্ৰ ৯১ টা গোচৰ প্ৰত্যাহাৰ হ'বলৈ বাকী আছে। | |
| ১৪ (ঙ) কোনোনিষেধাজ্ঞা/বিজ্ঞপ্তি | ৰাজ্য চৰকাৰে পূৰ্বতে বাহাল | |

| | | |
|---|---|---|
| যদি বাহাল আছে তাক প্ৰত্যাহাৰ কৰা বিষয়টো বিবেচনা কৰি চাবলৈ মান্তি হয়। | থকা নিষেধাজ্ঞা/বিজ্ঞপ্তি আদি প্ৰত্যাহাৰ কৰিছে। পাইকাৰী জৰিমনাৰ হুকুম বাতিল কৰি আৰু ইতিমধ্যে তেনে জৰিমনা যদি আদায় কৰা হৈছে তাকো ঘূৰাই দিবলৈ নিৰ্দেশ জাৰি কৰিছে। | |
| ১। অসমত আন এটা তেলশোধনাগাৰ স্থাপন কৰা হ'ব। | ইতিমধ্যে ৰাজ্য চৰকাৰে মেৰ্চাচ ইঞ্জিনিয়াৰছ ইণ্ডিয়া লিমিটেডক এটি প্ৰাক সাম্ভব্য (কিজিবিলিটি) প্ৰতিবেদন ৰচনা কৰি দিবলৈ কোৱা হৈছে যাতে এই ক্ষেত্ৰত আৰু পলম হোৱাৰ কোনো আশংকা নাথাকে। ৰাজ্য চৰকাৰে পেট্ৰ'ৰসায়ন কমপ্লেক্স সহ তিনি নিযুত টন ক্ষমতা সম্পন্ন এটা তেল শোধনাগাৰ ৰাজহুৱা খণ্ডত স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছে। ইয়াৰ উপৰিও ডিগবৈ আৰু বঙ্গাইগাঁৱত অৱস্থিত তেল শোধনাগাৰ দুটাৰো সম্প্ৰসাৰণৰ প্ৰস্তাৱ দাঙি ধৰিছে। | সিদ্ধান্ত শীঘ্ৰে লোৱাৰ ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী দেৱে প্ৰধান মন্ত্ৰীক অনুৰোধ জনাইছে। |

**মৰাপাট কল ঃ**

| | | |
|---|---|---|
| মৰাপাট কল পুনৰ সংস্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে। | শিলঘাটৰ সমবায় মৰাপাট কলটো পুনৰ জীৱিত কৰিবৰ বাবে ৰাজ্য চৰকাৰে যথেষ্ট অনুদান দিছে। ইয়াৰ উপৰিও ৰাজ্য | কেন্দ্ৰীয় চৰকাৰে ১৬৯.৬০ লাখ টকা ঋণ আৰু ৭১.০০ লাখ টকা মঞ্জুৰী হিচাবে সাহায্য আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰে আটাইখিনি |

| | | |
|---|---|---|
| | চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱ অনুসৰি মুঠ ৯৫.৪৫ লাখ টকা বিক্ৰী আৰু আমদানি কৰ ৰেহাই দিছে। ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ২৪০.৬০ লাখ টকা মঞ্জুৰী দিবলৈ অনুৰোধ কৰিছে। | টকাকে মঞ্জুৰী ৰূপে দিবলৈ হেঁচা দি আছে। |
| ২। অশোক কাগজ কল পুনৰ সংস্থাপন কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সম্পূৰ্ণ সহযোগিতা আগবঢ়াব। | ১৯৮৮ চনৰ এপ্ৰিল মাহৰ ভিতৰত যাতে হিন্দুস্থান কাগজ কলটো তেওঁলোকৰ হাতলৈ নিয়ে তাৰ ব্যৱস্থা ল'বলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনোৱা হৈছে। | কেন্দ্ৰীয় চৰকাৰে লোৱা ব্যৱস্থা জানিবলৈ অপেক্ষা কৰা হৈছে। |
| ৪। অসমত এটা ইণ্ডিয়ান ইনষ্টিটিউট অব টেকনলজি (আই আই টি) স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক পূৰ্ণ সহযোগিতা আগবঢ়াব। | কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ অনুসৰি নগাঁও জিলাৰ মিছৰি ওচৰত বিকল্প স্থান বিচাৰি উলিয়াই দেখুৱা হৈছিল। কেন্দ্ৰীয় চৰকাৰে স্থান নিৰ্বাচন কৰি তাত অনুষ্ঠানটো স্থাপনৰ সিদ্ধান্ত ৰাজ্য চৰকাৰক জনোৱাত সংশ্লিষ্ট উপায়ুক্ত-সকলক মাটি অধিগ্ৰহণৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়া হৈছে। | কেন্দ্ৰীয় চৰকাৰে পৰীক্ষা কৰি মিছাতে আই আই টি অনুষ্ঠানটো স্থাপন কৰিবলৈ সিদ্ধান্ত লয়। লগতে গুৱাহাটীতো এটা চিটি চেণ্টাৰ ৰখাৰ কাৰণে বৈতকুছি/জাতিকুছি অঞ্চলত ২০০ একৰ মাটি দিয়াৰ কাৰণে পৰামৰ্শ আগবঢ়াইছে। |

# ANNEXURE - 'A'

## STATEMENT SHOWING THE PROGRESS MADE UNDER THE FOREIGNER'S- ACT 1946-1966-71 INFILTRANTS. AS ON 29.2.88

| | | |
|---|---|---|
| 1. | No. of equiries initiated...................... | 3,85,103 |
| 2. | No. of enquiries completed............... | 2,49,484 |
| 3. | No. of cases referred to Tribunals. | 21,501 |
| 4. | No. of cases disposed of by Tribunals. | 4,246 |
| 5. | No.of persons declared foreigners... | 3,854 |
| 6. | No. of persons registered with F. R. O. | 864 |
| 7. | No. of persons whose names have been sent for deletion from Electoral Rolls. | 1,307 |

## ANNEXURE - 'B'

## STATEMENT SHOWING THE PROGRESS MADE UNDER THE IM (DT) ACT. 1983- POST 1971 INFILTRANTS. AS ON 29.2.88

| | | |
|---|---|---|
| 1. | No. of equiries initiated...................... | 1,25,527 |
| 2. | No. of enquiries completed............... | 82,492 |
| 3. | No. of enquiries referred to screening Committee.................... | 82,492 |
| 4. | No. of Cases referred to Tribunals.... | 9,791 |
| 5. | No. of cases disposed of by Tribunals. | 753 |
| 6. | No.of persons declared illegal migrants. | 899 |
| 7. | No. of persons served with expulsion order................................ | 423 |
| 8. | No. of persons expelled............... | 161 |
| 9. | No. of Fresh/ reinfiltrants pushed back. | 5,040 |